# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

**NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## NO. 20

**The 26th April, 1989**

**Price—Rs. 28·51**

# CONTENTS

**BUDGET SESSION**

No. 20

**Dated the 26th April, 1989**


| | | Page |
|---|---|---|
| 1. | Questions & Answers — — — — | 1 |
| 2. | Voting on Demands for Grants — — | 50 |
| 3. | Statement by the Minister — — — | 102 |
| 4. | Adjournment — — — — — | 103 |
| 5. | Annexures— I, II, III, IV, V, VI. & VII— | 104—151 |

## DEBATES OF THE ASSAM LGISLATIVE ASSEMBLY
## WEDNESSDAY, April 26, 1989

The House met at nine of the Clock in the Assembly Chamber at Dispur with Shri Pulakesh Barua, Speaker in the Chair.

### STARRED
### QUESTIONS & ANSWERS
(To which oral replies were given)

বিষয় - শিৰিশ টিকা গ্ৰেজিং।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

*৩৬১। মাননীয় ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) দেৰগাওঁ ৰাজহ চক্ৰৰ শিৰিশ টিকা গ্ৰেজিং ভূমি সংৰক্ষন বিভাগে ভূমি সংৰক্ষনৰ বাবে এটা আঁচনি লোৱাটো চৰকাৰে জানেনে ?

খ) যদি জানে, আঁচনিটো সম্পূৰ্ণ কাৰ্য্যকৰি হলনে ?

গ) উক্ত আঁচনিত কিমান ধন আবন্টন কৰা হৈছিল আৰু কিমান ধন খৰছ কৰা হল

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় সংৰক্ষণশীল বননিকৰণ আঁচনি লোৱা হৈছে।

খ) উক্ত আঁচনিখন সম্পূৰ্ণ কাৰ্য্যকৰি কৰা হৈছে।

গ) অঁাচনিখনৰ আবণ্টিত ধন আৰু খৰছ কৰা ধন এনেধৰণৰ—

| বিত্তীয় বছৰ | বনানিকৃত মাটিৰ পৰিমাণ | আবণ্টিত ধনৰ পৰিমাণ | খৰছ কৰা ধনৰ পৰিমাণ | মন্তব্য |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ১৯৮৬-৮৭ | ২৬ হেক্টৰ সাধাৰণ অঁাচনি | ৭৯,৫০৭ | ৭০,৫০৭ | বনানিকৰণ অঁাচনি ৰক্ষনাবেক্ষণ শিতান ৪,০০০/- |
| ১৯৮৬-৮৭ | ৩৪ হেক্টৰ অনুসূচিত জনজাতি অঁাচনি | ১,০১,২৩০ | ১,০১,২৩০ | ৭০০০/- |
| ১৯৮৭-৮৮ | ১০ হেক্টৰ সাধাৰণ অঁাচনি | ২৮,০০০ | ২৮,০০০ | — |

শ্ৰীভবেন্দ্ৰ নাথ ভড়ালী : মাননীয় অধ্যক্ষ মহোদয়, এই অঁাচনিত প্ৰায় ২ লাখ মান টকা খৰছ হল কিন্তু কাৰ্য্যতঃ তাত কাম একোৱেই হোৱা নাই। মই এই বিধান সভা চলি থকাৰ ১৫ দিনৰ আগতে তাৰপৰা আহিছো তাত কোনো 'বাজেট ওৱাৰ ফেন্সিং' নাই আৰু এডাল গছগছনিও নাই। এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বানপানীত এই অঁাচনিৰ কামৰ যথেষ্ট ক্ষতিসাধন হ'ল। যিখিনি ক্ষতিসাধন হৈছে সেইখিনি পুনৰ নিৰ্মাণ কৰিবৰ কাৰণে আমি ব্যবস্থা লম। এই বিষয়ে মাননীয় সদস্য জনে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে যে তাত কোনো গছ গছনি আদি নাই সেই বিষয়ে মই বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা এটা তদন্ত কৰোৱাৰ ব্যৱস্থা কৰিম।

**Re : Karbis as Scheduled Tribes.**

Shri Holiram Terang asked :

*362. Will the Minister, Welfare of Plains Tribes be pleased to state :

a) Whether several representations have been received by the Government from different organisations for

recognition of the Karbis of plain districts as Scheduled Tribes ?

b) If so, what steps have been taken by the Government ?

Shri Durga Das Boro (Minister) replied :

a) Yes.

b) The matter is under the examination of the Government ?

Shri Holiram Terang : Sir in reply to my question (b) the Honourable Minister has stated that the matter is under examination. Now I would like to know from the Honourable Minister what kind of examination is being made.

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ আগতেও মই দুটা প্ৰশ্নোত্তৰত এই বিধান সভাতে কৈছোঁৱেই যে বিশেষকৈ পাৰ্বত্য জনজাতিৰ ফালৰ পৰা তিনিখন আবেদন পাইছো। এই আবেদন সমূহ পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে। আৰু কেইটামান পৰীক্ষা নিৰীক্ষা কৰিবলৈ বাকী আছে। সেই কেইটা পৰীক্ষা নিৰীক্ষা কৰা হলে চূড়ান্ত প্ৰতিবেদন দাখিল কৰা হব।

শ্ৰীহলি ৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয় কাৰ্বি লোক সকল অসমৰ খিলঞ্জীয়া লোক। তেখেত সকলক পৰীক্ষা নিৰীক্ষা কৰিবলৈ কি আছে ? কাৰণ অসম চৰকাৰৰ এখন চাৰ্কোলাৰৰ যোগেদি For all practical purposes they will have to be treated as scheduled tribes. গতিকে এই সকল অনুসূচীত জনজাতি। গতিকে তেখেত সকলৰ কথাটো ভাৰত চৰকাৰলৈ অনুমোদন কৰি পঠিউৱাত কি প্ৰতিবন্ধকতা আছে আমি বুজি পোৱা নাই।

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় বাধা একো নাই। আমি সকলোবিলাক জনগোষ্ঠীৰ আবেদন নিবেদন সমূহ পৰীক্ষা নিৰীক্ষা কৰি পঠিয়াবলৈ লৈছো।

শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয় During the last session of the Parliament Dr. Rajendra Kumari Bajpayee brought a bill in this regard. কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন্দ্ৰ কুমাৰী বাজপেয়ীয়ে এই

Speech not corrected

সক্ৰান্তত এখন সংশোধনী বিল অনাৰ কথা কৈছে। গতিকে এই বিলাক যিমান পাৰি সোনকালে পঠিওৱাত কি বাধা আছে আমি বুজিবলৈ টান পাইছো।

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে আগতেও কৈছো যে, পৰীক্ষা নিৰীক্ষা কৰিবলৈ ভৈয়াম আৰু পাৰ্বত্য দুয়ো ক্ষেত্ৰতে কেইবাটাও জনগোষ্ঠীৰ কথা বাকী আছে। আমি ইতিমধ্যে ৪ টা জনগোষ্ঠীৰ ওপৰত অধ্যয়ন শেষ কৰিছো। আৰু ২.৩ টা মান বাকী আছে। এই কেইটা পৰীক্ষা কৰি আমি একেলগে ভাৰত চৰকাৰৰ অনুমোদনৰ কাৰণে পঠাব পাৰিম। মাননীয় সদস্য গৰাকীৰ লগতে সদনৰ বাকী সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে, ১৯৮৬ চনতে এই বিষয়ে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিছো আৰু এই সংক্ৰান্তত অসম চৰকাৰৰ মতামতো ব্যক্ত কৰা হৈছে। আমি আশা কৰিছো অনতি পলমেই বাকী থকা জনগোষ্ঠী কেইটাৰ আবেদন ভাৰত চৰকাৰলৈ পঠিয়াবলৈ আমি সক্ষম হম।

শ্ৰীহলি ৰাম টেৰাং :— মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া সময় সীমাৰ ভিতৰতে পঠিয়াব পাৰিবনে নোৱাৰে ?

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, সময় সীমা বান্ধি দিয়া নিদিয়া বা তাৰ ভিতৰতে দিব পৰা নপৰাটো একো কথা নহয়। অনুসূচীত জাতি বা জনজাতিত পৰাৰ যোগ্যত থাকিলে দিবই লাগিব।

শ্ৰীহলি ৰাম টেৰাং :— মাননীয় অধ্যক্ষ মহোদয়, যিমান পাৰি সোনকালেই পঠিয়াই দিয়াটো আপত্তি থাকিব নোৱাৰে।

Mr. Speaker :— He has already explained the matter. No further elucidation is required. Now next question.

বিষয়: শিলৰ মহল।

শ্ৰীকমলা কলিতায়ে সুধিছে :

*৩৬৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ বন বিভাগৰ অধিনত কিমানটা বালি মহল আৰু শিলৰ মহল আছে ?

খ) এই মহল সমূহ বন্দোৱস্তি দিয়াৰ নীতি কি ?

---

Speech not corrected.

গ) ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কিমান সংখ্যক মহলৰ ( উভয়েৰে ) বন্দোবস্তি দিয়া হৈছে।

ঘ) উক্ত সময়ছোৱাৰ ভিতৰত বন্দোবস্তিৰ সময় উকলি যোৱাৰ পাছত কিমান খনৰ ম্যাদ বঢ়াই দিয়া হৈছে ?

ঙ) যদি হৈছে তেন্তে কিমান খন দিয়া হৈছে আৰু কি বিবেচনাৰ ওপৰত ভিত্তি কৰি সময়ৰ ম্যাদ বঢ়াই দিয়া হৈছে ? ( তালিকা সদনৰ মেজত দাখিল কৰিব )।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) য়ে উত্তৰ দিছে—

ক) তথ্য পাতি সমূহ বিচৰা হৈছে কিন্তু আহি পোৱা নাই।

খ) ১৯৭৭ চনৰ অসম বনজ সম্পদ, কুপ আৰু মহল বিক্ৰীৰ নিয়মাৱলী অনুসৰি।

গ) তথ্য পাতি সমূহ বিচৰা হৈছে কিন্তু আহি পোৱা নাই।

ঙ) —ঐ—

শ্ৰীকমলা কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নটোত বন বিভাগৰ অধীনত বালিৰ মহল আৰু শিলৰ মহল কিমান আছিল এই তথ্য অহা নাই, কিন্তু কি নিয়মৰ ভিত্তিত ইবিলাক আবণ্টন দিয়া হয় সেই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৭৭ চনৰ বনজ সম্পদ ব্যৱহাৰ আইন অনুযায়ী দিয়া হৈছে। কিন্তু আমাৰ সন্দেহ হৈছে যে এই নিয়ম উলঙ্ঘন কৰি এই শিল বালিৰ মহল বিলাক দিয়া হৈছে। সেয়ে আজিৰ সদনত ইয়াৰ সম্পূৰ্ণ তথ্য দাঙি নধৰি ইয়াক লুকাই ৰখাৰ ষড়যন্ত্ৰ চলাইছে বুলি ভাবিছোঁ। সেয়ে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে এই সকলো তথ্য সদনত দাঙি ধৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, তথ্য লুকাই ৰখাৰ কোনো চেষ্টা কৰা হোৱা নাই। কাৰণ কিছুমান মহল 'ডেড' হৈ যায়, তেতিয়া সেই বিলাক বন্দোবস্তি দিব নোৱাৰি। গতিকে কিছুমান নতুনকৈ খোলা হয়। এই বিলাকৰ তথ্য সমূহ আমি বিতংকৈ পোৱা নাই সেয়ে আমাক তিনি সপ্তাহমান সময় দিলে এই সদনতে সকলো তথ্য দাঙি ধৰিব পৰা হব।

( Starred Question No 364 was not put in the list. So the Question did not come. )

* Speech not corrected.

বিষয় :— ৫২ নং ৰাষ্ট্ৰীয় পথ।

শ্ৰীউৎপল দত্তয়ে সুধিছে —

*৩৬৫ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) লক্ষীমপুৰ চহৰৰ মাজেৰে যোৱা ৫২ নং ৰাষ্ট্ৰিয় পথটোৰ বাবে চহৰখনৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত ঘটা ব্যাঘাটৰ কথা চৰকাৰ অবগতনে ?

খ) ভাৰত চৰকাৰৰ পৰা বিস্তাৰিত প্ৰাক্‌কলনৰ অনুমোদনৰ বাবে এই সক্ৰান্তত কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

গ) যদি হৈছে, ই কেতিয়াকৈ সম্পূৰ্ণ হৈ উঠিব ?

ঘ) যদি হোৱা নাই ইয়াৰ বাবে তৎকালীন ব্যৱস্থা লোৱা হবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :—

ক) হয়, অবগত।

খ) চহৰখনৰ উত্তৰ ফালেৰে পথটোৰ গতিপথ অনুমোদৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

গ) গতিপথ অনুমোদনৰ পিছতহে প্ৰাক্‌কলন অনুমোদনৰ কাৰ্য্যব্যৱস্থা সম্পুৰ্ণ হব।

ঘ) ভাৰত চৰকাৰৰ লগত সমানে যোগাযোগ কৰি থকা হৈছে।

বিষয় :— চাপৰ ঔডুবী ৰাস্তা।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :—

★৩৬৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) উত্তৰ শালমাৰা মহকুমাৰ মাজেৰে আলগা, যোগীঘোপা, পঞ্চায়তৰ বৃহৎ চৰ অঞ্চলৰ ৰাইজৰ অহা যোৱাৰ সুবিধাৰ্থে যোগীঘোপাৰ চাপৰহৈ ঔডুবী ৰাস্তাটো নিৰ্মাণ আৰু পকীকৰণৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

খ) যদি কৰিছে, তেন্তে উক্ত ৰাস্তাটোৰ কামৰ বাবে কিমান টকাৰ প্ৰয়োজন হব।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :—

ক) যোগীঘোপাৰ চাপৰহৈ ঔডুবী ৰাস্তাটোৰ মেৰামতিৰ বাবে বাকী থকা অংশৰ নিৰ্মান বা পকীকৰণৰ কোনো ব্যৱস্থা পুজিৰ অভাৱত গ্ৰহণ কৰা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে পুজিৰ অভাৱত কৰিব পৰা হোৱা নাই আৰু প্ৰশ্ন নুঠে। কিন্তু এই প্ৰশ্নটো উঠাৰ কাৰণেই মই কৈছো যে যোগীঘোপা আৰু মাজবাট অঞ্চলৰ প্ৰায় ৩০-

৩৫ হাজাৰ মানুহৰ এটা বৃহৎ এলেকাৰ একমাত্র পথ এইটো। এই বৃহৎ এলেকাৰটোৰ ৰাইজৰ চিকিৎসা আদিৰ কাৰণে অহাযোৱা কৰিবলৈও এইটোৱেই একমাত্র ৰাস্তা। আৰু বিকল্প পথ নাই। সেই কাৰণেই মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব পাৰোনে যে পুজি পালেই এই ৰাস্তাৰ কাম সোনকালে সমাধা কৰিব ?

শ্রীঅতুল বৰা ( মন্ত্রী ) :— মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই ৰাস্তাটো ১৯৭০ চনতে নষ্ট হৈছে, ব্যৱহাৰৰ অনুপযোগী হৈছে। এইটো ১৯৭০ চনৰে পূৰণি কাম। পুজিৰ অভাৱতে কৰিব পৰা নাই এই কথা মই কৈছোৱেই তেখেতে অনুৰোধ কৰিছে যেতিয়া চেষ্টা চলাম কিন্তু আশ্বাস বা প্রতিশ্রুতি দিয়া উচিত নহব বুলি ভাবিছোঁ।

শ্রীৰত্নেশ্বৰ সৰকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোত এখন দলঙৰ কথাও আছে কিন্তু ইয়াৰ বাবে মই অনুৰোধ নকৰো কাৰণ বহুত টকাৰ প্রয়োজন হব। কিন্তু দলঙৰ পাৰলৈকে ৰাস্তাৰ অংশটোৰ কামত বেছি টকাৰ প্রয়োজন নহব। সেয়ে দলং বাদ দি বাকী অংশ ৰাস্তা দলংৰ ওচৰলৈকে মন্ত্রী মহোদয়ে যদি কৰি দিয়ে তেন্তে এটা বৃহৎ অঞ্চলৰ ৰাইজৰ উপকাৰ হব। এইখিনি কৰাৰ কাৰণে মন্ত্রী মহোদয়ে ব্যৱস্থা লবনে ?

শ্রীঅতুল বৰা ( মন্ত্রী ) :— মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আৰু দুখন দলঙৰ কথা আছে এইবোৰো ১৯৭০ চনতে নেয়া হোৱা। ইয়াৰ কাৰণে বহুত টকাৰ প্রয়োজন। তথাপিও তেখেতে অনুৰোধ কৰিছে যেতিয়া মই সেই মতে ব্যৱস্থা লবলৈ চেষ্টা কৰিম।

**Re :— Assam Scheduled Castes and Scheduled Tribes Act.**

Shri Digendra Purkayastha asked :

★367. Will the Minister P.W.D. be pleased to state.

a) Whether the provisions of Assam Scheduled Castes and Tribes ( Reservation of Vacancies in Services and posts ) Act. 1978 is being implemanted while promoting the Officers of P.W.D. ?

b) If so who are the Officers of verious cadres who have been promoted till to-day since 1-7-97 ( cadrewise ) in the said Deptt. ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) উল্লেখিত সম্প্ৰদায়ৰ গড়কাপ্তানী বিভাগৰ যি সকল ৰাজপত্ৰিত বিষয়া আছে, তেওঁলোকৰ পদোন্নতিৰ ক্ষেত্ৰত ১৯৭৮ চনৰ সংৰক্ষীত আইন খন প্ৰয়োগ কৰা হৈছে।

খ) অনুসুচিত জাতি, ভৈয়াম জনজাতি, পাৰ্বত্য জনজাতিৰ যি সকল বিষয়াক পদোন্নতি দিয়া হৈছে তেওঁলোকৰ এখন তালিকা লগতে গাঠি দিয়া হ'ল।

( See the Annexure - 1 )

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে :

বিষয় :— সংৰক্ষিত বনাঞ্চলৰ শাল গছ।

★৩৬৮। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কোকৰাঝাৰ জিলাৰ বনাঞ্চল সমূহত থকা শাল গছকে আদি কৰি মহামূল্যবান গছ সমূহ "আবছু"ৰ সমৰ্থক সকলে কাটি ধ্বংশ কৰা কথাটো সচানে ?

খ) যদি সচা হয়, এতিয়ালৈকে আনুমানিক কিমান মূল্যৰ কাঠ এইদৰে ধ্বংশ কৰিছে ?

গ) বৰ্ত্তমানে চলি থকা ধ্বংশকাৰ্য্য ৰোধ কৰিবৰ বাবে চৰকাৰে কি তত্‌কালীন ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীসুৰেন্দ্ৰনাথ মেধী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কোকৰাঝাৰ জিলাৰ সংৰক্ষিত বনাঞ্চলৰ কিছুমান গছ দুৰ্বৃত্তই কটাটো সচা কিন্তু তেওঁলোক আবছুৰ সমৰ্থকনে আন কোনোবা সেই বিষয়ে সঠিককৈ জনা নাযায়।

খ) তাত চলি থকা উত্তপ্ত পৰিস্থিতিৰ বাবে বনকৰ্মী সকল এতিয়াও বনাঞ্চলৰ ভিতৰত সম্পূৰ্ণভাবে যাব পৰা হোৱা নাই। গতিকে বেআইনীভাবে গছ কটাৰ বাবে হোৱা লোকচানৰ পৰিমাণ এতিয়াও নিৰ্দ্ধাৰণ কৰিব পৰা হোৱা নাই।

গ) যিহেতু বন কৰ্মী সকল বনাঞ্চলৰ ভিতৰত যাব নোৱাৰা হৈ আছে গতিকে বেআইনী ভাবে গছ কটা বোধ কৰিবৰ বাবে বনাঞ্চলৰ বাহিৰত বেআইনী কাঠৰ চলাচল বন্ধ কৰিবলৈ সম্পূৰ্ণ চেষ্টা কৰা হৈছে। সেই মৰ্মে চুবুৰীয়া ৰাজ্য পশ্চিম বংগ বন বিভাগৰ লগতো যোগাযোগ কৰি বেআইনী কাঠ যাতে সীমা পাৰ কৰি নিব নোৱাৰে তাৰ চেষ্টা দিয়া হৈছে।

*শ্ৰীফণী ভূষণ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, আমি জনা মতে যাতে বে আইনীভাৱে কাঠ কাটিব নোৱাৰে তাৰ কাৰণে আসাম ফৰেষ্ট প্ৰটেকশ্যেন ফৰ্চ বাহিনী আছে। এই বাহিনীটো বে-আইনীভাৱে কাঠ কটা বন্ধ কৰিবলৈ লোৱা হৈছে নে নাই?

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (বন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় এই বাহিনীৰ সংখ্যা বৰ তাকৰ কাৰণে এই বাহিনীটোক আমি ভালদৰে এনফৰ্চ কৰিব পৰা নাই। পুলিচ বিভাগৰ বাহিৰেও বন বিভাগৰ বিষয়া আৰু কৰ্মীসকলে যতপৰোনাস্তি চেষ্টা কৰিছে যাতে বেআইনীভাৱে কাঠ কাটিব নোৱাৰে। যি বিলাক কাঠ কটা মিল আছে তাতো চোকা নজৰ ৰখা হৈছে যাতে তালৈ বে আইনীভাৱে কটা কাঠ আহিব নোৱাৰে। তাৰোপৰি বাহিৰলৈ কাঠৰ চোৰাং চালান যাতে হব নোৱাৰে তাৰ কাৰণে শ্ৰীৰামপুৰ গেটত বন বিভাগৰ সশস্ত্ৰ বাহিনী ৰখা হৈছে যাতে কাঠ বাহিৰলৈ যাব নোৱাৰে।

Sri Charan Narzari : Mr. Speaker Sir, I am not satisfied with the reply of the Forest Minister. In fact, the Reserve Forests in the Kokrajhar district are now a land of no authority. There is no authority at all to look after the reserve forests. This has become 'no man's land'. In the Range offices or in the Beat offices there are no officers. The offices are either burnt down or destroyed and all the forest officials left their places long back out of fears.

* Speech not corrected.

Mr. Speaker : What is your question ?

Shri Charan Narzari : The whole reserve forests are under the rule of the miscreants and the unscrupulous business men are doing good business. So. my question is how long this state of affairs will be allowed to continue ? What steps have been taken by the Govt. to prevent all these misdeeds and when the forest authority will be there to look after the reserve forests ?

Shri Surendra Nath Medhi ( Minister Forests ) : Sir, I have already stated that due to atrocious activities of the terrorists the employees of the Forest Deptt. in some areas within the Kokrajhar district had to be brought to the safer places. Now, we have taken steps to shift them to their places of posting and the process has already started. We hope all the employees staying in different Ranges and camps will go to their destinations.

★Shri Ramendra De : Sir, another supplementary I have got. In Barak valley the questions A. B. C. relate my supplementary.

চোৰাং বেপাৰী আৰু বন বিভাগৰ মানুহে লগ লাগি বৰাক ভেলিৰ গোটেইবোৰ বনাঞ্চল ধ্বংস কৰিছে সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় এইটো বেলেগে প্ৰশ্ন কৰিলে বিশেষ ভাবে তথ্য পাতি দিয়াৰ ব্যৱস্থা কৰিব পৰা হব।

Mr. Speaker : This is a separate thing.

*শ্ৰীফণীভূষণ চৌধুৰী : কোকৰাঝাৰ জিলাক অশান্তি অঞ্চল ঘোষণা কৰি বনাঞ্চল ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় বন বিভাগে অশান্ত অঞ্চল বুলি ঘোষণা কৰিব নোৱাৰে।

---

★ Speech not corrected

*Shri Abdul Muhib Mazumdar : Mr. Speaker Sir, the Honourable Minister has just no stated that the forest officials of Kokrajhar district have been evacuated to safer places and attempts have been made to take them back. I would like to know from the Honouarable Minister whether the places are now safe to remain in thier places of posting with their families ?

Shri Surendra Nath Medhi ( Minister Law & Forests ) : Sir, the situation has become much better. Now we hope the forest officers will be able to go back to their places.

★শ্ৰী অমৃতলাল বসুমতাৰী : অধ্যক্ষ মহোদয় কথা হৈছে বেংকৰ পৰা আৰম্ভ কৰি বহুত অফিচ ধ্বংস হৈছে। এতিয়া অফিচাৰ সকল যাব কলৈ। মাননীয় সদস্য ভালেকেইজনে ফটো আদিও লৈ আহিছে। কৰ্মচাৰীসকল এতিয়া গৈ ক'ত থাকিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় মই নিজে যোৱা ৯ এপ্ৰিল তাৰিখে মানাহ নদীত নাৱেৰে গৈ ঘূৰি আহিছো। মই নিজে নাৱত বৰপেটা জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক লগত লৈ চাই আহিছো। এতিয়া পৰিবেশ বহুত ভাল আৰু শান্ত।

( ভইচ : লগত পুলিচ কিমান গাড়ী আছিল ? )

মাত্ৰ দুজন পুলিচ আছিল। কেৱল উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক লগত লৈ ঘূৰি আহিছো। দুখন সৰু সৰু নাওঁ মাত্ৰ গৈছিল। গতিকে বেছি মানুহ যোৱাৰ কথাই নাহে। মই অনুমান কৰিছো পৰিবেশ শান্ত।

★শ্ৰী গংগালোক ৰাজবংশী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে নাৱেৰে যোৱা বুলি কৈছে কিন্তু নাওঁত নিৰাপদ সেইটো ঠিক কিন্তু জংগলত কি হব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় মই নাৱেৰে পাৰ হৈ সিপাৰ পাইছো তাত নামিছো আৰু পৰিস্থিতি উপায়ুক্ত আৰু অধীক্ষকৰ লগত পৰ্য্যবেক্ষণ কৰিছো।

বিষয়ঃ— এম এন্ পিৰ কাম।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে:

*৩৬৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) নগাওঁ জিলাত ১৯৮৮-৮৯ চনৰ এম এন্ পি'ৰ কাম সমূহত স্থানীয় ঠিকাদাৰ সকলে সহযোগ নকৰাটো মাননীয় মন্ত্ৰীৰ অৱগত নে?

খ) স্থানীয় ঠিকাদাৰ সকলে সহযোগ নকৰাৰ কাৰণটো অনুগ্ৰহ কৰি জনাবনে?

গ) নগাওঁ জিলাত ১৯৮৮-৮৯ চনৰ এম এন্ পি'ৰ কাম সমূহৰ বৰ্ত্তমান অগ্ৰগতি কি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) ১৯৮৮ ৮৯ চনৰ বছৰটোৰ ১০-১১-৮৮ তাৰিখৰ পৰা ৩০-১১-৮৮ তাৰিখলৈ এই সময়ছোৱাৰ ভিতৰত নগাওঁ জিলাৰ ঠিকাদাৰ সকলে তেওঁলোকৰ ন-দফীয়া দাবীৰ সন্দৰ্ভত সকলো কাম কাজ বন্ধ ৰখা আৰু সকলো কামতে নিবিদা দাখিল কৰাৰ পৰা বিৰত থকা কথাটো হয়। অসহযোগ অকল 'নূন্যতম চাহিদা আচনি'ৰ (এম এন পি) ৰ কামতেই কৰা নাছিল, বৰং বিভাগীয় সকলো কামতেই অসহযোগ কৰিছিল।

খ) ঠিকাদাৰ সকলৰ ন-দফীয়া দাবীৰ ভিতৰত মুল বৈধ দেয়ক আদায় নোপোৱা আৰু প্ৰচলিত ১৯৮৪-৮৫ চনৰ মূল্যমান সুচী (Schedule of rates) বৰ্ত্তমানৰ মূল্য সুচীৰ ভিত্তিত পৰিবৰ্তন ঘটোৱাটোৱেই প্ৰধান।

গ) সংমণ্ডল অনুযায়ী কামৰ অগ্ৰগতি ভিন্ন যদিও মুঠতে 'নূন্যতম চাহিদা আঁচনি' (এম এন্ পি) ৰ অধীনত কামবোৰ বেচ্ সন্তোষজনক ভাবে আগ বাঢ়িছে। ঠিকাদাৰৰ অসহযোগৰ কাৰণে কাম বাধাগ্ৰস্ত হোৱা নাই।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, এম এন পি'ৰ কাম বোৰ এল এ পি'ৰ মাটি থকা মানুহে কৰিব লাগে। পিচত কাম বিলাক কৰিবৰ কাৰণে ঠিকাদাৰক দিয়া হল নেকি?

শ্ৰীঅতুল বৰা (গড় কাপ্তানী বিভাগৰ মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, এন আৰ ই পি আৰু আৰ এল জি পি ব্লকৰ আঁচনি এম এন পিক এইটো দিয়া নাই। এইটো মহকুমা সমিতি আৰু এম এল এ সকলে কৰে। গতিকে কেনেকুৱা হব

লাগিছিল নাজানো। মই কলেই ব্ৰেক টপিং নহয়। এইবিলাক লেবাৰ আৰু ঠিকাদাৰক দিব লাগিব।

বিষয়:— বন বিভাগৰ গাওঁ।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে:

*৩৭০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা জিলাৰ মানস অভয়াৰণ্য এলেকাৰ কালেগাওঁ এন, চি, চালেগাও এন-চি, সুৰুমগ্ৰা এন-চি আৰু কৰুবাহা এন-চি আদি গাওঁ সমূহ বন বিভাগৰ অধীনত থকাটো সচানে ?

খ) যদি সচা হয় তেতিয়াহলে উক্ত গাওঁ সমূহ কোন চনৰ পৰা বন বিভাগৰ অধীনত অনা হৈছে ?

গ) উক্ত গাওঁ সমূহ দখল ভুক্ত হৈ আছে নেকি ?

ঘ) যদি আহে কিমানটা পৰিয়ালে দখল কৰি আছে ?

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

*শ্ৰীসুৰেণ স্বৰ্গীয়াৰী :—মাননীয় অধ্যক্ষ মহোদয়, মই অলপতে আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন কৰিছিলো তেখেতে উত্তৰ দিছে যে এই গাওঁ কেইখন ৰাজহ বিভাগৰ তলত নাই। আৰু আজি ফৰেষ্ট বিভাগৰ মন্ত্ৰী মহোদয়ক সেই একেটা প্ৰশ্নকে কৰিছো তেখেতে কৈছে যে এই গাওঁ কেইখন এই বিভাগত নাই। গতিকে গাওঁকেইখন ক'ত আছে ? মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো। এই গাওঁকেইখন কাৰ আন্দাৰত আছে ?

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( বন মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, বন বিভাগত নোহোৱা বস্তুটো হোৱা বুলি কব নোৱাৰো। এই কথাটো হল যে এই প্ৰশ্নটো নন কেডেট্ৰিয়েল বন বিভাগত থাকিব নোৱাৰে। এই বিলাক ৰাজহ বিভাগতহে

থাকিব। নন কেডেটি ট্ৰিয়েল গাওঁ ৰাজহ বিভাগতহে থাকিব পাৰে কিন্তু বন বিভাগত থাকিব নোৱাৰে।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী :— মাননীয় অধ্যক্ষ মহোদয় ৰাজহ বিভাগত নাই এতিয়া মাটিখিনি কাৰ অধিনত আছে ? বা কোনটো বিভাগত আছে ?

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( বন মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, এনেকুৱা গাওঁ ৰাজহ বিভাগৰ বাহিৰে অন্য ঠাইত থাকিব নোৱাৰে।

*শ্ৰীগৌতম ৰায় :— মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ আৰু শিলচৰ ডি এফ অ'ই সকলোবিলাক পি ডব্লিউ ডিৰ কাম বন্ধ কৰি দিছে এই কথাটো মন্ত্ৰী মহোদয়ে জানে নেকি ? মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগে এতিয়া নিউ ৰয়েলটিৰ কাৰণে কিবা চেপাৰেট পঠাইছে নেকি ?

Mr. Speaker :— Mr. Roy, please confine on the point.

*শ্ৰীগৌতম ৰায় :— মাননীয় অধ্যক্ষ মহোদয় নতুন ৰয়েলিটি ফিক্স কৰিছে নেকি ? যে ইয়াৰ কাৰণে কাম কৰিব পৰা নাই ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( বন মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া মই এই প্ৰশ্নটো বুজি পোৱা নাই।

*শ্ৰীগৌতম ৰায় :— মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে এইটো জানে নেকি যে কৰিমগঞ্জ আৰু শিলচৰৰ কাৰণে কিবা পাৰমিট ইচু কৰিছে নেকি ?

In Karimganj & Silchar, work permit has not been issued. As a result, the work has been stopped.

Shri Surendra Nath Medhi ( Minister Forest ) .— A separate question is required.

Shri Holiram Terang :— Mr. Speaker Sir, there are some villages which are recognised neither by the Revenue Department nor by the Forest Department. As a result they do not get any benefit. Will you please give the information to the Chief Minister so that this matter can be enquired into and we get an information in this House.

Shri Surendra Nath Medhi ( Minister Forest) :— Sir, there are some villages not claimed by the Revenue Department Such list may be given to me so that I may submit this to Chief Minister for his eventual reply in the House.

( Interruptions )

Shri Surendra Nath Medhi ( Minister Forest ) :— Sir I have specifically said that these villages mentioned in the, question are not within the forest areas: The Hon'ble Member has said that the Revenue Minister has not claimed these villages. I will inform this matter to the Chief Minister.

শ্ৰীআব্দুল জলিল ৰাগিবি :— মাননীয় অধ্যক্ষ মহোদয়, বন গাওঁ বন বিভাগত নে ? ৰাজহ বিভাগত আছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( বন মন্ত্ৰী ) : ‥ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বন বিভাগত বন গাওঁ আছে। ফৰেষ্ট ভিলেজ বুলি কোৱা হয়। বন গাওঁ বন বিভাগৰ সংৰক্ষিত বনাঞ্চলত অনুষ্ঠিত।

শ্ৰীআব্দুল জলিল ৰাগিবি :— মাননীয় অধ্যক্ষ মহোদয়, এইটো কেডেট্ৰিয়েল হয় নে নহয় ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেডেৰ্চ ট্ৰয়েল নন-কেডেৰ্চ ট্ৰয়েল মাননীয় সদস্য গৰাকীক নিশ্চয় বুজাব নালাগে।

( Starred Question No. 371 to 373 were not taken up as ) the Hon'ble Questioner's were absent. However the same demand to have been disposed of )

**Re :— Pending P.F Settlement Case**

Shri Dinesh Prasad Gowala asked :

•371. Will the Minister, Labour & Employment be pleased to state :

a) How many P. F. settlement cases of ex-employees of Bhuban Valley T. E. in the District of Cacher are lying pending.

b) Is it a fact that not a single P. F. settlement of Bhuban Valley T. E. has been made since long back. ?

c) If so, what is the reason ?

d) Will the Govt. take immediate steps for settlement of all the pending cases ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে—

ক) বৰ্ত্তমানে এঘাৰটা ভৱিষ্যৎনিধি হিচাব নিস্পত্তি কৰিব লগীয়া আছে।

খ) এই কথাটো সঁচা নহয়।

গ) প্ৰশ্ন নুঠে।

ঘ) ভৱিষ্যৎনিধিৰ প্ৰাক্তন সভ্যসকলৰ ( Ex-P. F. Accounts Member ) হিচাব সোনকালে নিস্পত্তি কৰিবলৈ ব্যৱস্থা ATPPF & PF Office ৰ পৰা লোৱা হৈ আছে।

## Re : SILCHAR HAILAKANDI P.W.D. ROAD

Shri Abdul Rob Laskar asked :

372. Will the Minister, P.W.D be pleased to state :

a) Whether the Govt. is aware that the bridge at Silchar Hailakandi P. W. D. road just near Silcuria bazar is in a most dilapidated condition ?

b) What steps the Govt. has taken to strengthen the bridge for the safety and security of the human lifes and property ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) দলংখন অতি জৰাজীৰ্ণ নহয়।

খ) তথাপি আৱশ্যকীয় মেৰামতি আৰু মজবুত কৰণৰ কাম আগবাঢ়ি আছে।

বিষয় :— আমগুৰি সমষ্টিৰ গড়কাপ্তানি পথ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে :

*৩৭৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ? :—

ক) আমগুৰি সমষ্টিৰ খনামুখ তিনি আলিৰ পৰা ভদীয়াঘাট চিন্তামনিগড় তিনি-আলিলৈকে থকা গড়কাপ্তানি বিভাগৰ পথছোৱা বৰ্ত্তমান কেনে অৱস্থাত আছে ?

খ) এই পথ ছোৱাৰ ওপৰত যোৱা বানপানীত কিমান ফুট পানী হৈছিল ?

গ) এই পথচোৰা কিমান ঠাইত পানীয়ে ভাঙি উটাই নিছিল ?

ঘ) বৰ্ত্তমান এই পথচোৱা ৰাইজ চলাচলৰ উপযোগী কৰাৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ?

ঙ) জনসাধাৰণৰ এই বেয়া অৱস্থালৈ লক্ষ্য ৰাখি সোনকালে এই পথ চোৱাৰ উচ্চতা বৃদ্ধি কৰি বান্ধিবৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা মন্ত্ৰী য়ে উত্তৰ দিছে ?

ক) ৬ আৰু ৭ কিলোমিটাৰৰ বাহিৰে বাকী থকা অংশ চলাচলৰ উপযোগী হৈ আছে।

খ) এই পথচোৱাৰ ওপৰত এফুট চাৰি ইঞ্চিলৈকে পানী উঠিছিল।

গ) এক ঠাইত।

ঘ) সীমিত পুঁজিৰ ভিতৰত পাৰ্য্যমানে ব্যৱস্থা লোৱা হৈছে।

ঙ) পৰ্যায়ক্ৰমে উন্নতিকৰণৰ কাম হাতত লোৱা হৈছে।

বিষয় :— যমুনা নৈত দলং।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

*৩৭৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যমুনামুখ সমষ্টিৰ ডবকাৰ ওচৰত যমুনা নৈৰ ওপৰত কাছাৰীপাৰা, মিকিৰপাৰা গাওঁৰ ওচৰত এটা কাঠৰ দলংৰ বাবে স্থানীয় বিধায়কে ৰাইজৰ এখন দৰ্খাস্ত মন্ত্ৰীমহোদয়ক দিছিলনে ?

খ) যদি দিছিল তেন্তে উক্ত দলংখন নির্মানৰ বাবে চৰকাৰে কোনো আঁচনি প্ৰস্তুত কৰিছেনে ?

গ) যদি কৰিছে তেন্তে কিমান টকাত আৰু সেই আঁচনি কেতিয়া কাৰ্যকৰী কৰা হব।

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়।

খ) কৰিছে।

গ) আঁচনিখনৰ মুঠ প্ৰস্তাবিত খৰচৰ পৰিমান ২১·২১ লাখ টকা, পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি আঁচনিখন বিবেচনা কৰা হব।

*শ্ৰীআব্দুল জেলিল ৰাগিবি:— মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি সম্পৰ্কত যোৱা চেচনত এটা প্ৰশ্ন কৰিছিলো। প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে আশ্চাস দিছিলে। কিন্তু আজি মন্ত্ৰী মহোদয়ৰ পৰা এচুৰেঞ্চ বিচাৰিছো, মন্ত্ৰী মহোদয়ৰ লগত মই ব্যক্তিগত ভাৱে আলোচনাও কৰিছো। আঁচনিখনৰ কথা স্বীকাৰ কৰিছে অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে জনাব নেকি যে দলং নিৰ্মানৰ কাম হৈ উঠিব নেকি ?

*শ্ৰীঅতুল বৰা ( গড় কাপ্তানী বিভাগৰ মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া বিত্তীয় অৱস্থাৰ কাৰণে আঁচনিমতে কাম হাতত লব পৰা নাই। কাৰণ প্লেনত ছয়ত্ৰিশ কোটি টকা ধৰা আছিল তাৰ ভিতৰত যোল্ল কোটি টকাহে পোৱা হৈছে। যোৱা দুবছৰে তেনেকুৱা এটা পৰিস্থিতিত পৰা বাবে মই কেনেকৈ এচুৰেঞ্চ দিম ? টকাখিনি পালেই মই এই বিষয়ে জনাব পাৰিম।

*আব্দুল জেলিল ৰাগিবি—: মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মন্ত্ৰী মহোদয়ে ব্যক্তিগতভাবে যত্ন কৰিব নেকি ?

*শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে সকলো ফালৰে যত্ন কৰি আছে। কিন্তু প্ৰতিশ্ৰুতি দিয়াটো টান।

*শ্ৰীগোলক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যোৱা বিধান সভাতো আশ্চাস দিয়া হৈছিল বুলি মাননীয় সদস্যই উল্লেখ কৰিছে কিন্তু আজি এচুৰেঞ্চ কিয় দিব নোৱাৰে ?

*শ্ৰীঅতুল বৰা (গড়কাপ্তানি বিভাগৰ মন্ত্ৰী).— মাননীয় অধ্যক্ষ মহোদয়, আশ্চাস আৰু এচুৰেঞ্চ মোটামুটি একেটা বস্তু। আজি মাননীয় সদস্য গৰাকীয়ে এচুৰেঞ্চ

★ Speech not corrected

বিচাৰিছে আগতেও আশ্চাস পোৱা নাছিল কাৰণে এইটো প্ৰমাণিত হৈছে। মই আজিও এচুৰেঞ্চ দিবলৈ সমৰ্থবান নহও কাৰণ ছয়ত্ৰিশ কোটি টকাৰ পৰা প্লেন কাট কৰি যোল্ল কোটি টকা কৰিছে। গতিকে প্ৰতিশ্ৰুতিৰ দায়িত্বটো মই কেনেকৈ লওঁ।

## বিষয় :— বড়িগোগ মৌজাত বানপানীত ক্ষতি।

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

★৩৭৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ দৈচপাৰা, পুল্লা, গড়মচং, পূৰ্ণ-খুনতুন আদি গাওঁৰ খেতিপথাৰ ( প্ৰায় এহেজাৰ বিঘা মাটি ) ১৯৮৪ চনৰ প্ৰলয়ংকৰী বানপানীয়ে পুতি পেলোৱাটো চৰকাৰে জানেনে ?

খ) ওপৰত উল্লেখ কৰা অঞ্চলৰ এহেজাৰ বিঘা মাটি খেতিৰ উপযোগী কৰিবলৈ ৰাইজৰ পৰা দাবী জনোৱা হৈছিল নেকি ?

গ) যদি হৈছিল, তেন্তে আজিলৈকে এই মাটিহীন কৃষকৰ সুবিধাৰ্থে খেতিৰ উপযোগী কৰা নহল কিয় ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় জানে।

খ) হয়, ৰাইজৰ পৰা দাবী জনোৱা হৈছিল।

গ) উক্ত মৌজাৰ গাওঁকেইখনত ১৯৮৪ চনৰ বানপানীৰ পিছত জৰিপ কৰি দেখা গ'ল যে বানপানীয়ে এই অঞ্চলৰ খেতিৰ মাটি প্ৰায় ৫ ফুটলৈকে বালিৰে পুতি পেলাইছে। গতিকে ৫ ফুট বালি গুচাই উক্ত মাটি খেতিৰ উপযোগী কৰাটো অতি ব্যয়বহুল আৰু সম্ভৱ নহয়।

*শ্ৰীকামাখ্যা চৰণ চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, এইটো ব্যয়বহুল আৰু অসম্ভৱ, সেই বুলি এই মাটিখিনি তেনেকৈয়ে থাকিব নেকি ? এনেয়ে সেই অঞ্চলত কৃষকৰ মাটিৰ অভাৱ। প্ৰায় এহেজাৰ বিঘা মাটি তাত বানপানীয়ে পুতি পেলাইছে। মই জনাত যোৱা বাৰ গছ আদি পোতাৰ কাৰণে ৩ লাখ টকা খৰচ কৰা হৈছিল। ১৯৮৪ চনৰ পৰাই সেই বানপানীয়ে পুতি পেলোৱা মাটি বিলাক তেনে-কৈয়ে পৰি আছে। গতিকে সেই মাটি বিলাকত খেতি কৰাৰ ব্যৱস্থা কৰিব পাৰে নেকি ?

---

* Speech not corrected.

*শ্ৰীদেৱকুমাৰ বৰা ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পৰিপূৰক প্ৰশ্নৰ যোগেদি যি সমস্যাৰ কথা কৈছে সেই সমস্যাৰ প্ৰতি পুনৰ পৰীক্ষা কৰি চাম আৰু ইয়াৰ আগতে তেখেতে কথা প্ৰসংগত যিটো কথা উল্লেখ কৰিছে সেই মতে ২০ লাখ টকাৰ এখন আঁচনি কৰা হৈছিল। কিন্তু পুঁজিৰ অভাৱত কৰা নহ'ল। এই বছৰ ইয়াৰ আগতেও আমি এই সম্পৰ্কে এই সদনত জনাইছো। আমাৰ এই আঁচনি খনৰ কাৰণে গোটেই অসমত প্ৰায় ৪৬ লাখ টকা মঞ্জুৰী পোৱা গৈছে। গতিকে কেৱল এটা অঞ্চলত ২০ লাখ টকাৰ প্ৰয়োজন হোৱাত আমাৰ এই আচনি লব পৰা নাই। তথাপি উক্ত অঞ্চলৰ খেতিপথাৰৰ উন্নতি সাধিব পৰা বা তাৰ মাটিৰ গুণাগুণ বৃদ্ধি কৰাৰ ব্যৱস্থা হব পাৰে তেনেকুৱা এটা বিকল্প পৰীক্ষা কৰি চাম। তেখেতে অৱগত কৰাৰ সেই কথাখিনি উল্লেখ কৰিলো।

★শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাত যোৱা বাৰে৷ যিবিলাক ঠাইত বানপানীয়ে বালি পুতি পেলাইছিল সেই ঠাই বিলাকৰ পৰা বালি বিলাক আতৰাই খেতিৰ উপযোগী কৰা হব বুলি কৈছিল। কিন্তু আমি দেখাত তেনেধৰণে কাৰ্য্যকৰী কৰা হোৱা নাই। বিশেষকৈ মই মোৰ মাৰ্ঘেৰিতা সমষ্টিত দেখা নাই। যিবিলাক ঠাইত বানপানী হৈছিল ট্ৰেক্টৰ বা অন্য উপায়েৰে বালি আতোৰোৱাৰ ব্যৱস্থা কৰা দেখা নাই। গতিকে কিমানদুৰ কাৰ্য্যকৰী কৰিব পাৰে এই বিষয়ে মন্ত্ৰী মহোদয়ে কব নেকি ?

★শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) :— মাননীয়অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ উত্তৰ আগতেও দিছিলো। তথাপি আকৌ কব বিচাৰিছো যে বালি উঠোৱা কাম খিনি ভালকৈ কৰিবৰ কাৰণে স্থানীয় বিধায়ক সকলক জড়িত কৰি এখন কমিটি কৰি দিছো। সেই কমিটিখনৰ জৰিয়তে স্থানীয় বিধায়কে নিজ নিজ এলেকাত কেনেকৈ এই আঁচনি খন কাৰ্যাকৰী কৰিব পাৰে বা তাক কেনেধৰণে ৰূপায়ণ কৰিব পাৰে সেই কথা নিৰ্দ্দেশ দিয়া আছে। যিবিলাক অঞ্চলত ৪ ফুটতকৈ বেচি বালিৰে পুতি পেলাইছে সেই বিলাক অঞ্চলত বালি গুচাই খেতিৰ উপযোগী কৰাতো অতি ব্যয়বহুল আৰু সম্ভৱ নহয়। কিয়নো ৪ ফুটতকৈ আৰু অধিক তললৈ যাব নোৱাৰি। তথাপি কামখিনি যাতে কৰিব পাৰে সেই কাৰণে আমি লক্ষ্য ৰাখিছো আৰু এই টকা খিনি সৎব্যৱহাৰ কৰাৰ কাৰণে আমি এই

*Speech not corrected.

ব্যৱস্থা লৈছো আৰু আগন্তুক শালি খেতিৰ লগত মিলাই পেলাই আমি এইটো কৰিছো।

*শ্ৰীঅব্দুল জেলিল ৰাগিবি :— মাননীয় অধ্যক্ষ মহোদয়, কমিটি উপাযুক্ত আৰু বিধায়কক লৈ নতুনকৈ কৰিছেনে আগৰ পৰাই কৰিছে ?

*শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) :—নতুনকৈ কৰা হৈছে। মাৰ্চ মাহৰ প্ৰথম সপ্তাহত কৰা হৈছে।

*শ্ৰীনগেন শৰ্মা :— মাননীয় অধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী মহোদয়ে বালি আতোৰোৱাৰ কাৰণে ৪৬ লাখ টকাৰ মঞ্জুৰী পোৱা গৈছে বুলি কৈছে। আমাৰ মাননীয় সদস্য কামাখ্যা চৰণ চৌধুৰী ডাঙৰীয়াৰ সমষ্টিৰ এনেকুৱা যিবিলাক অঞ্চল আছে তাৰ লগতে মোৰ সমষ্টিৰো এনেকুৱা অঞ্চল আছে। তাত ২০ লাখ টকাৰ আঁচনি কৰিছে। গতিকে অতি সোনকালে এই বালি আতোৰোৱাৰ কামখিনি আৰম্ভ কৰিব নেকি ?

*শ্ৰীদেৱকুমাৰ বৰা ( মন্ত্ৰী ) :— মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াৰ সেই অঞ্চল বিলাকত ১৯৮৪ চনৰ বানপানীয়ে পুতি পেলাইছিল আৰু তেতিয়া আঁচনিৰ কথা কোৱাৰ কাৰণে সেই সময়ত কামটো কৰা নহ'ল। মই বিশেষ ভাবে অভি-যন্তাক পঠিয়াই কেনেভাবে কাম কৰিব পাৰে বা লেণ্ড ডেভলপমেণ্ট কৰিব পাৰে সেইটো বেলেগ শিতানত আমি বেলেগ ভাবে বিবেচনা কৰি চাম।

*শ্ৰীকামাখ্যা চৰণ চৌধুৰী :— অধ্যক্ষ মহোদয়, গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাচত কেইবাবাৰো এই কথাটো কোৱা হৈছে। কৃষি বিষয়াৰ পৰা জানিব পৰা মতে পৰ্য্যায় ক্ৰমে বালি গুচাব নোৱাৰাৰ কাৰণে লেণ্ড ফৰ্মেচন আৰু লেণ্ড ডেভলপমেণ্ট আদি তেনেকুৱা ধৰণৰ ব্যৱস্থা বিলাক কৰিব পৰা নহ'ল আৰু এইটো কিয় কৰিব পৰা নহ'ল ? যিহেতু সেই অঞ্চলত মাটিৰ অভাৱ গতিকে অতি সোনকালে এই বালি বিলাক গুচাই উক্ত মাটি বিলাক খেতিৰ উপ-যোগী কৰি তোলাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

*শ্ৰীদেৱকুমাৰ বৰা ( মন্ত্ৰী ) :— গোটেই বিষয়টো গুৰুত্ব দিয়াৰ কাৰণে ব্যৱস্থা কৰিম।

---

Speech not corrected.

**Re: Reservation of Coups for Tribal Contractors.**

Shri Amrit Lal Basumatari asked:

★376. Will the Minister, Forest be pleased to State :—

a) Whether it is a fact that certain percentge of Coups, Wind fallentimbers and Seized Timbers were reserved for tribal Contractors?

b) If so, what is the percentage?

c) Whether such consessions granted to the tribal contractors are still available?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধীয়ে উত্তৰ দিছে:

ক) জনজাতীয় ঠিকাদাৰৰ কাৰণে তেনে কোনো ব্যৱস্থা নাছিল, কিন্তু ধুবুৰী, কচুগাওঁ, হালটুগাওঁ বন সংমণ্ডলৰ অধিনত থকা জনজাতীয় ৰাইজৰ কাৰণে সংৰক্ষণ ব্যৱস্থা আছিল।

খ) জনজাতীয় ৰাইজৰ কাৰনে নিবিদা/নিলাম জৰিয়তে তলত দিয়া ধৰণে সংৰক্ষণৰ ব্যৱস্থা আছিল।

১। খোৰাঘাট/কুপচি ৰেঞ্জৰ বিভাগীয় মুঠ কটা কাঠ ( Deptt./Operated ) শতকৰা ৭৫% ভাগ।

২। খোৰাঘাট/কুপচি ৰেঞ্জৰ বাহিৰে আন ৰেঞ্জত বিভাগীয় কটা কাঠৰ শতকৰা ২৫% ভাগ।

৩। খোৰাঘাট/কুপচি ৰেঞ্জত বতাহত পৰা আৰু জব্দ কৰা শতকৰা ৫০% ( নিবিদাভাবে ) শতকৰা ২৫% নিলাম যোগে।

৪। খোৰাঘাট/কুপচি ৰেঞ্জৰ বাহিৰে আন ৰেঞ্জত জব্দ কৰা আৰু বতাহত পৰা কাঠৰ শতকৰা ১৫% ( নিবিদাভাবে ) আৰু শতকৰা ১০% ভাগ ( নিলাম যোগে )

গ) বৰ্ত্তমান ৩০-৬-৮৮ তাৰিখৰ পৰা জব্দ কৰা কাঠৰ ওপৰত সংৰক্ষণ ব্যৱস্থা উঠাই লোৱা হৈছে। এতিয়া সংৰক্ষণ ব্যৱস্থা তলত দিয়া ধৰণে আছে—

১। খোৱাঘাট/কপচি বেঞ্চত— ৭৫%

২। কোকৰাঝাৰ আৰু আন সকলো I. T. D. P. Block ত জনজাতীয় বাইজৰ কাৰণে— ৫০%

*শ্ৰী অমৃত লাল বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৮৮ চনৰ আগতে বিভিন্ন কেটেগৰিত ঠিকাৰ সংৰক্ষণ আছিল। যদি তেনে সংৰক্ষণ ব্যৱস্থাই আছিল তেনেহলে কিয় বন্ধ কৰা হ'ল? এতিয়া এই সংৰক্ষণ বন্ধ কৰাৰ কাৰণে টেণ্ডাৰ কল কৰিব পৰা হোৱা নাই। এই বিষয়ে কিবা ব্যৱস্থা লোৱা হব নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, এনে সংৰক্ষন ১৯৮০ চনতে কৰা হৈছিল। ১৯৮৮ চনত কিছু অদল বদল কৰি যিবিলাক জব্দ কৰা হয় সেইবোৰ সংৰক্ষনৰ পৰা উঠাই দিয়া হয়। এইটো আমাৰ অভিজ্ঞতাৰ পৰা জানিব পৰা হৈছে যে বহুতো স্থানীয় লোকে কিছুমান দুবৃত্তৰ লগত লগ হৈ অবৈধ ভাবে গছ কাটি তাৰ এটা অংশ এই সংৰক্ষনৰ ভিতৰত পৰাকৈ লাভবান হোৱাৰ চেষ্টা কৰা দেখা গৈছে। সেই কাৰণে যিবিলাক গছ বতাহত পৰে আৰু যিবিলাক চৰকাৰৰ ফালৰ পৰা কটা হয় সেই বিলাকৰ ক্ষেত্ৰতহে এনে সংৰক্ষনৰ ব্যৱস্থা ৰখা হৈছে। বাকী বিলাকৰ ওপৰত সংৰক্ষন উঠাই দিয়া হৈছে।

*Shri Charan Narzary :— Sir, may I know as to whether the Honourable Forest Minister is aware of the fact that such type of Wind-fallen timbers and seized timbers were stocked inside the forest areas close to the Forest Beat Office and range Office; and secondly, whether the Honourable Forest Minister is also aware of the fact that such timbers are remaining undisposed for quite a long period of time and as a result of that they are getting

---

Speech not corrected

rotten and unfit for use? If it is so, whether the Government will look into the matter seriously?

*Shri Surendra Nath Medhi (Minister) :— Sir, I am aware of both the facts. Some timbers have been stolen. There is no doubt about it. We have alerted the forest employees and officers about it. Secondly, Sir, a committee was constituted with D. C. S. P. and concerned D. F. Os. to dispose of the collected timbers and I have already mentioned in this August House that the earlier policy has been stopped and concerned D. F. Os have been authorised to dispose of the collected timbers.

*শ্ৰীঅমৃত লাল বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮ চনত এই ক্ষেত্ৰত যিটো আদেশ জাৰি কৰা হল সেইটো উঠাই লোৱাৰ ব্যৱস্থা কৰিব নেকি? কিয়নো কেৱল জনজাতীয় লোক সকলেই এনে ধৰণে অবৈধ ভাৱে কাঠ কটা নাই সকলোৱে কাটিছে। আপোনালোকে শুনি আচৰিত হব যে যি সকল শসস্ত্ৰ পহৰা দাৰী এই কাঠবোৰ সংৰক্ষনৰ কাৰণে আছে তেওঁলোকেই নাম্বাৰিং কৰা কাঠ চোৰাংকৈ বিক্ৰী কৰি আছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে যিখিনি ৰিজাৰ্ভেচন দিয়া হৈছিল সেইখিনি পুনৰ খুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ধুবুৰী আৰু কোকৰাঝাৰৰ হুণ্টু গাওঁত চিজ টিমবাৰৰ লগেই বেছি হয়। ইয়াৰ কাৰণে টেণ্ডাৰ দিয়াৰ কাৰণে ঠিকাদাৰ সকলে এইটো বিচাৰিছে। সেই কাৰণে এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰিছো।

*শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আইনগত ভাবে কোনো ৰিজাৰ্ভেচন হব নোৱাৰে। অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলৰ কাৰণে বেলেগ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি এটা কথা দেখিবলৈ পাইছো যে ১৯৮৮ চনৰ আগতে এই ব্যৱস্থাৰ জৰিয়তে জব্দ কৰা কাঠৰ এটা অংশ তেওঁলোকে পাইছিল। কিন্তু ইয়াৰ সুবিধা লৈ এচাম লোকে কিছুমান দুৰ্বৃত্তৰ লগত লগ হৈ এই কাঠ জব্দ কৰা

Speech not corrected

কাঠৰ ভিতৰত পেলোৱাৰ উদ্দেশ্যেৰে বনাঞ্চলত সোমাই বহুতো কাঠ কাটিছে আৰু সেইবিলাক যদিও জব্দ কৰা হৈছে সেই কাঠৰ ওপৰত থকা ৰেহাইৰ ব্যৱস্থা আমি উঠাই দিছো। এই ৰেহাই ব্যৱস্থাটো থকাৰ কাৰণেই আমাৰ বহুতো কাঠ এনেদৰে কাটি থকাৰ কাৰণে আমি আইনগত ভাবে এনে কাম কৰি থাকিবলৈ দিব নোৱাৰো। মাননীয় সদস্য গৰাকীয়েও এই বিষয়ে মোৰ লগত আলোচনা কৰিছে কিন্তু এনেকৈ জব্দ কৰা কাঠৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ কথা আমি এতিয়াও ভবা নাই।

*শ্ৰীমইদুল ইছলাম বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমাৰ অসম গণ পৰিষদ চৰকাৰে এটা নীতি গ্ৰহণ কৰিছিল যে আমি গছ কব লাগে— কাটিব নহয়, কিন্তু মই জানিব বিচাৰিছো যে এনে এটা নীতি অৱলম্বন কৰাৰ পিচত অলপতে এজন ব্যৱসায়িক ২৫০০ জোপা বহুমূলীয়া কাঠ অতি কম দামত আবন্টন দিছে। এইটো নীতিগত ভাবে নে, আইন গত ভাবে চোৰাং কাঠ হিচাবে আবন্টন দিয়া হ'ল সেইটো জনাবনে ?

★শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে তাৰ বিষয় বস্তু বেলেগ ধৰণৰ। বৰ্ত্তমান ক্ষেত্ৰত যিটো প্ৰশ্নৰ বিষয়ে আলোচনা কৰা হৈছে সেইটো হৈছে জনজাতীয় লোকৰ বাবে থকা সংৰক্ষনৰ বিষয়ক প্ৰশ্ন। গতিকে সদস্য গৰাকীয়ে যিটো প্ৰশ্নৰ অৱতাৰণা কৰিছে সেইটো ইয়াৰ লগত সঙ্গতি নাই।

( Starred Question was 377 to 380 could not be taken up as the question hour was over. However the replies deemed to have been laid on the table of the House ) as follows :—

## বিষয় :— শ্ৰমিক বাহিনী

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

★৩৭৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গড়কাপ্তানি বিভাগত ( পথ ) কিহৰ ওপৰত ভিত্তি কৰি শ্ৰমিক বাহিনী বিলাক গঠন কৰিবলৈ অনুমতি দিয়া হয় ?

( নিৰ্দেশাৱলীৰ নং আৰু তাৰিখ দিব )

---

Speech not corrected.

খ) উক্ত নি:র্দেশ অনুসৰি গড়কাপ্তানী বিভাগৰ মঙ্গলদৈ পথ সংমণ্ডলত কিমানটা পঞ্জীভূক্ত শ্ৰমিক বাহিনী হব পাৰে বা হব লাগে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী )য়ে উত্তৰ দিছে:—

ক) অসম শ্ৰমিক ৰাহিনী আইন ১৯৫৯ চন আৰু ১৯৭০ ৰ শংশোধিত অসম শ্ৰমিক বাহিনী আইনৰ ওপৰত ভিত্তি কৰি দিয়া হয়। ১৯৫৯ চনৰ আইনখন ২২ জুন ১৯৬০ চনত আৰু সংশোধিত ১৯৭০ চনৰ আইনখন ১৯৭২ চনৰ ৭ জানুৱাৰী গেজেতত প্ৰকাশিত হয়।

খ) এখন গাওঁ সভাৰ ২৫ জন বা ততোধিক শ্ৰমিকৰ পৰা পোৱা আবেদনৰ ওপৰত নিৰ্ভৰ কৰে।

বিষয় :— **Land Reclaimation** আঁচনি।

শ্ৰীমকবুল হুচেইনে সুধিছে :

*৩৭৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? :—

ক) কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ‘নলবাৰী-শিলঘাগৰী’ Land Reclaimation আঁচনি এটা কৃষি বিভাগে লৈছে নে ?

খ) যদি লৈছে তেন্তে কেতিয়াৰ পৰা উক্ত কাম আৰম্ভ কৰা হব ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে : —

ক) উক্ত ঠাইত তেনে কোনো আঁচনি লোৱা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

**Re : Zonal Offices of ATPPF Department.**

Shri Manilal Gowala asked :

★379. Will the minister, Labour and Employment be pleased to state .

a) The number of Zonal Offices of the A. T. P. P. F. ?

( the names of the Zonal Offices alongwith its Head quarter and number of tea-gardens tagged with each Zone may be furnished. )

b) Whether the Government propose to establish a Zonal office at Karimganj in the greater interest of retired workers ?

c) If so, when ?

শ্ৰীকাৰ্কি প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসম চাহ বাগিছাৰ ভৱিষ্যতনিধি আৰু বৃত্তি নিধি আঁচনিৰ সাতটা সংমণ্ডল কাৰ্য্যালয় আছে :

| | সংমণ্ডল কাৰ্য্যালয় | সদৰ স্থান | এলেকাধীন বাগিছা |
|---|---|---|---|
| ১। | তিনিচুকীয়া সংমণ্ডল | তিনিচুকীয়া | ১০৫ খন বাগিছা |
| ২। | ডিব্ৰুগড় সংমণ্ডল | ডিব্ৰুগড় | ১৩৫ খন বাগিছা |
| ৩। | শিৱসাগৰ সংমণ্ডল | শিৱসাগৰ | ৮৪ খন বাগিছা |
| ৪ | যোৰহাট সংমণ্ডল | যোৰহাট | ৮৮ খন বাগিছা |
| ৫। | গোলাঘাট সংমণ্ডল | গোলাঘাট | ৯৭ খন বাগিছা |
| ৬। | তেজপুৰ সংমণ্ডল | তেজপুৰ | ১০৫ খন বাগিছা |
| ৭। | শিলচৰ সংমণ্ডল | শিলচৰ | ১০১ খন বাগিছা |

খ) সদ্যহতে এনে প্ৰস্তাৱ নাই।

গ) প্ৰশ্ন নুঠে।

## বিষয় :— তপশীল বোৰ্ড।

শ্ৰীমতী কুমাৰী ৰবিদাসে সুধিছে :

*৩৮০। মাননীয় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কৰিমগঞ্জ জিলাৰ তপশীল বোৰ্ড গঠন কৰোতে কি ভিত্তিত গ্ৰহণ কৰিছিল ?

খ) উক্ত বোৰ্ডত সদস্য অন্তভু্ক্তিৰ কোনো ব্যৱস্থা আছেনে ?

গ) যদি আছে বোৰ্ড গঠন কৰোতে সেইবিলাক নিয়ম নীতি পালন কৰা হৈছে নে ?

শ্ৰীদুৰ্গা দাস বড়ো ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অনুসূচীত জাতি উন্নয়ন বোৰ্ড সমূহৰ কাৰ্য্যাৱলীৰ প্ৰতি দৃষ্টি ৰাখি সংপৃক্ত মহকুমাত থকা ৰাজ্য চৰকাৰৰ বিবেচনা মতে বিবেচিত উপযুক্ত বেচৰকাৰী মানুহক সদস্য আৰু চৰকাৰৰ বিভিন্ন বিভাগত সংপৃক্ত মহকুমাত থকা মূৰব্বী বিষয়াক সদস্য হিচাবে লৈ ৰাজ্য চৰকাৰে এই বোৰ্ড সমূহক গঠন কৰে ।

খ) উক্ত বোৰ্ড সমূহত চৰকাৰে বিবেচনা কৰিলৈ নতুন সদস্য অন্তৰ্ভূক্তি কৰিব পাৰে ।

গ) হয় ।

## UNSTARRED QUESTIONS & ANSWERS

**বিষয় :— ধুবুৰী সংমণ্ডলত F.D.R. মঞ্জুৰী ।**

শ্ৰীডালিম ৰায়ে সুধিছে :

৫৯৩. মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধুবুৰী সংমণ্ডলত ( পথ ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰটোত F.D.R ৰ অধীনত কিমান টকা মঞ্জুৰ কৰিছে ?

খ) উক্ত টকাৰে কি কি ৰাস্তা মেৰামতি কৰা হল ?

গ) ধুবুৰীৰ পৰা ঝগ্ৰাৰ পাৰ হৈ গৌৰি পুৰলৈ থকা ৰাস্তাটো পকীকৰণৰ ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৭৫ ০০ লক্ষ্য টকা আৱন্তন কৰা হৈছে ।

খ) মেৰামতি কৰা ৰাস্তাৰ তালিকা এখন ইয়াৰ লগত গাঁঠি দিয়া হ'ল ।
( See the Annexure II )

গ) ব্যৱস্থা হাতত লোৱা হৈছে আৰু ইতিমধ্যে ৪·৮০ কিঃ মিঃ পৰাই পকীকৰণ কৰা হৈছে ।

**Re: Construction of a bridge over river Barak.**

Shri A. F. Golam Osmani asked :

594. Will the minister, P.W.D. be pleased to state :

a) Whether there is a proposal to construct a bridge over river Barak in the vicinity of Rani Ferry ?

b) If so, when the proposal was finalised and technical and administrative approval accorded ?

c) Is it a fact that the NFC is providing the necessary funds for the purpose ?

d) If so, the amount sanctioned for the purpose and the sum spent till date

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়।

খ) দলং নিৰ্মানৰ চুড়ান্ত সিদ্ধান্ত এতিয়ালৈ হোৱা নাই বাবে প্ৰশংসনীয় আৰু কাৰিকৰী অনুমোদন এতিয়ালৈ পোৱা হোৱা নাই।

গ) উক্ত প্ৰকল্পটো উত্তৰ পুৱ পৰিষদৰ কাৰ্য্যসূচীৰ অন্তৰ্ভুক্তি হোৱাৰ কাৰণে পুঁজিৰ যোগান তেওঁলোকে সময়মতে ধৰিব।

ঘ) ৫,৯৫,২০০ টকাৰ মঞ্জুৰি ইতিমধ্যে অনুসন্ধান মূলক কামৰ বাবে পোৱা গৈছে। তাৰ ভিতৰত এতিয়ালৈ ১,০২,০০০ টকা খৰচ কৰা হৈছে।

**বিষয় :— বন বিভাগৰ ৰাজহ।**

শ্ৰীশ্বহীতুল ইছলাম সুধিছে :

*৫৯৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা তিনি বছৰত বন বিভাগৰ পৰা কিমান টকা ৰাজহ পোৱা হৈছে ?

খ) কাঠ, বাহ, বেত, পাথৰ, বালি আদিৰ পৰা কিমান টকা নিৰিখত আৰু কি পদ্ধতিত ৰাজহ আদায় কৰা হয়।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৫-৮৬ ...... ২১৫৪.১৯ লাখ।

১৯৮৬-৮৭ ...... ১৬০৯.৬৯ লাখ।

১৯৮৭-৮৮ ...... ১৭১৪.৯৬ লাখ।

খ) এই বনজ সম্পদ সমূহ মুকলি নিবিদা প্ৰতিযোগিতাৰ ভিত্তিত উপযুক্ত গ্ৰাহকৰ অংশ গ্ৰহণৰ দ্বাৰা বিক্ৰী কৰা হয়। গতিকে ইয়াত কোনো নিৰ্দ্ধাৰিত নিৰিখ প্ৰকৃত পক্ষে নাই আৰু এনেদৰে নিৰ্দ্ধাৰিত হোৱা চৰকাৰৰ ৰাজহখিনি মহলদাৰ বা নিবিদাকাৰীৰ পৰা উপযুক্ত নিয়ম মতে আদায় কৰা হয়।

**Re : Loans under Social Housing Schemes.**

Dr. Ardhendu Kumar Dey asked:

596. Will be minister, Town and Country Planning be pleased to State :—

a) Is it a fact that the recoveries of loans under verious social Housing Schemes advanced by the Government prior to the constitution of the State Housing Board has not been repaid to the Government and the recovered amount has been shown in Board's account as 'Income of the Board' ?

b) If so, what is the total amount lying with the Housing Board since 1974 and the action taken by the Government in this matter

Shri Atul Bora ( Minister ) replied :—

a) No.

b) Does not arise in view of replies on (a) above.

**বিষয় :— ছমৰীয়া সোণতলী ৰাস্তা।**

শ্ৰীগোপীনাথ দাসে সুধিছে :

৫৯৭। माननीय গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৮ চনৰ বানপানীত ক্ষতি সাধন কৰা কামৰূপ জিলাৰ বকো সমষ্টিৰ "ছমৰীয়া সোণতলী" ৰাস্তাটো মেৰামতি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

খ) যদি কৰা নাই তেন্তে ইয়াৰ কাৰণটো কি ?

শ্ৰী অতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) সীমিত পুঁজিৰে পাৰ্যমানে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

খ) "ক" প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**Re : Sholmari Maladhara P.W.D. Road**

Shri Maziruddin Ahmed asked :

*598. Will the Minister, P.W.D. be pleas:d to state :

a) Whether the Government is aware that sholmari Maladhara P.W.D. Road is in worst condition ?

b) If so, will the Government take up the improvement work on that road immediately ¿

শ্ৰী অতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৰাস্তাটো অতি বেয়া হৈ থকা কথাটো সঁচা নহয়।

খ) আৱশ্যকীয় পুঁজি পালে ৰাস্তাটো আৰু উন্নত কৰাৰ কথা বিবেচনা কৰিব পৰা যাব।

**বিষয় ঃ ডিগবৈ বৰডুমচা গড়কাপ্তানী পথ**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★৫৯৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিগবৈ বৰডুমচাৰ গড়কাপ্তানী পথটোৰ কিমান কিলোমিটাৰলৈকে অসমৰ গড়কাপ্তানী বিভাগে চোৱা চিতা কৰে ?

(খ) উক্ত পথটোৰ বৰমাজান তিনি আলিৰ পৰা বৰডুমচালৈকে কোনে পকীকৰন কৰিছিল ?

শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিগবৈ বৰডুমচা পথৰ ডিগবৈৰ পৰা বৰমাজানলৈ ২০·১২ কিঃ মিঃ পথ অসমৰ গড়কাপ্তানী বিভাগৰ তিনিচুকীয়া পথ স মণ্ডলে চোৱা চিতা কৰে। বাকী বৰমাজানৰ পৰা বৰডুমচালৈ পথ চোৱা অসমৰ গড়কাপ্তানী বিভাগৰ অধীনস্থ নহয়।

(খ) ববমাজান তিনি আলিৰপৰা বৰডুমচালৈ এই পথচোৱা অৰুণাচল চৰকাৰৰ কোন বিভাগে পকীকৰন কৰিছে আৰু বৰ্তমান চোৱাচিতা কৰিছে জনা নাযায়।

## বিষয় : চাহ শ্ৰমিক কল্যান পৰিষদ

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

*৬০০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসম চাহ শ্ৰমিক কল্যান পৰিষদে এখন ডি, চি, এম টয়টা ( D.C.M. Toycta) বাছ কিনা কথাটো সত্য নে?

(খ) যদি হয়, তেনেহলে কি কামৰ বাবে কিনা হৈছে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) অসম চাহ শ্ৰমিক কল্যান পৰিষদৰ দ্বাৰা পৰিচালিত নাৰ্চিং হোষ্টেলত থাকি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত নাৰ্চ প্ৰশিক্ষণ পাই থকা ৪৩ গৰাকী ছাত্ৰীৰ ফিল্ড ট্ৰেইনিংৰ সুবিধাৰ বাবে বাছখন কিনা হয়।

## বিষয় : চুতিয়া সকলৰ দাবী

শ্ৰীবলোভদ্ৰ তামুলীয়ে শুধিছে :

*৬০১। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) চুতীয়া সকলে তেওঁলোকক অনুসূচীত জনজাতি তালিকাভুক্ত কৰিবলৈ কৰি অহা দাবীৰ প্ৰতি চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত এই দিশত কেন্দ্ৰীয় চৰকাৰলৈ কিবা প্ৰতিবেদন পঠোৱা হৈছে নেকি ?

(গ) যদি পঠোৱা হোৱা নাই, কি কাৰণত পঠাব পৰা নাই আৰু বৰ্তমান লোকসভাৰ অধিবেশন চলি থকা কালছোৱাতে পঠোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুৰ্গাদাস বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) এতিয়ালৈকে হোৱা নাই।

(গ) বিষয়টি বৰ্তমান ৰাজ্য চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয়: ধোদৰ আলি

শ্ৰীদেবেশ্বৰ বৰায়ে সুধিছে:

*৬০২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চৰকাৰৰ পৰা উত্তৰ-পুৰ পৰিষদে ধোদৰ আলি পুনৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে অধিগ্ৰহণ কৰাটো সঁচানে?

(খ) যদি সঁচা উত্তৰ পূৰ্ব পৰিষদে ধোদৰ আলি পুনৰ নিৰ্মাণৰ বাবে অসমৰ গড়কাপ্তানী বিভাগক কিমান ধন মঞ্জুৰী দিছে?

(গ) এই ধোদৰ আলিৰ কাম কোন দিশৰ পৰা আৰু কেতিয়া গড়কাপ্তানী বিভাগ আৰম্ভ কৰিব?

(ঘ) বৰ্তমান জৰাজীৰ্ণ অৱস্থাত যি ধোদৰ আলি আছে তাৰ মেৰামতিৰ বাবে ৰাজ্য চৰকাৰে ১৯৮৮-৮৯ চনত ধন মঞ্জুৰ দিবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সঁচা নহয়।

(খ) বৰ্তমানে কোনো মঞ্জুৰী দিয়া নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ৰাস্তাৰ মেৰামতিৰ ধন সুকীয়া ভাৱে কোনো ৰাস্তাৰ বাবে মঞ্জুৰী দিয়া নহয়। ১৯৮৮-৮৯ চনৰ মেৰামতিৰ ধন সংমণ্ডলৰ ৰাস্তাৰ দৈৰ্ঘ্য হিচাবে দিয়া হৈছে।

## বিষয়: শিমলুগুৰিত ৩০ খন বিচনাযুক্ত হস্পিতাল

শ্ৰীহৰেন্দ্ৰ বৰায়ে সুধিছে:

*৬০৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মৰিগাওঁ সমষ্টিৰ অন্তৰ্গত শিমলুগুৰিত ৩০ খন বিচনাযুক্ত হস্পিতালৰ আধাৰ শিলা কৰা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে উক্ত হস্পিতালৰ বাবে বিভাগীয় ভাৱে নিবিদা দিয়া হৈছিল নেকি ?

(গ) যদি হৈছিল, বৰ্তমানলৈকে কাম আৰম্ভ নকৰাৰ কাৰণ কি ?

(ঘ) কাম সোনকালে আৰম্ভ নকৰাৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আধাৰ শিলা ১৯৮৭ চনৰ ২৬ জানুৱাৰীত তেতিয়াৰ স্বাস্থ্য মন্ত্ৰীয়ে স্থাপন কৰিছিল।

(খ) নিবিদা পোৱা হৈছিল।

(গ) পুঁজিৰ অভাবৰ বাবে।

(ঘ) হয়। পুঁজি সাপেক্ষে কামটো আৰম্ভ কৰা হব।

(Unstarred question No 604 was not put)

## বিষয় : কৃষি বিভাগৰ আঁচনি

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

*৬০৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পৰাকৈ কৃষি বিভাগৰ বৰ্তমান কিবা আঁচনি আছে নেকি ?

(খ) যদি আছে আঁচনি সমূহ কি কি ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) এই আঁচনিখন "শাক পাচলিৰ উৎপাদন আঁচনি" নামেৰে নামকৰণ কৰা হ'ল। পোন প্ৰথমবাৰৰ বাবে শাক-পাচলিৰ উৎপাদন আঁচনি ১৯৮৮ ৮৯ চনত কাৰ্য্যকৰী কৰা হয়। এই আঁচনিৰ মুঠ ধন ২,১০,১৩৫.০০ টকা। এই আঁচনিৰ অধীনত প্ৰতিটো বিধান সভাৰ সমষ্টিত একোখন কৈ স্কুল বাচনি কৰি সেই স্কুলৰ শিক্ষকৰ সহযোগত ইচ্ছুক ছাত্ৰ-ছাত্ৰীক বাছনি কৰি লোৱা হয়। নৱমমান শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ

ভিতৰতেই ছাত্ৰ-ছাত্ৰীক বাছনি কৰা হয়। এই আঁচনিৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলক শাক-পাচলিৰ বীজ আৰু সুক্ষ্ম আৱশ্যকীয় পুষ্টিকৰ সাৰ যোগান ধৰা আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। এই আঁচনিখনৰ জৰিয়তে ১৯৮৮-৮৯ চনৰ গ্ৰীষ্মকালীণ বতৰৰ বাবে উন্নত ভেন্দিৰ বীজ আৰু সুক্ষ্ম পুষ্টিকৰ সাৰৰ টোপোলা ছাত্ৰ-ছাত্ৰীসকলক যোগান ধৰা হৈছে।

যোৱা বছৰ মুঠ ১২৬ খন স্কুল বাচি লোৱা হয়। এই আঁচনিৰ দ্বাৰা মুঠ ১২৬০০ জন ছাত্ৰ-ছাত্ৰীক (স্কুলে প্ৰতি ১০ জনকৈ) বীজ সাৰ আদি দিয়া হয়। মুঠ বীজৰ টোপোলা ১২৬০০ টা আৰু সেইমতে ১২৬০০ টা সাৰৰ টোপোলা যোগান ধৰা হয়। প্ৰতিখন স্কুলতে এখোন আদৰ্শ শাক-পাচলিৰ বাৰী কৰিবলৈ লোৱা হৈছে। সেই উদ্দেশ্যে প্ৰতিখন স্কুলৰ বাবে মুঠ ১২৬ টা বীজ আৰু ১২৬ টা সাৰৰ টোপোলা বিতৰণ কৰা হয়।

ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ প্ৰতিটো সমষ্টিৰ পৰা তিনিজন ছাত্ৰ-ছাত্ৰীক উৎকৃষ্ট পাচলি উৎপাদনৰ বাবে পুৰস্কৃত কৰাৰ ব্যৱস্থাও উক্ত আঁচনিখনত লোৱা হৈছে।

**Re: Schcols established in Barpeta District.**

Shri A. F. Golam Osmani Asked:

★606 Will the Minister, W. P. T. and SC be pleased to State.

(a) Name and Address of schools established in 1986-87, 1987-88 and 1988-89 in Barpeta District out of the funds made available from:

(i) Plain tribes welfare Board, Barpeta?

(ii) Scheduled Castes welfare Board, Barpeta?

(iii) Other Ba kward Classes welfare Board, Barpeta?

(Please furnish information stating financial outlays made f r the schemes respectively).

Shri Durga Das Boro (Minister) replied:

The Project Implementation Committee of Barpeta ITDP and Sub-divisional Development Board for the welfare of the Scheduled Caste, Sub-divisional Development Board for the welfare of the ST (P) and Sub-divisional Development Board for the welfare of the OBC in respect of Barpeta Sub-division or such bodies for the whole State are advisory bodies and do not have any fund, which they are required to make available to Education Department or to anyother Department. Under the circumstances, furnishing the names and addresses of the schools, established in 1986-87, 1987-88, 1988-89 in Barpeta district out of the funds made available by these bodies to these schools does not arise.

**Re: Soil Conservation Schemes.**

Shri A. F. Golam Osmani asked:

*607. Will the Ministar, Soil Conservation be pleased to state?

(a) Number of Soil Conservation Schemes taken up in Barpeta district in between 1986-87 to 1988-89 (please quote the figure block wise with respective outlays year-wise).

(b) Names of Schemes taken up in Ruposi and Baghbor Development Blocks in the year under reference.

(Please quote the outlay Scheme-wise)

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

মাননীয় বিধায়ক গোলাম ওচমানি দেৱে অসম বিধান সভাত সোধা প্ৰশ্নৰ উত্তৰ :

(ক) ১৯৮৬-৮৭ৰ পৰা ১৯৮৮-৮৯ লৈ বৰপেটা জিলাত ৪ টা ভূমি সংৰক্ষন আঁচনি লোৱা হয়।

( See Annexture III )

(১) নদী নিয়ন্ত্রন আঁচনি।

(২) সংৰক্ষনশীল বননিকৰণ আঁচনি।

(৩) ভূমি উন্নয়ন আঁচনি।

(৪) উল্টা খণ্ডা নিয়ন্ত্রন আঁচনি।

(খ) কপহী উন্নয়ন খণ্ডত উক্ত বছৰত কোনো ভূমি অংৰক্ষণ আঁচনি লোৱা হোৱা নাই। ১৯৮৮-৮৯ চনত বাঘবৰ উন্নয়ণ খণ্ডৰ মাত্র ১০ হেক্টৰ সংৰক্ষণশীল বননিকৰণ আঁচনি লোৱা হৈছিল আৰু প্রাথমিক পর্য্যায়ৰ কাম শেষ হৈছে :

**Re : Flood Damage Repairs Grant**

Shri A. F. Golam Osmani, asked :

*608. Will the Minister public work, be pleased state.

(a) The amount of flood damage repair grant made available to Barpeta (Roads) Division in 1988-89 ?

(b) The names of schemes against which F. D. R. grants so made available were utilised with their respect outlays ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৮-৮৯ চনত বৰপেটা গড়কাপ্তানী সংমণ্ডলত বানপানীত ক্ষতিগ্রস্ত হোৱা ৰাস্তাৰ মেৰামতিৰ বাবদ ৪০·০০ লাখ টকা বন্টন কৰা হৈছে। ইয়াৰে ৩১·৫৩ লাখ টকা ইতিমধ্যে খালাচ দিয়া হৈছে।

(খ) প্রবিৱৰণখন 'গ' অনুবন্ধত দেখুৱা হ'ল।

( See the Annexure IV )

( Unstarred Question No 609 was not put )

বিষয়ঃ– বঙ্গাঁই গাওঁ নিয়োগ বিনিময় কেন্দ্ৰ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

৬১০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৬ চনৰ পৰা ১৯৮৮ চনলৈকে বঙ্গাঁই গাওঁ নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা কোন কোন বিভাগত কিমান জন নিবনুৱাক সাক্ষাৎকাৰৰ বাবে আহ্বান কৰা হৈছিল ?

(বিভাগৰ নামৰ লগত প্ৰাৰ্থীৰ নামৰ তালিকাখন সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮৮ চনৰ ডিচেম্বৰলৈ বঙ্গাঁইগাওঁ নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা মুঠ (৮,৪৭৩ জন) প্ৰাৰ্থীৰ নাম সাক্ষাৎ কাৰৰ বাবে প্ৰেৰণ কৰা হৈছিল। (বিভাগৰ নাম আৰু প্ৰাৰ্থীৰ নামৰ তালিকা (৮,৪৭৩ জনৰ) প্ৰস্তুত কৰি থকা হৈছে আৰু তালিকাখন প্ৰস্তুত কৰা সম্পূৰ্ণ হলে সদনৰ মজিয়াত দাখিল কৰা হব।

বিষয় :— উলুবাৰী নাৰ্চাৰীত কৃষি বিভাগৰ বিভাগীয় আৱাস গৃহ।

শ্ৰীদীপক দাসে সুধিছে :

৬১১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) উলুবাৰী নাৰ্চাৰীত কৃষি বিভাগৰ বিভাগীয় আৱাস গৃহ কেইটা কোন কোন কৰ্মচাৰী বা বিষয়াৰ নামত আবণ্টন দিয়া হৈছে ?

খ) এই আবণ্টন পোৱা বিষয়া কৰ্মচাৰী সকল উক্ত বাস ভৱনত আছেনে ?

গ) নতুনকৈ আবণ্টন হোৱাৰ আগেয়ে যি সকল বিষয়া বা কৰ্মচাৰীয়ে উক্ত আৱাস গৃহত আছিল বা এতিয়াও দখল কৰিয়ে আছে তেওঁলোকৰ নাম কি আৰু কেতিয়াৰ পৰা *unauthorised* ভাবে হৈ আছে।

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) উলুবাৰী নাৰ্ছাৰীত কৃষি বিভাগৰ মুঠ ৭৩ টা আৱাস গৃহ আছে। উক্ত আৱাস গৃহ সমূহ আবণ্টন দিয়া বিষয়া আৰু কৰ্মচাৰিৰ নামৰ তালিকা সদনৰ মেজত ৰখা হ'ল। ( See the Annexure v )

খ) শ্ৰীগিতেন কাকতি সহকাৰী প্ৰচাৰ বিষয়া, বাণিজ্য শাখাৰ বাহিৰে সকলো বিষয়া কৰ্মচাৰী আৱণ্টন অনুযায়ী বাসভবন সমূহত আছে। শ্ৰীকাকতিৰ নামত আৱণ্টন হোৱা বাস ভবনটো আগৰ অৱসৰ প্ৰাপ্ত শ্ৰীৰজনী কান্ত শৰ্মা নামৰ কৰ্মচাৰী জনে এতিয়াও দখল কৰি থকাৰ বাবে শ্ৰীকাকতিয়ে এতিয়াও আৱণ্টন অনুযায়ী বাস গৃহটো দখল কৰিব পৰা নাই।

গ) অবৈধ ভাবে আৱাসগৃহ দখল কৰি থকা বিষয়া সকল হ'ল :—

১। শ্ৰীঅধৰ দত্ত, ২ বছৰৰ আগতে বদলি হৈছে।

২। ,, ৰজনী কান্ত শৰ্মা, অৱসৰ প্ৰাপ্ত বিষয়া।

৩। ,, খগেন দত্ত, ঐ

## বিষয় :— টিহু ডুমনী পথ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

৬১২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নলবাৰী জিলাৰ টিহু-ডুমনি পথটো যোৱা বানপানীৰ কবলত পৰি একেবাৰে শোচনীয় অৱস্থা হৈছে, এই বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত পথটো উন্নতি কৰি ইয়াক কলাপৃষ্ঠৰ ( Black topping ) দিহা কৰিব নেকি ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

ক) হয়।

খ) প্ৰাপ্ত পুঁজি অনুসৰি পথটোৰ প্ৰথম কিঃ মিঃ একাদহ কিঃ মিঃ আৰু পঞ্চাদশ কিঃ মিঃ ত কলাপৃষ্ঠৰ কাম হাতত লোৱা হব, আঁচনি ইতিমধ্যে অনুমোদন কৰা হৈছে।

**Re : P. F. benifit**

Shri Dinesh Prasad Gowala asked :

613. Will the minister, Labour and Employment be pleased to state :

a) Is it a fact that meny working in Tilka and Bhuban Valley T.E. in the district of Cacher since 10 years are not getting the P.F. benifit. ?

b) If so, what is the total number of such workers ?

c) The reason for not getting the P·F. benifit ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নহয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

**Re : Bridge at K.K. Road;**

Shri Abdul Rob Laskar asked :

614. Will the Minister, P.W.D. be pleased to state :

a) Will the Government is aware that the bridge at K.K. Road under Silchar Sub-Division is completely damaged since last 2 years ?

b) Steps taken by the Government to construct the bridge ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়।

খ) আৱশ্যকীয় পুঁজি হলে উক্ত দলং খনৰ মেৰামতিৰ কাম আৰম্ভ কৰা হব।

**Re : Sildubi-Silcuria P.W.D. Road.**

Shri Abdul Rob lasker asked :

615. Will the Minister, P.W.D. be pleased to state :

a) Whether the Government is aware that a small portion of Sildubi to Silcuria P.W.D. road under Hailakandi P.W.D. Division ( within Silchar Civil Sub-Division ) was black-topped about 5/6 years back and the remaining portion of the road is in a very bad condition ?

b) Is it fact that since last 3 years no fund was allotted either for black-topping or for repairing of the said road ?

c) If so, will the Government allot fund for black-topping and repairing for the said road ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

ক) হয়, বাকী কলাপৃষ্ঠ নোহোৱা ৪'১৩ কি: মি: অংশ বেয়া হোৱাৰ কথাটো চৰকাৰে জানে।

খ) হয়, প্ৰাপ্ত পুঁজি অনুসৰি ৰাস্তাটোৰ মেৰামতিৰ কাম কৰি থকা হৈছে।

গ) আৱশ্যকীয় পুঁজি হলে বিবেচনা কৰিব পৰা যাব।

**Re : Bridge at Kazidhar to Sildubi P.W.D Road.**

Shri Abdul Rob Laskar asked :

616. Will the Minister, P.W.D, be pleased to state :

a) Whether the Government is aware that because of the damage of the wooden bridge at Kazidhar to Sildubi P.W.D. road the plying of vehicle over the road has been closed since last 2 years ?

b) Whether the Government is aware that there is puplic demand for repairing or reconstruction of the bridge ?

c) If so, will the Government allot fund for the repairing reconstruction of the said bridge for redressal of the public grievances ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত।

খ) হয়।

গ) হয়, আৱশ্যকীয় পুঁজিৰ যোগাৰ হলে নিৰ্মানৰ কাম হাতত লোৱা হব।

## বিষয়ঃ জোখ মাপৰ দায়িত্ব

শ্ৰীপ্ৰদীপ হাজৰিকায়ে সুধিছে :

*৬১৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) জোখ মাপ বিভাগটোৰ দায়িত্ব কি ?

(খ) এই দায়িত্ব বিলাক কেনে ধৰনে পালন কৰা হয় আৰু তাৰ ওপৰত চকু ৰখাৰ কিবা ব্যৱস্থা ৰাখিছে নেকি ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৭৬ চনৰ অসম জোখ মাপ ( প্ৰৱৰ্ত্তন ) আইনৰ ধাৰা আৰু উক্ত আইনৰ অন্তৰ্গত প্ৰণয়ন কৰা বিধিৰ নিয়মসমূহ কাৰ্য্যত পৰিনত কৰি নতুন মেট্ৰিক পদ্ধতিৰ জোখ মাপ প্ৰৱৰ্ত্তনৰ দ্বাৰাই সৰ্বসাধাৰণ গ্ৰাহকৰ স্বাৰ্থৰক্ষা কৰা, লগতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰৱৰ্ত্তিত ১৯৭৬ চনৰ জোখ মাপ মান ( টোপোলাকৃত সামগ্ৰী ) আইনৰ বিধিসমূহ প্ৰৱৰ্ত্তন কৰা।

(ক) ব্যৱসায় বাণিজ্যত জোখ মাপৰ শুদ্ধতা অব্যাহত ৰখাৰ উদ্দেশ্য ব্যৱসায়িক প্ৰতিস্থানৰ সংখ্যা অনুসৰি প্ৰত্যেক মহকুমাত এজন বা ততোধিক জোখ মাপ পৰিদৰ্শকে জোখ মাপত ব্যৱহৃত দগা-তৰ্জুকে ধৰি সকলোধৰনৰ আহিলা পাত্তি আদি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে সত্য কৰপন কৰে আৰু নিৰ্দিষ্ট চৰকাৰী হাৰত সত্য নিৰূপন আৰু মোহৰাংক মাচুল আদায় কৰে। লগতে আইন সঙ্গত নোহোৱা অসাধু ব্যৱসায়ীৰ ওপৰত বিভাগীয় বিচাৰ কৰে। ইয়াৰ উপৰিও ভ্ৰাম্যমান আদালত বহুৱাই জোখমাপ আইন ভঙ্গকাৰী ব্যৱসায়ীক থিতাতে জৰিমনা কৰাৰ ব্যৱস্থা কৰে। পৰিদৰ্শক সকলৰ কাম কাজ চোৱা চিতা আৰু তদাৰক

কৰিবৰ বাবে জিলা পৰ্য্যায়ত জোখমাপ সহকাৰী নিঃন্ত্ৰক নিয়োজিত কৰা হৈছে। পৰিদৰ্শক ও সহকাৰী নিয়ন্ত্ৰক সকলৰ কাম কাজত দিহা পৰামৰ্শ দি জোখ মাপৰ সুচাৰু নিয়ন্ত্ৰনৰ বাবে মাণ্ডলিক পৰ্য্যায়ত উপনিঃন্ত্ৰক নিয়োজিত কৰা হৈছে। গুৱাহাটী মূখ্য কাৰ্য্যালয়ৰ পৰা জোখ মাপ বিভাগৰ নিয়ন্ত্ৰকে সকলো কাৰ্য্যকলাপ নিয়ন্ত্ৰন কৰে।

মেট্ৰিক পদ্ধতিৰ জোখমাপ আৰু ইয়াৰ ব্যৱস্থাৰ সম্পৰ্কে বহুল প্ৰচাৰৰ বাবে নিয়ন্ত্ৰকৰ অধীনত এটি প্ৰচাৰ শাখা আছে।

## বিষয় : সাপেখাতী ষ্টেচন ফিডাৰ পথ

শ্ৰীপ্ৰদীপ হাজৰীকায়ে সুধিছে :

৬১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : সাপেখাতী ষ্টেচন ফিডাৰ পথটো ১৯৮৬-৮৭ চনত পকীকৰণৰ কাম সম্পূৰ্ণ হোৱাটো সঁচানে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

সঁচা নহয়।

## বিষয় : সাপেখাতী ধোদৰ আলি

শ্ৰীপ্ৰদীপ হাজৰিকায়ে সুধিছে :

৬১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সাপেখাতী ধোদৰ আলিৰ পৰা অৰুণাচললৈ যোৱা পথটোৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, এই পথটো কোন চৰকাৰৰ তত্বাবধানত আছে।

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) এই পথটো বৰ্ত্তমান অৰুণাচল প্ৰদেশৰ গড়কাপ্তানী বিভাগে চোৱা চিতা কৰি আছে।

## বিষয় : জোখ মাপ বিভাগৰ নিযুক্তি

শ্ৰীপ্ৰদীপ হাজৰিকায়ে সুধিছে :

৬২০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জোখ মাপ বিভাগৰ নিযুক্তি কি ব্যৱস্থাৰে দিয়া হয় ?

(খ) এই বিভাগত যোৱা দুটা বছৰে নিযুক্তি হৈছে নেকি ?

(গ) যদি হৈছে তেনেহলে কোন কোন শ্ৰেণীৰ মানুহে নিযুক্তি পাইছে তাৰ ওপৰত এখন তালিকা দাঙি ধৰিবনে ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) Assam weights & Measures Service Rule 1981, অনুসৰি নিযুক্তি দিয়া হয়।

(খ) হয়, হৈছে।

(গ) যোৱা দু-বছৰৰ নিযুক্তিৰ তালিকা সদনৰ মেজত ৰখা হ'ল।

( See the Annexure VI )

**Re : Course of the river Gauranga**

Shri Amritlal Basumatari asked :

621. Will the Minister, P. W. D. be pleased to state.

(a) Whether the river Gauranga has changed its course and made the R. C. C. bridge over the river useless on Bilasipara Kokrajhar Road ?

(b) Whether there is a proposal to direct the river so as to flow through under the bridge ?

(c) If not whether there is a proposal for constructing a new bridge ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) তেনে ধৰণৰ কোনো প্ৰস্তাৱ বৰ্তমানে নাই।

(গ) সপ্তম পঞ্চবাৰ্ষিকী পৰিকল্পনাত নতুনকৈ পকী দলং এখন নিৰ্মান কৰাৰ প্ৰস্তাব আছে। নদীৰ গতি পৰিবৰ্তিত হৈ থকাৰ বাবে বৰ্তমান ৰাস্তাৰ ওপৰত দলং নিৰ্মান কৰা সম্ভৱ নহব। নতুন দলংৰ স্থান নিৰ্দ্ধাৰিত কৰাৰ বাবে কাৰিকৰী বিশেষজ্ঞ দলৰ মতামত প্ৰয়োজন হৰ।

## বিষয় : টংলা উপসংমণ্ডল কাৰ্য্যালয়ৰ সামগ্ৰী

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৬২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গড়কাপ্তানী বিভাগৰ টংলা উপসংমণ্ডল বিষয়াৰ কাৰ্য্যালয় চৌহদত কিছুমান বিলাতি মাটি, টিনপাত আদি বহু বছৰ আগৰ পৰা পৰি আছে, কথাটো সত্য নে ?

(খ) যদি সত্য, তেনেহলে এই বিলাতি মাটি আৰু টিনপাত বিলাক কোন চনৰ কোন তাৰিখে কি কাৰণত আৰু কাৰ হুকুমত কিনা হৈছিল ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সত্য নহয়।

(খ) প্ৰশ্ন নুঠে।

## বিষয় : বানপানীত ক্ষতিগ্ৰস্ত পুঁজিৰ ধন

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৬২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) ১৯৮৮-৮৯ চনৰ শেষৰ ভাগত, বানপানীত ক্ষতিগ্ৰস্ত ( F. D. R. ) পুঁজিৰ ধন অসমৰ কোন কোন সংমণ্ডলক ( Division ) কিমান পৰিমানৰ টকা দিয়া হৈছে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৮-৮৯ চনৰ শেষৰ ভাগত বানবিধস্ত শিতানৰ পুঁজিৰ আকলন প্ৰত্যয় পত্ৰৰ জৰিয়তে দিয়া ধনৰ পৰিমান সহ সংমণ্ডলৰ তালিকা এখন ইয়াৰ লগত গাঠি দিয়া হ'ল।

( See the Annexure VII )

## Re : Appointment in Assam Tea Plantation Provident Fund

Shri Manilal Gowala asked :

624. Will the Minister, Labour and Employment be pleased to state :

a) Number of appointmets made in the Assam Tea-Plantation Provident Fund office in different categories since 1986 ?

(District-wise and grade-wise figure may be furnished)

b) The number of appointments made for the above posts from the Tea Garden and Ex-Tea garden labour community ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১। তৃতীয় শ্ৰেণীত মুঠ ৪৩ জন।

২। চতুৰ্থ শ্ৰেণীত মুঠ ১৩ জন।

জিলা ভিত্তীক আৰু শ্ৰেণী হিচাবে উক্ত নিযুক্তিৰ হিচাপ তলত দিয়া ধৰণে :—

| জিলাৰ নাম | তৃতীয় শ্ৰেণী | চতুৰ্থ শ্ৰেণী |
|---|---|---|
| ১। গোলাঘাট | ৫ জন | ১ জন |
| ২। যোৰহাট | ৪ জন | — |
| ৩। ডিব্ৰুগড় | ৯ জন | ২ জন |
| ৪। শোণিতপুৰ | ৩ জন | — |
| ৫। কামৰূপ | ১৭ জন | ৪ জন |
| ৬। শিৱসাগৰ | ৪ জন | ২ জন |
| ৭। উত্তৰ লক্ষীমপুৰ | ১ জন | ২ জন |
| ৮। দৰঙ্গ | — | ২ জন |
| | মুঠ ৪৩ জন | মুঠ ১৩ জন |

খ) চাহ শ্ৰমিক সম্প্ৰদায়ৰ পৰা তৃতীয় শ্ৰেণীত ১৩ জন আৰু চতুৰ্থ শ্ৰেণীত ৩ জনে চাকৰি পায়।

( Unstarred Question No. 625 was not put. )

**Re : Molakhowa—Tantipara Road.**

Shri Aminul Islam asked :

626. Will the Minister, P.W.D. be pleased to state :

a) whether the Government is aware of the fact that Molakhowa—Tantipara road in Mankachar Constituency was badly damaged during 1987 flood and the last there by causing immense difficulties to the people of that area ?

b) It is also a fact that the people living on the Northern most part of Mankachar constituency are fully dependent on this only road for their movement ?

c) Will the Government repair the road by proceeding necessary funds so that the road can be repaired before the ensuing flood ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, চৰকাৰ অৱগত।

খ) কথাটো সম্পূৰ্ণ সঁচা নহয়। ইয়াৰ বাহিৰেও মানকাচাৰলৈ যোৱা আৰু তিনিটা ৰাস্তা আছে।

গ) পুঁজি সাপেক্ষে মেৰামতিৰ কাম হাতত লোৱা হ'ব।

( Unstarred Question No. 627 was not put. )

**Re : Maijonga Harimura—krishnai Chariali P.W.D. Road.**

Shri Maziruddin Ahmed asked :

628. Will the Minister, P.W.D. be pleassd to state :

a) Whether the Government is aware that the Maijonga Harimura Krishnai Chariali P.W.D. Road in Goalpara district is in very dolipidated condition ?

b) If so, will the Government blacktop the above road without further delay ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) আৱশ্যকীয় পুঁজি পালে বিবেচনা কৰিব পৰা যাব।

**Re : Nandeswar Darranggiri Road**

Shri Maziruddin Ahmed asked :

629. Will the Minister, P.W.D. be pleased to state :

a) Whether the Govt. is aware that Nandeswar-Darranggiri Road in Goalpara District is an very important road ?

b) If so will the Govt. make the road fully notorable within this year ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ নহয়।

খ) আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

**বিষয় : কৃষি বিকাশ কেন্দ্ৰ**

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

৬৩০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে নতুনকৈ কৃষি বিকাশ কেন্দ্ৰ স্থাপন কৰাৰ আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে আঁচনিখন কেতিয়াৰ পৰা প্ৰবৰ্ত্তন কৰা হ'ব ?

(গ) এই আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য কি ?

(ঘ) ডিব্ৰুগড় জিলা মৰান সমষ্টিত এটি কৃষি বিকাশ কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা ল'বনে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৯-৯০ বিত্তীয় বছৰটোত কৃষি বিভাগৰ পৰা সৰ্বমুঠ ১'২০ কোটি টকাৰে কৃষি বিকাশ কেন্দ্ৰৰ নতুন আঁচনি এখন ৰূপায়ণৰ কাম হাতত লোৱা হৈছে।

(খ) বিত্তীয় ১৯৮৯-৯০ চনত এই আঁচনিখন প্ৰবৰ্ত্তন কৰাৰ প্ৰকল্প আছে।

(গ) কৃষি বিকাশ কেন্দ্ৰ আঁচনিখনৰ মূল লক্ষ্য হ'ল ৰাজ্যৰ ভিন্ন ভিন্ন কেন্দ্ৰত একে ঠাইতে সকলো ধৰণৰ কৃষি সামগ্ৰী আৰু আহিলা-পাতি আদিৰ যোগান ধৰা। অসম চৰকাৰৰ ১৪ দফীয়া আৰ্থ-সামাজিক কাৰ্য্যসূচীত প্ৰত্যেকটো উন্নয়ন খণ্ডত এটাকৈ কৃষি বিকাশ কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰা হৈছে আৰু উক্ত কেন্দ্ৰৰ যোগেদি উপকৃত আৰ্থিক সাহাৰ্য্য, কৃষি ঋণ, সাৰ-বীজ, আহিলা-পাতি আদি কৃষকক যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব।

(ঘ) এই বিষয়ে সকলো জিলা কৃষি বিষয়া আৰু মহকুমা কৃষি বিষয়া সকলক স্থান নিৰ্দ্ধাৰণৰ বাবে বিভাগীয় আদেশ দিয়া হৈছে। তেখেত সকলৰ প্ৰতিবেদনৰ ভিত্তিতহে স্থান নিৰ্দ্ধাৰণ চুড়ান্ত কৰা হ'ব।

## বিষয় : চাহ শ্ৰমিক কল্যাণ পৰিষদৰ কাৰিকৰী শিক্ষা

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

৬৩১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ অন্তৰ্গত চাহ শ্ৰমিক কল্যাণ কেন্দ্ৰ সমূহত যি বাঢ়ৈ, চিলাই আদি কাৰিকৰী শিক্ষা দিয়া হয় সেই শিক্ষাৰ সময়কাল (Duration) কিমান ?

(খ) উক্ত কেন্দ্ৰ সমূহত শিক্ষা শেষ কৰি প্ৰশিক্ষাৰ্থী সকলে যিখন প্ৰমাণ-পত্ৰ (Certificate) পায় সেই প্ৰমাণ-পত্ৰৰ দ্বাৰা তেওঁলোকে চৰকাৰী চাকৰিত কোনো অগ্ৰাধিকাৰ পায়নে ?

(গ) যদি পায়, তেনেহলে শতকৰা কিমান জনে সেই প্ৰমাণ-পত্ৰৰ সহায়ত নিযুক্তি পাইছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰাঢ়ে শাখাৰ প্ৰশিক্ষণ—২ (দুই) বছৰীয়া আৰু চিলাই শাখাৰ প্ৰশিক্ষণ—১ (এক) বছৰীয়া ।

(খ) চৰকাৰী চাকৰিত কোনো অগ্ৰাধিকাৰ পোৱা বা নোপোৱাৰ কথা দৃষ্টিগোচৰ হোৱা নাই ।

(গ) প্ৰশ্নই নুঠে ।

## Voting on Demands for Grants

Mr. Speaker : Now voting on Demands for Grants.

*শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা বিশেষ প্ৰশ্ন আছে। কথাটো হল— তৰা বিহীন প্ৰশ্নৰ উত্তৰত ৬২৭ নং প্ৰশ্নৰ উত্তৰ ইয়াত দিয়া হোৱা নাই।

মাননীয় অধ্যক্ষ : এই বিষয়ে চাই ব্যৱস্থা লোৱা হব। Now Grant No: 64, Shri Amrit Lal Basumatari to move his cut motion.

*Shri Amrit Lal Basumatari : Mr. Speaker Sir, I beg to move that the total provision of Rs. 116,25,65,000, under Grant No. 64 in respect of 'Roads and Bridges' at pages 108-135 of Volume II, part VI of the Budget be reduced by Rs 100,00 i. e., the amount of the whole grant of Rs. 116,25,65,000, do stand reduced by Rs. 100.00.

Mr. Speaker : Now Shri Charan Narzary.

Shri Charan Narzary : Shri Ganesh Boro will move.

★Shri Ganesh Boro : Mr. Speaker Sir, I beg to move that the total provision of Rs. 116,25,65,000, under Grant No. 64 in respect of "Roads and Bridges", at pages 108-135 of Volume II, Part VI of the Budget be reduced by

*Speech not corrected.

Rs. 100·00 i.e. the amount of the whole grant of Rs. 116,25,65,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Now Honourable Shri Ramendra De.

*Shri Ramendra De : Mr. Speaker Sir, I beg to move that the total provision of Rs. 116,25,65,000, under Grant No. 64 in respect of "Roads Bridges" at pages 108-135 of Volume II, Part VI of the Budget be reduced to Rs. 100·00 i.e. the amount of the whole grant of Rs. 116,25,65,000, do stand reduced to Rs. 100 00

Mr Speaker : Now Honourable Shri Binai Khungur Basumatari.

*Shri Binai Khungur Basumatari : Mr. Speaker Sir, I beg to move that the total provision of Rs. 116,25,65,000, under Grant No. 64 in respect of "Roads and Bridge" at pages 108-135 of Volume II, Part VI of the Budget be reduced to Rs. 1 00 i. e. the amount of the whole grant of Rs. 116,25,65,000 do stand reduced to Rs. 1.00.

Mr. Speaker : Now Honourable Shri Aminul Islam.

Shri Aminul Islam : Mr. Speaker Sir, I beg to move that the total provision of Rs. 116,25,65,000 under Grant No. 64 in respect of "Roads and Bridges" at pages 108-135 of Volume II, Part VI of the Budget be reduced by Rs. 100·00 ie, the amount of the whole grant of Rs. 116,25,65,000 do stand reduced by Rs. 100·00.

Mr. Speaker : Now Honourable Shri Rameswar Dhanowar.

*শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ শিতানত অনা কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি দুষাৰ ক'ব বিচাৰিছো। মই ইয়াৰ আগতেও প্ৰশ্ন আকাৰত কৈছো যে ডিগবৈ বৰধুমচা পথত বৰধুমচা ব্ৰহ্মাজান তিনি আলিলৈ অৰুণাচল চৰকাৰে অসমৰ সীমাত মেৰামতি কৰি আছে। এই

কথাটো বিভাগে স্বীকাৰ কৰিছে যে অৰুণাচল চৰকাৰে মেৰামতি কৰি আছে। আজি কিছু দিনৰ পৰা কেইবাৰ প্ৰশ্ন উত্থাপন কৰা হৈছে যে এই পথটো আমাৰ গড়কাপ্তানী বিভাগৰ অধীনলৈ কিয় আনিব পৰা নাই ? এই পথছোৱাৰ অৱস্থা অতি বেয়া হৈছে, গাড়ী চলাটো সম্ভৱ হৈ উঠা নাই। এই পথটোৰ দৈৰ্ঘ্য ১৪ কিলোমিটাৰ। তিনিচুকীয়া ৰোড ডিভিজনৰ অসঙ্গতাৰ কাৰণে ঔগুৰী নামনি পথটো মেৰামতিৰ ব্যৱস্থা হোৱা নাই। এই পথটো গড়কাপ্তানী বিভাগৰ অধীনত আছিল, কিন্তু বিভাগে নাজানে আৰু মেৰামতি নোহোৱাকৈ পৰি আছে। বিভাগে যোৱা বছৰ বিচৰাত তথ্যপাতি ওলাই পৰিল আৰু দেখা গ'ল যে ১৯৬২ চনত কিছু টকা মেৰামতিৰ বাবে দিয়া হৈছিল। তাৰ পিছত ৰেকৰ্ড-পাতি হেৰাই গ'ল। এই বিষয়টো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। তাৰ পিছত ৩৮ নং ৰাষ্ট্ৰীয় ঘাই পথৰ মেৰামতিৰ কাম বৰ লেহেম গতিত চলি আছে। নামৰূপৰ পৰা শিল নি পকীকৰণৰ ব্যৱস্থা কৰিব লাগে। কিন্তু লিকাবালি, দিবৰু আৰু দিহিং নদীৰ পৰা শিলগুটি নি পকীকৰণ কৰা হৈছে যাৰ ফলত আজি ৯-১০ টন ওজনৰ গাড়ী ৪-৫ বাৰ অহা-যোৱা কৰাৰ পিছত ৰাস্তা বেয়া হৈ গৈছে। এইবিলাক টেকনিকেল কথা। মই মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে চাৰ্কোলাৰ মতে যোৰহাটৰ পৰীক্ষাগাৰত পৰীক্ষা কৰি নামৰূপৰ শিল দিয়াৰ কাৰণে ব্যৱস্থা আছে। কিন্তু দিবৰু আৰু দিহিং নদীৰ শিলগুটি দিয়াৰ বাবে ৰোলাৰ চলাই দিয়াৰ লগে লগে শিলবিলাক গুড়ি হৈ গৈছে। দেখা গৈছে ৯-১০ টনৰ গাড়ী ৪-৫ বাৰ চলাচল কৰাৰ পিছত ৰাস্তা নষ্ট হৈ যায়। প্ৰমাণ স্বৰূপে চেণ্ট মেৰিজৰ ওচৰৰ পথখিনি চাব পাৰে। চাৰ্টিফাইড শিল নিদিয়াৰ কাৰণে এনে হৈছে। এই শিলবিলাক ব্লেকলিষ্টেদ ঠিকাদাৰে যোগান ধৰিছে।

মোৰ তৃতীয় কথা হৈছে, অৱশ্যে মই এইটো কথা কৈয়ে সামৰিব খুজিছো। মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে অৰ্থনৈতিক অৱস্থাৰ কাৰণে পৰিকল্পনা কৰ্ত্তন কৰিবলগীয়া হৈছে। মন্ত্ৰী মহোদয়ৰ এই যুক্তি মই মানিবলৈ অপাৰগ। কাৰণ মই এটা কথাৰ প্ৰতি তেখেতক অনুৰোধ কৰিব বিচাৰিছো যে ডিব্ৰুগড়ৰ ১৪ নং মানকাটা ৰাস্তাত পৰা অধিক্ষ্যক অভিযন্তাৰ ঘৰত ২ জন মাষ্টাৰ ৰোলৰ কৰ্মীয়ে কাম কৰি আছে। তেওঁলোক হ'ল শ্ৰীজিত বাহাদুৰ আৰু শ্ৰীৱহিদুল্লা। এইদৰে মাষ্টাৰ ৰোলৰ কৰ্মীক ব্যক্তিগত ভাৱে ঘৰত কাম কৰাই থকাৰ বাবে

মই জনাত মাহে ১২ হাজাৰকৈ বছৰত ৬০ হাজাৰ টকাকৈ চৰকাৰৰ ফালৰ পৰা দি থাকিবলগীয়া হৈছে। এই ৬০ হাজাৰ টকা যদি এইদৰে দি থাকিব লগীয়া নহ'লহেঁতেন তেনেহ'লে এই ৬০ হাজাৰ টকাৰে এখন সৰুসুৰা দলঙেই হ'লহেঁতেন। এইটো চলি আছে। গতিকে পইচাৰ সংকট হৈছে বুলি ক'লে মই মানিবলৈ টান পাওঁ। তেনেকৈ ঔগুৰি মামনি পানীখোৱা টোকনি ৰাস্তাৰ কাঠৰ দলংখন ১৯৬৮ চনতেই ভাঙিলে। ইয়াৰ কাৰণে ১৯৭৮ চনতে এচটিমেট দিয়া হ'ল কিন্তু আজিলৈকে এই দলংখন হৈ নুঠিল। এই ৰাস্তাটো চাহবাগিছাই ব্যৱহাৰ কৰাৰ কাৰণে তেওঁলোকে এইটো কাম কৰি দিব বুলি কৈছিল যদিও বিভাগৰ লগত যোগাযোগ কৰিও কোনো চুক্তিত উপনীত হব নোৱাৰিলে। তেওঁলোকে দলংখন কৰি দিবৰ কাৰণে গাত লৈছিল কিন্তু গড়কাপ্তানী বিভাগে ইয়াত অনুমতি নিদিলে। তেওঁলোকে নিজে টকা পইচা খৰচ কৰি কামটো কৰি দিব বিচাৰিছিল যদিও বিভাগে ইয়াৰ অনুমতি নিদিলে। তাৰ পিছত বহুত এই সম্পৰ্কত যোগাযোগ কৰাৰ পিছত কেইট্ৰাকমান শিলগুটি দি দিলে। এতিয়া কথা হ'ল যে অ', এন, জি, চিয়েই হওক বা অইল ইণ্ডিয়াই হওক গড়কাপ্তানী ৰাস্তা ব্যৱহাৰ কৰাৰ আগতে টকা আদায় নিদিলে তেওঁলোকক সেই ৰাস্তাৰে চলাচল কৰিবলৈ দিব নালাগে। সেইদৰে চাহবাগিছাৰ মাজৰ যিবিলাক গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে তাৰ দলংবিলাক সাজি দিব বিচাৰিলে বিভাগে সাজিবলৈ দিব লাগে। নিদিলে উভয় পক্ষৰে অসুবিধা হয়। উদাহৰণ স্বৰূপে মই পানীখোৱা টোকনি দলঙৰ কথা কব পাৰো। কোনোবাই টকা-পইচা খৰচ কৰি কৰিব বিচাৰিলেও কৰিবলৈ দিয়া নাই ফলত চলাচলত ব্যাঘাট জন্মিছে। মই এই কেইটাকে পৰামৰ্শ দি, মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীমউলানা আব্দুল জেলিল ৰাগিবি : মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা আৰু দলঙৰ শিতানত বিভাগীয় মন্ত্ৰী মহোদয়ে দাবী মঞ্জুৰীৰ বাবে যিমানখিনি ধন বিচাৰিছে মই এই সম্পৰ্কত এটা কৰ্তন প্ৰস্তাৱ আনিছো আৰু এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো।

মই ইয়াৰ আগতে সদনত এটা প্ৰশ্ন কৰিব বিচাৰিছো যে চৰকাৰৰ যিমান বিলাক বিভাগ আছে সেই আটাই বিলাক বিভাগৰ ভিতৰত গড়কাপ্তানী বিভাগটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ হয় নে নহয়? কাৰণ ৰাস্তা ঘাট যদি নহয়

তেনেহ'লে চৰকাৰৰ কোনো উন্নয়নমূলক কামেই হ'ব নোৱাৰে। ৰাস্তা নহলে কোনো কামেই সম্পূৰ্ণকৈ কৰিব নোৱাৰি গতিকেই মই ক'বলৈ বিচাৰিছো যে গড়কাপ্তানী বিভাগটোৱেই এখন চৰকাৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু লাগতীয়াল বিভাগ। গতিকেই এই বিভাগৰ যিজন মন্ত্ৰী তেখেতে গুৰুত্ব সহকাৰে নিজৰ দায়িত্ব পালন কৰিব লাগিব। কাৰণ ৰাস্তা ঘাট বা যোগাযোগৰ সুবিধা নহ'লে ৰাজ্যখনৰ কোনো উন্নয়ন বা কল্যাণমূলক কাম হ'ব নোৱাৰে আজি যি দাবী মঞ্জুৰী উত্থাপন কৰিছে আমি এই টকা ৰাইজৰ প্ৰয়োজনৰ খাটিৰত দিব লাগিব কিন্তু কৰ্ত্তন প্ৰস্তাৱ আনি বিৰোধী পক্ষৰ সদস্য সকলে যিবিলাক দুৰ্নীতি বা আঁসোৱাহ দেখুৱাই দিয়ে সেইবিলাক দূৰীকৰণ কৰিব লাগে। কিন্তু কাৰ্যক্ষেত্ৰত এইটো পৰিলক্ষিত কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ বৰ্তমান ৰাস্তা ঘাটৰ অৱস্থা অতি বেয়া। আমাৰ বিভাগীয় মন্ত্ৰীয়ে এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে মই তেখেতক প্ৰসংশা কৰো। তেখেত চিনচিয়াৰ মন্ত্ৰীসকলৰ ভিতৰত অন্যতম। কিন্তু তেখেতে তুফালৰ পৰা অহা দুটা শক্তিৰ লগত যুঁজ কৰিবলগীয়া হৈছে। তাৰে এটা শক্তি হৈছে প্ৰাকৃতিক দুৰ্য্যোগ। প্ৰাকৃতিক দুৰ্য্যোগৰ লগত যুঁজ কৰি কোনেও জয়লাভ কৰিব নোৱাৰে। আমি দেখিবলৈ পাইছো যে এই চৰকাৰৰ জন্মৰে পৰাই প্ৰাকৃতিক দুৰ্য্যোগ লাগি আহিছে। এই চৰকাৰ অহাৰ লগে লগেই প্ৰাকৃতিক দুৰ্যোগো আহিব ধৰিছে। ৰাজ্যৰ প্ৰায় গোটেই বিলাক ৰাস্তায়েই বানপানীয়ে প্ৰতি বছৰে নষ্ট কৰি আহিছে। ইয়াৰ কাৰণেযে মন্ত্ৰী মহোদয়ৰ অসুবিধা হৈছে এইটো ঠিক।

অধ্যক্ষ মহোদয়, আন এটা অভিযোগ হৈছে যে, যিসকলক ঠিকা দিয়া হয় সেই ঠিকাদাৰ বিলাকে চৰকাৰৰ নীতি নিয়ম মানি কাম কৰেনে নকৰে তাৰ তত্ত্বধান কৰাৰ বাবে কোনো মানুহ নোহোৱাটো অতি দুখৰ কথা হৈছে। এইদৰে আজি দেশৰ ক্ষতি হৈছে, দেশক ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে আৰু এই কাম আজি আমাৰ ঠিকাদাৰ তথা এচাম কৰ্মচাৰীয়ে কৰিছে। এতিয়া দেখা গৈছে যে, আমাৰ ৰাষ্টাবিলাকো এহাতে ব্লেক টপিং কৰিছে আৰু আনহাতে মেৰামতিও কৰিছে। দুয়োটা কাম একেলগে চলাই আছে। টেকনিকেল বিভাগত যিবিলাক মানুহ আছে তেওঁলোকে এই কামবিলাক পৰীক্ষা নিৰীক্ষা কৰি চাই চিতি ভাল হৈছেনে নাই তাৰ প্ৰমান পত্ৰ দিয়ে। তাৰ পাছত ঠিকাদাৰসকলে

তেওঁলোকৰ প্ৰাপ্যখিনি আদায় কৰে। কিন্তু সেই সময়ত কোনেও সত্য কথা নকয়। মই সত্য প্ৰকাশ কৰাত কোনো দিনে লাজ কৰা নাই, ভয় কৰা নাই। এইবিলাক কাম কৰোতে কিবা এটা পাৰ্চে'ন্টৰ ভাগা ভাগি হয়। এইটো মই সদনত স্পষ্টভাৱে কওঁ যে, যিমান টকাৰ নিবিদা বা যিমান টকাৰ ঠিকা দিয়া হয় সেইটো এটা পাৰচেন্টৰ ওপৰত দিয়া হয়। অভিযন্তা সকলক কিমান টকা দিব লাগিব এইটো আগতে ঠিক কৰি লৈহে নিবিদা দিয়া হয় আৰু তেতিয়াহে ফৰমেলিটি কৰি ফৰ্ম ফিলআপ কৰা হয়। ধৰি লওঁক মোৰ পৰা শতকৰা ৫ ভাগ লৈছে গতিকে যি কোনো উপায়ে মোৰ কামটো পাচ কৰি দিবই। কাম দিয়াৰ আগতেই টকা পইছা আদায় কৰি লোৱা হয়। এই কথা আপোনালোক সকলোৱে জানে। এতিয়া অস্বীকাৰ কৰিব পাৰে, লাজ পাব বুলি। যোৱা বিধান সভাত আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক পৰামৰ্শ দিছিলো আৰু এইটো বোধহয় আমাৰ এ, জি, পি চৰকাৰ শাসনলৈ অহাৰ পিচত প্ৰথম চেচনত শপত গ্ৰহণ কৰাৰ পিচতে। পৰামৰ্শটো আছিল যে, আমাৰ অসমত ব্লেক টপিং কৰাৰ ক্ষেত্ৰত টেকনিকেল আৰু মাটি সম্পৰ্কীয় জ্ঞান থকা মানুহ লব লাগে। তাৰ আগতে চইল টেষ্ট কৰিবও লাগে। মই ভাৰতৰ বিভিন্ন ঠাইলৈ গৈছো আৰু আমাৰ মন্ত্ৰী মহোদয়েও দেখিছে। কিন্তু আমাৰ অসমত ঠিকাদাৰ সকলে কামত যি ধৰণে ফাকি ফুকা দিয়ে অন্য ৰাজ্যত এইটো নহয়। তেওঁ-লোকে নিজৰ ৰাজ্যত এনে কাম নকৰে। কাচাৰলৈ গলে দেখিব পাব যে সকলো-বিলাক ৰাস্তা ঘাট দেমেজ হৈ গৈছে। আপাৰ অসমতো একে অৱস্থা। মই সদায় সভা সমিতি, মিলাদ মেহফিল আদিত যোগদানৰ বাবে আপাৰ অসমলৈ গৈ থাকো। ৰাষ্টাৰ অৱস্থা অতি বেয়া। গোটেই অসমৰে একে অৱস্থা। অসমৰ যে ৰাষ্টাৰ অৱস্থা একেবাৰে দুৰবস্থা স্পষ্ট হৈছে এই কথা সকলো লোকে জানে। আজি যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাত মন্ত্ৰী মহোদয়ক মাত্ৰ ১০০ টকা দিব লাগে বুলি মই কৈছো আৰু বাকী যি টকা বিচাৰিছে সেই টকা কৰ্ত্তন কৰিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা অদ্ভুত কথা যে, অসমৰ দলংবিলাকৰ অৱস্থা যে ইমান বেয়া তাক আজি চোৱা চিটাৰ বাবে কোনো মানুহ নাই। যাৰ ফলত বহুতো মৰ্মান্তিক দুৰ্ঘটনা ঘটি গৈছে। দলং ভাঙি যান বাহন দুৰ্ঘটনাত পতিত হৈছে। কিমান মানুহৰ প্ৰান গৈছে। আমাৰ দলংবোৰ যানবাহনৰ উপযোগী হয় নে নহয় কোনেও চোৱা চিতা নকৰে। আমি শুনিবলৈ পাইছো মন্ত্ৰী মহোদয়ে

হৈনো বিয়া পাতিছে। মই আগতিয়াকৈ মোৰ অভিনন্দন জনালো। লগতে আমি অসমৰ ৰাইজে আশা কৰিছো যে, মন্ত্ৰী মহোদয়ে অহা মে মাহৰ ৭ তাৰিখৰ পৰা নতুন জীৱনৰ পাতনি মেলিব। তেখেতৰ জীৱন সুন্দৰ হোৱাৰ লগে লগে আশা কৰো অসমৰ যাতায়তৰ, ৰাষ্টা ঘাটৰ অৱস্থা আৰু দলং আদিৰ অৱস্থাও সুন্দৰ হৈ সোণৰ অসম হৈ পৰিব। গতিকে প্ৰকৃতিয়ে সুন্দৰ কৰি তোলা সোণৰ অসমৰ ৰাষ্ট ঘাট, দলং আদিৰ অৱস্থা সুন্দৰ কৰি তুলি সৌন্দৰ্য্য বজাই ৰখাৰ বাবে চেষ্টা কৰিবলৈ মই অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, মুল কথা হ'ল যে মন্ত্ৰী মহোদয়ৰ নতুন জীৱন সুন্দৰ জীৱন, আনন্দময় জীৱনৰ লগতে অসমৰ ৰাইজেও যাতে সুন্দৰ ৰাস্তা-ঘাট, দলং আদি পায় সেইটো আমি আশা ৰাখিছো।

( ভইচ— আপুনি দলং ৰাস্তা ঘাট আৰু বিয়া একেই বুলিয়েই ভাবিছে নেকি ?)

হয়, দলং এখন দিয়াৰ কাৰণে নৈৰ দুয়ো পাৰ যিদৰে লগ লাগে, বিয়াৰ দ্বাৰা জীৱন নৈৰ দুটা পাৰ এক লগ হয়। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে নীল বাগানৰ পৰা হাওৰাঘাটলৈ যিটো ৰাস্তা আছে সেইটো অনতি পলমে পকী কৰি দিব লাগে। আগতে গড়কাপ্তানী মন্ত্ৰী মহোদয়ক যোগাযোগ কৰা হৈছিল যিহেতু কাৰ্বি আলংৰ পৰা ৰাস্তাটো আৰম্ভ হয় তেতিয়াহলে ৰাস্তা-টোৰ ব্লেক টপিংঙৰ দায়িত্ব কাৰ্বি কাউনচিলক গতাই দিলে সুবিধা হয়। যমুনা নৈৰ ওপৰত এখনি দলংৰ দাবী আছে। দলংখন যদি সম্পূৰ্ণ হয় তেতিৱাহলে এই দলংখন অতুল বৰা মিলন সেতু বুলি নামকৰণ কৰা হব। নীল বাগানৰ মুৰজাৰ ৰাস্তাৰ ব্লেক টপিংঙৰ বাবে যি চাৰে সাত লাখ টকা দিয়া হৈছে তাত এতিয়ালৈকে কাম আৰম্ভ কৰা নাই আৰু চৰকাৰৰ ফালৰ পৰাও নিবিদা আদি বোধহয় বিচৰা হোৱা নাই। এতিয়া কথা হ'ল মোৰ তিনিটা কাম হব লাগে। (১) অতুল বৰা মিলন সেতু হব লাগে, (২) নীল বাগানৰ ৰাষ্টাটো পকী হ'ব লাগে। (৩) গোটেই অসমৰ মানুহে, অসমৰ জনসাধাৰণে ৭ মে তাৰিখৰ পৰা মাননীয় মন্ত্ৰীৰ দৰে নতুন উদ্দীপনাৰে অৰ্থাৎ সুন্দৰ ৰাষ্টা ঘাট পাই নতুন জীৱন লৈ যাতে আনন্দমুখী হব পাৰে তাকে আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Please sit down At the time of with-drwal of cut Motion you will once more get a chance to speak. Now Honourable member Shri Rashidul Haque.

শ্ৰীৰচিতুল হক : মাননীয় অধ্যক্ষ মহোদয়, আজি গড় কাপ্তানী বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰি মোৰ বক্তব্য আৰম্ভ কৰিছো। প্ৰথম কথা আমাৰ ৰাগিবী চাহাৰে যি কথা কৈছে মই তাক গোটেইখিনি মানি লব পৰা নাই। ( ভইচ —— বিয়াৰ কথা কোৱা কাৰণে মানি লব পৰা নাই নেকি ? ) বিয়াৰ কথা নহয় । কাৰণ হৈছে স্বজন প্ৰীতি আছে। তাক মই বাস্তৱত দেখুৱাই দিম। প্ৰথম কথা হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ঘৰ কলিয়াবৰত আৰু গুমিন হাজৰিকা দেৱৰ ঘৰও হৈছে কলিয়াবৰত তাত ৰাস্তা হৈছে। এইটো স্বজন প্ৰীতি নহয় জানো ? অৱশ্যে আমাৰ ৰাগিবি চাহাবে গোটেইখিনি কথা কলেই । আৰু স্বজন প্ৰীতিৰ কথা মই কব বিচাৰিছোঁ। ক্ষেত্ৰী মাননীয় গড় কাপ্তানী মন্ত্ৰী মহোদয়ৰ সমষ্টিত পৰে। তাত যিবিলাক ৰাস্তা হৈছে সেইবিলাকো স্বজন প্ৰীতি হৈছে বুলি কব লাগিব। ক্ষেত্ৰীৰ কলেজলৈ যোৱা ৰাস্তাটো যদি আপোনালোকে চায় তেতিয়াহলে দেখিব সেই ৰাস্তাটো আৰ, এল, ই, জি, পিৰ ৰাস্তা, তাত এখন ধুনীয়া চাইন বোৰ্ড লিখা আছে সেই ৰাস্তাটো আৰ, এল, ই, জি, পিৰ ৰাস্তা আৰু ৰাস্তাটো সুন্দৰকৈ ব্লেক টপিং কৰা আছে। ( ভইচ- আজি কালি আৰ, এল, ই, জি, পি ৰাস্তাও ব্লেক টপিং কৰিছে নহয় ) যদি সেইটোৱেই হয় তেতিয়াহলে মই উঠাই লৈছোঁ। কিন্তু আমাৰ ৰাস্তা বিলাকৰ কথা, দলঙৰ কথা গোটেই অসমৰ মানুহে জানে যে আজি আমি কি অৱস্থাত পৰি আছোঁ। বিশেষকৈ আমাৰ সংখ্যা লঘুৰ এলেকাৰ ৰাস্তা বিলাকৰ কথা ভাবিবই নোৱাৰি। এটা ৰাস্তাইদি অলপ যোৱাৰ পিচত আৰু যাব নোৱাৰি, ইটো ৰাস্তাৰ পথ বন্ধ, সিটো ৰাস্তাৰ পথ বন্ধ, সকলোৰে দলংবোৰ বেয়া হৈ আছে। যদিহে এই ৰাস্তা বিলাকৰ অৱস্থা এনেকুৱাই হয় তেতিয়াহলে এই টকা দিয়াৰ যুক্তি যুক্ততা ক'ত আছে আমি কব নোৱাৰো।

( Mr. Speaker Vacated the chair and Mr. Deputy Speaker occupied it. )

মাননীয় উপাধ্যক্ষ মহোদয়, আজি যদি মাননীয় মন্ত্ৰী মহোদয় মোৰ সমষ্টিলৈ যায় তেখেতক কোনেও চিনি নাপাব, এই জনেই যে অতুল বৰা ডাঙৰীয়া। কাৰণ ৰ'দ দিলে ৰাস্তা বিলাক ধুলি হৈ যায় আৰু বৰষুণ দিলে ৰাস্তা বিলাক

*Speech not corrected:

বোকা হৈ যায়। ৰ'দত গ'লে তেখেতৰ ইমান সুন্দৰ চেহেৰা ধুলীয়ে শেষ কৰি পেলাব যে সেইজন কোনোবা সন্যাসীয়েই আছে নে মাননীয় মন্ত্ৰী মহোদয় শ্ৰীঅতুল বৰা দেৱ আহিছে চিনিবলৈ টান হব। সেই কাৰণে তেখেতক এদিন আমাৰ সমষ্টিলৈ এবাৰ নিমন্ত্ৰণ কাৰছো তেখেতে নিজেই চাই আহিব আমাৰ ৰাস্তা বিলাক কি অৱস্থাত আছে। মোৰ সমষ্টিটোৰ এফাল সদৰ সমষ্টিৰ মুখ্য মন্ত্ৰীৰ আৰু এফাল মোৰ। এতিয়া সদৰ সমষ্টি বিলাক ব্লেক টপিং কৰা হৈছে কিন্তু মোৰ পিনে আৰম্ভ কৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাষ্টাৰ ব্লেক টপিঙৰ কাম দুয়ো ফালৰ পৰা হোৱা নাই। এফালৰ পৰা কৰি গৈ এঠাইত বৈ গ'ল। মই আজি মাননীয় বিভাগীয় মন্ত্ৰীৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছোঁ যে এৰি থোৱা অংশবোৰতো অনতি পলমে ব্লেক টপিঙৰ কাম আৰম্ভ কৰিব লাগে। মই জনাত বানপানী নোগোৱা ঠাইৰ ৰাস্তাৰ কামো হৈ আছে। মই এইখিনিতে এতিয়া বিষয়া সকলৰ কথা কওঁ। এই বিভাগটোত দুৰ্নীতিৰ পূৰ্বৰ পৰাই চলি আহিছে আৰু এতিয়াও চলি আছে অৱশ্যে এতিয়া অলপমান কম যেন লাগে। দূৰ্নীতিৰ বেপাৰটো পৰম্পৰা ভাৱেই এই বিভাগত চলি আহিছে। মই এজন ঠিকাদাৰ পাইছিলো যি এটা ওৱৰ্ক অৰ্ডাৰ দেখুৱাইছিল ২৭ হেজাৰ টকাৰ। মই জানিব বিচাৰিছিলো কামটো সম্পূৰ্ণ হ'লনে নাই, তেওঁ কলে যে বেলেগ এজনক চাব কণ্ট্ৰেক্ট দিছো ২৫০০·০০ টকাত। এতিয়া আপোনালোকেই অনুমান কৰক ২৭ হেজাৰ টকাৰ ৰাস্তাৰ কামটো তেওঁ মাত্ৰ দুহেজাৰ পাচ শ টকাত এজনক কৰিবলৈ দিলে- গতিকে কাম কি হব সহজেই অনুমেয় আৰু দুৰ্নীতি কেনে হৈছে অনুমান কৰক বাঢ়িছেনে কমিছে? উপাধ্যক্ষ মহোদয়, কাম যদি এনেকৈয়ে হয় তেন্তে আজি ১৬ কোটি টকা টেক্স দিছো কিন্তু ১০০ কোটি টকা টেক্স দিলেও ৰাস্তা ঘাট একেদৰেই থাকিব। এনে ধৰণৰ দুৰ্নীতিবোৰ বিভাগৰ পৰা আঁতৰ কৰিবলৈ বিভাগীয় মন্ত্ৰীয়ে আজি সদনত প্ৰতিশ্ৰুতি দিব লাগে। ইয়াৰ আগতে এই বিভাগৰ বিষয়া সকলক পষ্টিং কৰোতে টকা দিয়া হয় বুলি বা টকা লোৱা হয় বুলি চিৰন্তন অভিযোগ আছিলে কিন্তু এতিয়া তেনে অভিযোগ এই মন্ত্ৰী জনাৰ দিনত শুনিবলৈ পোৱা নাই। আজি বিভাগবোৰত দুৰ্নীতি ভৰ্তি হৈ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যাতে (সময় সংকেত) মোৰ সমষ্টিৰ চোনাই-চাইধৰীয়া-তেলিয়া গড়া জান আৰু নগাওঁ-জুৰীয়া ৰাস্তা দুটা ব্লেক টপিং কৰি দিয়াৰ ব্যৱস্থা কৰে। এই খিনি কাম এই বছৰ

কৰিলে ভাল হয় নহলে তেখেতৰ কাৰ্য্যকালৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো। এই ৰাষ্টা কেইটাৰ কথা মই ইয়াৰ আগতেও তেখেতক কেবাবাৰো কৈছো। আৰু এটা ৰাষ্টা আছে সেইটো হৈছে কালচান টুদিৰ পৰা চোনাই পাৰলৈ— এই ৰাষ্টাৰে আমাৰ মাইনৰিটি মানুহখিনি অহা যোৱা কৰে। এই ৰাষ্টাৰ ওপৰত এখন ৰেলৱে ক্ৰচিং আধৰুৱা হৈ আছে— মন্ত্ৰী মহোদয়ে এইখিনি সম্পূৰ্ণ কৰিব বুলি আশা ৰাখিলো। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅমৃত লাল বসুমতাৰী :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই মঞ্জুৰীৰ ওপৰত আলোচনা আজি কোনখিনিৰ পৰা আৰম্ভ কৰিম সেইটোকে ঠিক কৰিব পৰা নাই। কোকৰাঝাৰ জিলাত ৰাষ্টা বুলিবলৈ নায়েই কেৱল নেচনেল হাই-ৱেটো আৰু সোপানগুৰি-বিলাসীপাৰা বোৰ্ডাৰ ৰোড এই দুটাইহে ৰাষ্টা। ইয়াৰ বাদে আৰু ৰাষ্টা কোকৰাঝাৰ জিলাত নাই বুলিয়েই কব লাগিব। এই জিলাৰ মানুহখিনিয়ে কি ধৰণে বসবাস কৰিছে ভাবিলে দুখ লাগে। মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছিল যে কোকৰাঝাৰ গড়কাপ্তানী চাৰ ডিভিজনত ৩৩ খন আৰু বঙাইগাওঁ গড়কাপ্তানি চাব ডিভিজনত ২৫ খন দলং আন্দোলনৰ কালছোৱাত জ্বলাই দিয়া হৈছে। কচুগাওঁৰ কথাটো মন্ত্ৰী মহোদয়ে উল্লেখ কৰা নাছিল যদিও তাতো ২০-৩০ খনমান দলং জ্বলাই দিয়া হৈছে বুলি জনা গৈছে। সৰ্বমুঠ প্ৰায় ১০০ খনমান দলং এই জিলাখনত জ্বলাই দিয়া হৈছে। বাৰিষাৰ আগে আগে যদি এই দলংবোৰ মেৰামতি বা পুনৰ নিৰ্মাণ কৰা নহয় তেন্তে জনসাধাৰণৰ অশেষ দুখ কষ্ট হব। এই জিলাখনত গড়কাপ্তানী বিভাগৰ কাম কাজ মুঠেও সন্তোষজনক নহয় বুলি বাৰে বাৰে আমি অভিযোগ আনিছো। অসম গণ পৰিষদ দল ক্ষমতালৈ অহাৰ পিচত কোকৰাঝাৰত এখন ডাঙৰ মিটিং কৰি প্ৰস্তাৱ লোৱা হৈছিল। ৰাষ্টা ঘাট উন্নতিকৰণৰ কাৰণে, নতুন ৰাষ্টা লোৱাৰ কাৰণে, হাইৱে কৰাৰ কাৰণে, বিভিন্ন নেতাই আশ্বাসো দিছিল কিন্তু আজিলৈকে এটাও ৰাষ্টা নহল আৰু হবনে নাই সেইটোও নাজানো। উপাধ্যক্ষ মহোদয়, মই জনাত যিবোৰ ৰাষ্টা বৰ্ত্তমান তাত আছে সেইবোৰৰ উন্নতিকৰণ কৰাৰ ব্যৱস্থা প্ৰচলিত আছে আৰু তাৰ কাৰণে টকাও দিয়া হয় কিন্তু কোকৰাঝাৰ জিলাত ৰাষ্টাৰ বিশেষ ইমপ্ৰোভমেণ্ট হোৱা নাই। বিলাসীপাৰা-চাৰফাংগুৰি

* Speech not corrected.

ৰাষ্টাটো বোর্ডৰ বিভাগে কৰিছে-ইয়াৰ পশ্চিম যিবোৰ ৰাষ্টা আছে সেইবোৰ ৰাজ্য চৰকাৰে লব লাগে নহলে এন, ই, চি কৰিব পাৰে নেকি ৰাজ্য চৰকাৰে তেওঁলোকৰ লগত যোগাযোগ কৰি ব্যৱস্থা লব লাগে। কাৰণ এই ৰাষ্টা কেইটাও বোর্ডাৰতে পৰে-এই ৰাষ্টা কেইটা হৈছে-কচুগাওঁ চৰাইবিল, চাপৰগ্ৰাম-কচুগাওঁ, চাপত গ্ৰাম-দতমা, গোসাইগাওঁ-ৰায়মনা। বহুদিনৰ আগতে গড়কাপ্তানি বিভাগে কচুগাওঁ-কৰাইচাৰি ৰাষ্টাটো লৈছিল কিন্তু আজিলৈকে ৰাষ্টাটো হৈ নুঠিল। এই অটাইবোৰ ৰাষ্টা মোৰ সমষ্টিৰ নহয়, কিন্তু গোটেই অঞ্চলটোৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই ৰাষ্টা কেইটা চৰকাৰে লোৱাৰ কথা কোৱা হৈছে। এফ. ডি. আৰ আৰু এনুৱেল ৰিপেয়াৰিঙৰ টকাবোৰ ক'ত খৰচ হয় কব পৰা নাই। মেৰামতিৰ কাৰণে দিয়া টকাবোৰ কলৈ যায় কব পৰা নাই। আমাৰ জিলা খনত কিন্তু ৰাষ্টাবোৰ একেদৰেই আছে, কোনো মেৰামতি হোৱা নাই। টকা গৈছে যদিও সি ভালভাবে প্ৰয়োগ কৰা হোৱা নাই। ভালদৰে ব্যৱহাৰ কৰা হোৱা নাই। আমাৰ তাত এনে কিছু দলং আছে যে সি ৰাষ্টাৰ পৰা বহুত ওপৰত। বাৰিষা গোটেই ৰাষ্টাটো পানীৰ তলত থাকে কেৱল দলংখনহে ওলাই থাকে, ৰাষ্টাবোৰ ওখ কৰাৰ কাৰণে বাৰে বাৰে বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ কৰা স্বত্তেও ই হৈ উঠা নাই। টি, এচ, পিৰ পৰাও টকা আহে এনে কৰাৰ কাৰণে কিন্তু ক'ত খৰচ হয় কব নোৱাৰি। আমাৰ জিলাখনৰ প্ৰতি গড়কাপ্তানি বিভাগে বিশেষকৈ মন্ত্ৰী মহোদয়ে কিছু নজৰ দিব বুলি অনুৰোধ কৰিলো। যাতে যোৱা টকাখিনি যি উদ্দেশ্যত যায় তাতেই খৰচ হয়।

চাৰ, আন্দোলনটো আৰম্ভ হোৱাৰ লগে লগে বহুবিলাক ইঞ্জিনিয়াৰে বহুত ধৰণেৰে সুবিধা লৈছে। আন্দোলন আৰম্ভ হোৱাৰ কেইমাহ মানৰ পিছত 'চিফ'ৰ পৰা এখন চাৰ্কোলাৰ গল যে, কোনো ৰাজপত্ৰিত বিষয়াই বিনা 'চিকিউৰিটি'ত যাব নোৱাৰিব। এইটো বেলেগ ধৰণেৰে 'ইউটিলাইজ' কৰিলে। কোনো জেগাতে নগ'ল। 'চিকিউৰিটিও' বিছাৰিব লগীয়া নহব। এইবিলাক সম্পৰ্কে কোনো তদন্ত হোৱা নাই। কিন্তু এই সময় চোৱাত খালি বিল আৰু বিল। এইটো অনুসন্ধান কৰি চালে বুজি পাব। কোনো ৰাস্তা নহল। কিন্তু কাম হৈছে বুলি টকাৰ বিল হলে ললে। ট্ৰেইনত লগ পাই এজনক সোধাত কলে যে, আমাৰ ইঞ্জিনিয়াৰ ৰিটায়াৰ হব। গতিকেই এই বিল। যদি সেইটোৱেই হয় তেতিয়াহলে, বৰ দুখৰ কথা হৈছে। জনজাতি অধ্যুষিত অঞ্চল হিচাবে ট্ৰাইবেল অফিচাৰ দিছে। কিন্তু দুজন দিলে দুয়োজনেই 'ৰিটায়াৰ' কৰিলে। এতিয়া যিজন দিব তেখেতেও সোন-

*Speech not corrected.

কালেই ৰিটায়াৰ হোৱাৰ পথত। এইবিলাক কথা হৈ থাকিলে এটা 'ডিভিজনে চাফাৰ' কৰে। জনজাতি অধ্যুষিত অঞ্চল হিচাবে জনজাতীয় অফিচাৰ দিলে ভাল হয়। 'ৰিটায়াৰ' নহলে ভাল কাম নহলহেঁতেন। কিছুমান আধৰুৱা কামো আছে। অন্ততঃ সেই কামবিলাক হলহেঁতেন। দোতমা ৰাস্তাত পৰা এখন দলং হৈ আছে। এই দলংখন শেষ কৰিব লাগে। ইয়াৰ বহিৰেও আৰু এখন দলঙত মাননীয় মন্ত্ৰী মহোদয়ে জানে, ৬ লাখ টকা বণ্টন কৰা হল কিন্তু আজিলৈকে তাৰ কাৰণে 'টেণ্ডাৰ কল' কৰা নহল। বিশেষ এটা ৰোলিং পাৰ্টিৰ দিনতো কিছু ৰাস্তাৰ কাম হৈ আছিল কিন্তু সেইদৰেই আছে। এইদৰে কৰি থাকিলে বা আধৰুৱা হৈ থাকিলে ৰাস্তা বিলাক আৰু বেয়াহে হয়। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে অনুৰোধ কৰিছো যেন এইবিলাক কামৰ কিবা এটা হব। যিবিলাক ঠাইত আন্দোলন চলি আছে, যত পোৰা দলং বিলাক মেৰামতি বা নিৰ্মাণ কৰাৰ কাৰণে 'স্পেচিয়েল এলকেশ্বন' দিয়া আছে সেই বিলাকত কাম বিলাক অগ্ৰাধিকাৰ ভিত্তিত কৰাৰ কাৰণে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মাননীয় চেয়াৰমেন মহোদয়, যিবিলাক বছেৰেকীয়া এলকেশ্বন হৈছে সেইবিলাক যাতে ভালদৰে ব্যৱহাৰ হয় তাকে কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীগণেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, 'আৰ এণ্ড বি' শিতানত যি কাট মোচন উত্থাপন কৰা হৈছে তাৰ সমৰ্থনত মই কেইআষাৰমান কথা কব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী ৰাস্তাৰ সলনি 'স্পীডবেকাৰ ৰোড নাম দিলেহে ভাল হব নেকি ? অন্য প্ৰকাৰে গড়কাপ্তানী পথৰ সলনি গতিৰোধক পথ কোৱাটো বেছি সমীচিন। গোটেই অসমতে ৰাস্তা ঘাট আৰু দলঙৰ অৱস্থা এনেকুৱাই।

মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা হাজো গুৱাহাটী এই ৰাষ্টাটো অতি গুৰুত্বপূৰ্ণ ৰাষ্টা। এই ৰাষ্টাইদি নামনি অসমৰ প্ৰায়বিলাক গাড়ী ঘোড়াই অহা-যোৱা বা যাতায়াত কৰিবলগীয়া হয়। কিন্তু এই ৰাষ্টাটো আজিলৈকে উন্নয়ণৰ কোনো ব্যৱস্থা নহল। নলবাৰী হাজো গুৱাহাটী ৰাষ্টাটো তদ্ৰুপ অৱস্থা। এনে এটা ধাৰণা হৈছে যে, গড়কাপ্তানী ৰাষ্টা হলেই যেন গতিৰোধক থাকিবই। অসমৰ গড়কাপ্তানী ৰাষ্টাবিলাকত এক কিলোমিটাৰ গলেই যিমান গতিৰোধক পোৱা যায় সেইটো সঁচাকৈয়ে বৰ দুখ লগা ধৰণৰ। বৰপেটা জেলাৰ যিটো ৰষ্টা সেই ৰাষ্টাটো অতি গুৰুত্বপূৰ্ণ ৰাষ্টা। এই ৰাষ্টাত যিমানবিলাক গতিৰোধক আছে

সেইবিলাকৰ কাৰণে ৰাস্তাত যাবই নোৱৰা অৱস্থা। তাৰ বাহিৰেও যিবিলাক দলং আছে সেই দলঙৰ ওপৰত যেতিয়া গাড়ী উঠে তেতিয়া শৰীৰত আৰু জীৱ নাথাকে। জীৱ উৰি যায়। এইটো অকল এঠাইৰ কথাকে মই কোৱা নাই, সমগ্ৰ অসমৰ ৰাস্তা তেনেকুৱাই। এনেবিলাক অথন্তৰৰ পৰা অসমৰ ৰাইজ কেতিয়া মুক্ত হব ?

মাননীয় উপাধ্যক্ষ মহোদয়, কিছুমান ঠাইত এনেকুৱাও আছে যে, থাকিবলগীয়া ঠাইত এখন দলঙো নাই। শদিয়াৰ লগত অৰুণাচলৰ ফালৰপৰা যিমান যোগাযোগৰ ব্যৱস্থা আছে, অসমৰ ফালৰপৰা সিমান নাই। জোনাই চাব্ ডিভিজনতো থিক সেই একেই অৱস্থা।

উপাধ্যক মহোদয়, জোনাইৰ পৰা অসমলৈ অহাৰ যাতায়তৰ সুবিধা নাই কিন্তু অৰুণাচললৈ যোৱাৰ সুন্দৰ সুবিধা আছে। আজি জোনাইক অৰুণাচলে নিজৰ ৰাজ্যৰ লগত সামৰি লয় তেতিয়া আমি ইয়াক কি বুলি দাবী কৰিম ? অসমৰ অঞ্চলকে নিজৰ বুলি দাবী কৰা আমাৰ অসম্ভৱ হৈ পৰিছে। সেয়ে মন্ত্ৰী মহোদয়ে এই কথাবিলাক নিশ্চয় চিন্তা কৰিব। কোকৰাঝাৰৰ কথা কওঁ এই ক্ষেত্ৰত অকনমান আগতে বসুমতাৰী ডাঙৰীয়াই কৈ গৈছে যে কোকৰাঝাৰত ৰাস্তা নাই। সেইটো সঁচা। বাহিৰৰ ৰাজ্য বা জিলা বিলাকৰ ঘন ঘন মকৰা জালৰ নিচিনা ৰাস্তা বিলাক দেখিলে আমাৰ দুখ লাগে, কাৰণ আমি ঘৰলৈ গলেও ৫ মাইল ৰাছত গৈ ১৫ মাইল খোজ কাঢ়ি যাব লাগে। সেই ৰাস্তাবিলাক আজিও পকী কৰা হোৱা নাই। সকলোবোৰ গ্ৰেভেল ৰোড। তাৰোপৰি ৰাস্তাবিলাক এনেকৈ দাবী গৈছে যে বৰষুণ হলে পানী দুই কাষে বাগৰি নগৈ ৰাস্তাৰ মাজেদি নদীৰ নিচিনাকৈ বৈ যায় আৰু তাত মাছৰ উজান উঠে। তাৰোপৰি দলংবিলাকৰ কথা কবই নালাগে। এতিয়া অৱশ্যে জলাই দিছে কিন্তু জলাই দিয়াৰ আগতে কি কৰিছিল। তেতিয়াও দলংবোৰ সেই জৰাজীৰ্ণ অৱস্থাতে আছিল। সেয়ে কোকৰাঝাৰৰ মানুহৰ মনত এনে এটা অৱস্থা হৈছে যে যেতিয়া ইপাৰে হয়তো বিদ্ৰোহ কৰিব পাৰে। সেয়ে কৈছো এই ৰাস্তা-ঘাটবিলাক উন্নত কৰিব লাগে। মই মন্ত্ৰী মহোদয়ক বহুবাৰ কৈছো যে মোৰ সমষ্টিত এক কিঃ মিঃ ৰাস্তাও ব্লেক টপিং হোৱা নাই। মই কেইটামান ৰাস্তাৰ কথা কৈছিলো যেনে বিজনীৰ পৰা কুকলুঙ্গ ফৰেষ্ট ৰেঞ্জ অফিচলৈ এই ৰাস্তা উন্নত কৰিব লাগে। এই ৰাস্তাৰ অৱস্থাৰ কাৰণে তাত ৬ মাহ পথ বন্ধ হৈ থাকে। মই সেইটোৰ কথা

বাৰে বাৰে কৈছিলো। অৱশ্যে মন্ত্ৰী মহোদয়ে আশ্বাস দিছে। বিশেষকৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পাতিলাদহাৰ পৰা পানবাৰীলৈ যোৱা ১০ কিঃ মিঃ ৰাষ্টাৰ ৫ কিঃ মিঃ ব্লেক টপিং কৰা হৈছে। বাকীখিনিৰ অবস্থা এতিয়াও তুখলগা হৈয়ে আছে। মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যদিও এতিয়াও কাৰ্যকৰী হৈ উঠা নাই। মই আশা কৰিছো এইবছৰ যাতে এইটো সম্পুৰ্ণ কৰি দিয়ে। এইটে অৱাশ্য কোকৰাঝাৰত আশান্ত অঞ্চল কাৰণে কাম কৰা অসম্ভৱ বুলি কব পাৰে। কিন্তু মই আগতেও কৈছো এতিয়াও কওঁ এই ৰাষ্টাটো আন্দোলন বা অশান্ত অঞ্চলৰ পৰা সম্পুৰ্ণ মূক্ত। এইখিনিতে এটা কথা কওঁ উক্ত ৰাষ্টা মোৰ ঘৰলৈকে যোৱা ৰাষ্টাই সম্পূৰ্ণ বিপদমুক্ত। তাত এখন কাঠৰ দলং আছিল। সেইখন জ্বলাই দিয়া হৈছে। সেয়ে মোৰ ঘৰলৈ যোৱাৰ অসুবিধা। ৭ কিঃ মিঃ ৰাষ্টা খোজ কাঢ়ি যাব লাগে। বুঢ়ী সুতিৰ যিখন দলংৰ পৰা যিটো ৰাষ্টাৰ কথা কৈছো পানবাৰীলৈ যোৱা ৰাষ্টা সেইটোত মন্ত্ৰী মহোদয়ে অলপ নজৰ দিয়ে যেন। তুলানি দলংৰ কাৰণে ইতিমধ্যে টকা চেংশ্যন হৈছে টেণ্ডাৰ চেটেলমেণ্ট হৈছে, কিন্তু কাম আৰম্ভ কৰা হোৱা নাই। হয়তো ঠিকাদাৰে অশান্ত অঞ্চল বুলি কৈ কাম আৰম্ভ কৰা নাই। কিন্তু মই আজি কওঁ বিজনী টাউনৰ পৰা এই অঞ্চলটোত অশান্তি নাই গতিকে দলঙৰ কাম আৰম্ভ কৰাত বাধা থাকিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, আমি গড়কাপ্তানীৰ নামত বছৰি টকা অনুমোদন কৰি আছো। কিন্তু সেইদৰে কাম হোৱা পৰিলক্ষিত হোৱা নাই। অকল মোৰ ঠাইতে নহয় কোনো ঠাইতে কাম হোৱা নাই। কাৰণ বিৰোধী পক্ষৰ সদস্যসকলে কোৱাৰ উপৰিও আজি চৰকাৰী পক্ষৰ সদস্য সকলেও কাম হোৱা নাই বুলি কৈছে। তেনেহলে প্ৰত্যেক বছৰে যি টকা দিয়া হৈছে সেয়া কেনেকৈ খৰছ হৈছে সেইটো সেয়ে টকাৰ সদব্যৱহাৰ হোৱাটো মন্ত্ৰী মহোদয়ে চাব লাগে সেইটো অনুৰোধ কৰিলো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰনী মাৰিলো।

*শ্ৰীরামেন্দ্র দে : উপাধ্যক্ষ মহোদয়, আমি কর্তন প্রস্তাবের পক্ষে বলছি I raise the matter for discussion only. আমরা যদি আসাম রাজ্যের পুরোপুরি হিসাব করি তা হলে আমরা দেখব যে আসাম রাজ্যে ২৬৭৭২ কিঃমিঃ

---

★ Speech not corrected

রাস্তা আছে। তান্মধ্যে ন্যাশনেল হাইওয়ে ২০০১ কি:মি:, স্টেট হাইওয়ে ২০২৩ কি:মি:, পি, ডব্লিউ, ডি রোড ২২৭৪৮ কি:মি:। সর্বমোট ২৬৭৭২ কি.মি; রাস্তার মধ্যে ১৯৮৭ ইংতে মাত্র ৮ হাজার কি:মি: রাস্তা যানবাহনের উপযোগী ছিল। ১৯৮৮ ইংতে মাত্র ৬ হাজার কি:মি: রাস্তা যানবাহনের উপযোগী ছিল। অর্থাৎ ১৯৮৭ ইংতে যতটুকু রাস্তা যানবাহন চলাচল করার উপযোগী ছিল ১৯৮৮/৮৯ ইংৰাজীতে তা কমে গেছে। ফলে আমি মনে করি যে এই বাজেট যে টাকার অংক ধরা হয়েছে তা রাজ্যের রাস্তাগুলির অবস্থার পরিপ্রেক্ষিতে বাড়িয়ে দেওয়া উচিত ছিল। কারণ রাজ্যে শিল্পায়ণের ক্ষেত্রেই হউক বা রাজ্যের নিরাপত্তার ক্ষেত্রেই হউক, যোগাযোগের ব্যবস্থার উন্নতি না হ'লে কিছুই হবে না। গতিকে বন্যার জন্য বা অন্যান্য কারণে যে রাস্তাঘাট ধ্বংস হয়েছে তার সংস্কারের জন্য প্রয়োজনীয় ধন মঞ্জুরী দেওয়া উচিত। মহোদয়, কাছার ও করিমগঞ্জের কথা মাননীয় সদস্য রাগিবি সাহেব উল্লেখ করেছেন। উনি আজকাল প্রায়েই ঐ এলেকার কথা বলেন। এটা সত্য কথা যে অনেকবারই আসামের পি. ডব্লিউ, ডি মন্ত্রী কাছার থেকে হয়েছেন। কিন্তু কাছার করিমগঞ্জের রাস্তাঘাটের কোনও উন্নতি হয়নি। এরা মন্ত্রীত্ব করেন নি। এরা তহছিলদারের কাজ করেছেন। য়ারা যতদিন মন্ত্রী ছিলেন ততদিন তারা আদান-প্রদানে ব্যস্ত ছিলেন। যাইহোক, কাছাড় করিমগঞ্জের যোগাযোগের ব্যবস্থা বিশ্লেষণ করলে দেখা যায় কাছাড়ে সার্ফেস রোড রয়েছে ২৭০ কি.মি:, গ্রেভেল রোড ৮৯৬ কি:মি:, কাঁচা রাস্তা ১০৩ কি:মি:, গ্রেভেলড্ এণ্ড আর্থেনড্ অর্থাৎ কাঁছা রাস্তা মিলিয়ে ১৯৯ কি:মি:। আরু করিমগঞ্জে স্টেট হাইওয়াই রাস্তা এছে ১১ কি:মি:, পি, ডব্লিউ, ডি রোড ৬১১ কি:মি:, সর্বমোট ৬২২ কি:মি:। আনুপাতিক হিসাবে মাথা পিছু হিসাবে বা ডিভিজন হিসাবে হিসাব বলে দেখা যায় আসাম রাজ্যের অন্যান্য অঞ্চলের তুলনায় কাছার করিমগঞ্জ অর্থাৎ বরাকভেলীর রাস্তাঘাট উন্নতির বা সংস্কারের কাজ অনেক কম হয়েছে। উপাধ্যক্ষ মহোদয়, সত্য কথা বলতে গেলে দীর্ঘদিন যাবৎ ১৯৬০-৬১ ইং থেকে আমরা লক্ষ্য করেছি যে বরাক উপত্যকার উন্নয়নের ব্যাপারে আসাম রাজ্যের সরকারের একটা বিরূপ মনোভাব, বঞ্চনা করার একটা চিন্তাধারা দীর্ঘদিন ধরে তারা পোষণ করে আসছেন। আজ এ, জি, পি সরকারও তাই করছেন। অন্যদিকে হিসাব করলে দেখব—Surface road, Gravel road ধুবরীর হিসাব করুন, আরু নগাওঁ জেলারই হিসাব করুণ- সার্ফেস রোড, ন্যাশনেল হাইওয়ের লেংথ অনেকবেশী। কাছাড় করিমগঞ্জে অনেক কম। আমি আশা করব যে সরকার একটু নজর দেবেন যাতে

বরাক ভেলীর মানুষের মনে যে বঞ্চিত হওয়ার বা তাদের প্রতি বৈষম্যমূলক আচরন করা হচ্ছে বলে যে একটা মনোভাব গড়ে উঠেছে সে দিকে সরকার একটু নজর দেবেন।

উপাধ্যক্ষ মহোদয়, আমি আমার মূল প্রশ্নে আসছি। আমি কোনও জেলা সম্বন্ধে এবারে বলবনা। আমি বলতে চাই যে ১৮৯৬ ইংতে লামডিং-বদরপুর রেললাইন স্থাপিত্ত হয়। ১৯০৯ ইংতে ঐ লাইনে প্রথম রেলগাড়ী চলে। গত বর্ষায় ১৩৫৬ টি রেলগাড়ীর মধ্যে ঐ লাইনে মাত্র ৯৫৬ টি রেলগাড়ী চলে। আর জোয়াই বদরপুর রোড ৪ মাস বন্ধ ছিল। অথচ ঐ দুটি রাস্তা দিয়ে কেবল বরাক ভেলীতে নয় উত্তর-পূর্বাঞ্চলের কয়েকটি রাজ্যে নিত্য প্রয়োজনীয় জিনিষ-পত্র চলাচল করে। আজ বরাক উপত্যকার সঙ্গে আসামের যোগাযোগ ব্যবস্থা নয়, ভারতবর্ষের যোগাযোগ ব্যবস্থা রাখতে রাজ্য সরকারের প্রচেষ্টা নেওয়া উচিত। কেবল বরাক উপত্যকায়ই নয় এর সঙ্গে মিজোরাম, মণিপুর, ত্রিপুরা এগুলি রাজ্যের সঙ্গেও দেশের সংযোগকারী একমাত্র সড়ক পথ জোয়াই বদরপুর রোড সংস্কারের ব্যাপারে রাজ্য সরকারের যে ভূমিকা পালন করা উচিত ছিল সেই ভুমিকা পালন করার জন্য আমি অনুরোধ করছি।

মহোদয়, এটা কথা বলেই আমি শেষ করছি। সেটা হলো ১৯৬০ ইং থেকে আমরা হিসাব করলে দেখতে পাই যে ১৯৮৫-৮৬ ইং পর্য্যন্ত এই বিভাগের অনুদানের অংক ঠিকই ছিল। কিন্তু ১৯৮৭ ইং থেকে বরাকভেলীতে এই বিভাগের অনুদানের ক্ষেত্রে কিছুতা বৈষম্যমূলক মনোভাব লক্ষ্য করা গেছে। আমি শুধু একথা বলতে চাই যে এরকম মনোভাব পরিহার করে ভারতবর্ষের একটা অঞ্চল হিসাবে বিবেচনা করে ঐ অঞ্চলের যোগাযোগ ব্যবস্থার উন্নতি সাধন করা প্রয়োজন। মহোদয়, রাগিবি সাহেব বলেছেন সব অফিসারদের দোষ। আর আমরা একেবারে নিষ্পাপ। মহোদয়, তার প্রমাণটো এই সদনেই আছে। সব অফিসার খারাপ নয়। এদের মধ্যে যথেষ্ট ভাল অফিসার আছে। তবে অফিসাররা যদি দুর্নীতি করে তাদের বিরুদ্ধে ব্যবস্থা নেওয়া হয় না কেন? বরখাষ্ট করা হয় না কেন?

(সময় সংকেত)

অথচ দুর্নীতির দায়ে মন্ত্রীকে বরখাস্ত করা হয়েছে। সে জন্যই বলছি যে এর প্রমাণটো সদনেই আছে। সব ব্যাপারে কেবল এক তরফা অফিসারদের ঘাড়ে দোষ চাপিয়ে দিলে হবে না। দোষী অফিসার নিশ্চয়ই শাস্তি পাবে। সঙ্গে সঙ্গে আমরা কি করছি সেই আত্ম সমালোচনা করার প্রয়োজনীয়তাও নিশ্চয়ই আছে।

Mr. Deputy Speaker : Now Shri B. K. Basumatari. You are given three minutes.

Shri Binai Khungur Basumatari : No Sir, I will request you to give memore time. This is a department which embranes all of us and within three minutes I will not be able to do justice. You will observe that my cut motion is on policy and I want to point out a few things. For National Highways rupees 8 crores 44 lakhs are provided and if you go to page 110 you will find that out of this eight crores 44 lakhs for National Highways rupees 3 crores 28 lakhs are for salaries. Sir, what does it mean ? This means that this department is not organised properly. More than 33% is used for salaries only, on establishment only. How can you do justice to the National Highways that are falling within the State ? This allocation is wrong, the entire allocation is wrong. If you go to page 109 for strategic and border roads only rupees twentyfore lakhs and fourty lakhs are provided for Sixth Schedule areas. What is the topography of Assam and its geographical position ? Is this twentyfour lakhs enough ? Sir, you know the Rajapukhuri incident. How do you tackle the problems on the border areas; of Assam if you do not have enough allacation for the border areas ? Then Sir, the policy is wrong. Then, for State Highways rupees twentyfive crores are provided and if you go and study the details, even here the expenses on establishment side is very high. Then the primary importance that his Government should give is at page 115 where allocation for construction of Indo-Bangladesh border road is provided. There the total allocation for the implementation of Assam Accord-Indo Bangladesh Border Roads is rupees seven crores out of which rupees six crores thirtyseven lakhs are provided for construction of border roads along side Assam Bangladesh border. Now Sir, this Government has come to power basing on anti foreigners

agitation and this border areas are one of prime importance for the Government and this is for the first time they have provided rupees six crores thirty seven lakhs which is provided by the Central Government, But this Government should take this House into confidence ; we want to know how this border roads will be constructed ? We are told, with this money fence will be constructed. Now whether it is only fence or alongside the fence there will be road also ? we as citizens of the State want to know. So I hope the Minister will come forward in his reply with detailed explanation of the scheme. Then if you come to page 119 you will see under Machinery and Equipment new supplies rupees forty three lakhs and repairs and carriage rupees fiftythree lakhs. So, it implies Sir that the machineries with the department are not taken care of properly and that amount to wastage. Then Sir, out of total allocation of rupees 116 crores for Tribal Sub Plan only rupees two crores and five lakhs have been provided. If we the Tribals are 10% of the population out of this 116 crores we should have atleast rupees 11 crores under the Tribal Sub Plan allocation,

Sir, these are the reasons why the tribal people are not happy. If you go to our areas you will find that there is no development in this respect. Sir, my predecessors have mentioned about the situation in Kokrajhar areas. But what about the position of my own Subdivision Udalguri. There is only one blacktopped road and that also is still to be completed. Sir, you will be surprised to know that not a single blacktopped road is there in my own Subdivision. The condition of the roads and bridges in Udalguri Subdivision is very, bad. Sir, out of existing 12 P. W. D. roads in my Subdivision, only 6 (six) roads have been kept open in the last year and in this year only one road has been kept open. Therefore,

Sir, I have pointed out that sufficient allocation has not been made for the construction of roads and bridges in my own Sub-division. Sir, some of the Honourable Members have also pointed out that our Honourable Minister, P. W. D is not personally involved in corruption. But what about the departmental officials ? Whether the officers are free from corruption ? No Sir, they are very much involved in corruption. in this connection I would like to reffer to page 109. Here in this page uuder Deduct-recovery, there is a total allocation of more than Rs. 8 crores 52 lakhs. Sir. I do not understand how it can be more than 8 crores under this 'Deduct recovery' head Sir wherefrom this recovery will be made ? Will it be recovered from the people to whom payment has already been made ? Or it will be recovered from both the sides. Unfortuntely I could not understand whether this recovery is from other parties ? If it is to be recovered from other parties, the Government have made mistakes in making overpayment to parties. So, Sir it is to be enquired first as to how the Government had to make the overpayment. Therefore, Sir, it is not enough that Minister is not personally involved in the corruption. What about his orders ? With these words, Sir, I would like to submit that the policy of the Government should be changed. The existing policy of the Government with regard to the development of roads and bridges in our areas is to be changed. Once again I would like to request the Honourable Minister to look into these matters-very seriously.

*Shri Aminul Islam : Mr. Deputy, Speaker, Sir, in support of my out-motion, I would like to raise the same single demand which I have been raising time and again from the beginning of this session. As a matter of fact, sir,

★Speech not corrected

I have been raising this demand from the first session of this Assembly after I became a member of this House. Sir, Mankacher uuder South Salmara Sub-division has been ignored for the development of road communication in the State. Sir, it is situated in the remotest areas of the State but this area is completely cut of from the rest of Assam as we do not have any road communication with the headquarters of the State, At present this area is linked up with the rest of the State because of a road communication through the State of Meghalaya. Our people are now running through the State of Meghalaya. Sir, we have been crying for the construction of a road link to Mankachar and South Salmara through the State of Assam. We have repeatedly urging upon the Government. for the construction of a road from Mankachar to Goalpara. Sir, since independence our pepole are demanding for the same but it has not yet come into reality. Inspite of the fact that this area is a most backward area and has no road communication with the rest of the State, no steps have been made by the Government for the construction of a road link with this area. It is an admitted fact that this area is situated in an international border areas. Sir, from this point of view this area is strategically very important and development of road communication cannot be ignored in this way. For the development of its agricultural economy, both Mankachar and South Salmara deserve special attention of the Government, without proper road communication, its agricultural economy will be greatly hampered. Sir, our economy flourishing due to lack of communication facilites. The Government is ignoring the legitimate demands of the

area from long past. But the Government can't ignore the strategic importance of the area. Sir, leaders of the present Government were the leaders of the Assam Agitation and their main demand at the time of the movement was to construct the border roads and connect all the remotest areas of the with the State Headquarters. Therefore, sir, I want a categorical reply from the Honourable Minister, P. W. D. who is know to be very realistic, as to what has happened about their main demand for the construction of borders roads and to connect the remotest areas of the State with the State Headquarters ? I want to know whether South Salmara aud Mankachar areas are within the map of the State of Assam. If the reply is affirmative then the Honorable Minister must assure in this House that he is going to sanction a bridge to be constructed nearby with the sole intention to give a direct communication link. Sir, I have written innumarable letters to the departmental autherities, to the Honourable Minister P. W, D. and even to the Honourable Chief Minister. I have also drawn the personal attention of the Honourable Minister P. W. D. on numerous accasions. On sevaral accasions, I had brought to the notice of the Honourable Minister the need of a road and bridge there. I cannot accuse the departmental officers because I know the departmental officers had already correborated and substantiated the urgency of the demand of our people. Sir, the Honourable Chief Minister, during his last two visits to that area, felt the need of a direct road and hence, he had issued directive to the department to submit a report on that. That report had been prepared and submitted but I am sorry to say

that report is now lying in the Chife Ministers Secratariat.

Mr. Deputy Speaker Sir, I finally want to request the Minister in charge of P. W, D to have a pragmatic approach towares the legitimacy of our demand and I think also the Minister would consider the demand of the people of the remotest corner of the State which is also strategically important: With these few words, I conclude Sir.

Mr. Deputy Speaker: Now Shri Mahendra Mohan Rai Choudhury.

*শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী :— মাননীয় উপাধ্যক্ষ মহোদয়, অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে ১৯৮৯-৯০ চনৰ কাৰণে ১১৬,২৫,৬৫,০০০ টকাৰ যিটো মঞ্জুৰী বিচাৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধি পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধিতা কৰিছো। অচলতে ৰাজ্যখনৰ উন্নতি নিৰ্ভৰ কৰে যাতায়তৰ ওপৰত। আমাৰ অসম চৰকাৰে বিগত বছৰ কেইটাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। গড়কাপ্তানী বিভাগে যি কেইটা আঁচনি গ্ৰহণ কৰিছে আমি তাক প্ৰশংসা নকৰি নোৱাৰো। বিশেষকৈ আমি এই বিভাগত কিছুমান নতুনত্ব কাম হোৱা দেখিবলৈ পাইছো। এই চৰকাৰৰ দিনতেই গুৱাহাটীত ফ্লাই ওভাৰ নিৰ্মাণ কৰা হ'ল। অতি সৌভাগ্যৰ কথা যে মঙ্গলদৈত বেলি ব্ৰীজ নিৰ্মাণ কৰা হ'ল আৰু সেইটো অতি গৌৰৱৰ বিষয়। এইখিনিতে এই বিভাগৰ সম্পৰ্কত মোৰ অলপ কব লগীয়া আছে। আৰু এই বিভাগৰ বিষয়া সকলৰ বিষয়েও কব লগীয়া আছে। এই বিষয়ে যদি মন্ত্ৰী মহোদয়ে দৃষ্টি দিয়ে বা বিভাগটোৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখে তেতিয়া হলে ভৱিষ্যতে এই বিভাগটোৱে গৌৰৱ কৰিব পাৰিব। কিছুমান বিভাগত আমি দেখিবলৈ পাইছো মেইনটেনেঞ্চৰ কাৰণে কম টকা ধৰা হয়। ইয়াত যিখিনি টকা ধৰা হৈছে এই গোটেইখিনি টকা অকল মেইনটেনেঞ্চৰ কাৰণেই যদি ধৰা হয় তথাপিও অসমত যিমান বিলাক ৰাস্তা বেয়া হৈ আছে সেই ৰাস্তা বিলাকৰ উন্নতি সাধন কৰিব পৰা নাযাব। গতিকে মেইনটেনেঞ্চৰ শিতানত বেচি টকা ধৰিব লাগিছিল। আমাৰ যিবিলাক ৰাস্তা-ঘাট বেয়া হৈ আছে সেই বিলাক মেৰামতি কৰাৰ কাৰণে বা ভাল কৰাৰ কাৰণে যদি অধিক টকা ধৰিলেহেতেন তেতিয়াহলে আমাৰ বেচি লাভ হ'লহেতেন। আজি ইয়াত উত্থাপন কৰিছে

*Speech not corrected:

কোকৰাঝাৰত অন্য শিতানতকৈ অধিক টকা লাগে। আমাৰ ৰাজ্যখনৰ প্ৰগতিৰ কাৰণে বা উন্নতি সাধন কৰাৰ কাৰণে এই শিতানত অধিক টকা ধৰিলে সহায় কৰিব পৰা যাব। সেয়েহে আমাৰ এই বিভাগে এনেকুৱা পৰামৰ্শ বিলাক মানি ললে আমাৰ কাৰণে সুবিধা হয়। আমাৰ এই বিভাগত ৰিজাৰ্ভ ফাণ্ড বুলি এটা ফাণ্ড আছে। এই ফাণ্ডৰ জৰিয়তে কেতিয়াবা পথ বিচ্ছিন্ন হলে বা কিবা জৰুৰী কাম থাকিলে কৰিব পৰা যায়। কিন্তু এই ৰিজাৰ্ভ ফাণ্ডটো যেনেধৰণে ব্যৱহাৰ কৰিব লাগে তেনেধৰণে ব্যৱস্থা কৰা নহয়। উদাহৰণ স্বৰূপে ৰিজাৰ্ভ ফাণ্ডৰ টকাটো কেইটামান ব্লেক টপিং কৰিবৰ কাৰণে ব্যৱহাৰ কৰা হ'ল। গতিকে এই ৰিজাৰ্ভ ফাণ্ডৰ টকাটো খৰচ কৰাৰ কাৰণে গড়কাপ্তানী বিভাগে সুক্ষ্ম দৃষ্টি ৰাখিব লাগিব। ১৯৮৭-৮৮ চনত দৰং জিলালৈ ২৮ লাখ টকা এই শিতানত গৈছিল। কিন্তু এই সমষ্টিতেই ১১ লাখ টকা দিয়া হৈছে আৰু বাকী ৪ টা সমষ্টিৰ কাৰণে ১৭ লাখ টকা দিয়া হৈছে। এই ৰিজাৰ্ভ ফাণ্ডৰ টকা নীতি মতে খৰচ কৰিব লাগে তাৰ পাচত ইমাৰজেঞ্চি ফাণ্ড বুলি এটা ফাণ্ড আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে দৃষ্টি ৰাখিব লাগে। ইমাৰজেঞ্চি কামৰ কাৰণেহে ইমাৰ-জেঞ্চি ফাণ্ডৰ টকা দিব লাগে। বানপানী বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত এই ফাণ্ডৰ টকা বিলাক ব্যৱহাৰ নকৰি যদি সৰু সুৰা ক্ষেত্ৰত এই ফাণ্ডৰ টকা বিলাক ব্যৱহাৰ কৰা হয় তেতিয়াহলে আমাৰ ৰাজ্য চৰকাৰৰ যি নীতি সেই নীতিটোৰ ক্ষেত্ৰত অলপ অসুবিধা হব। ইমাৰজেঞ্চি ফাণ্ডৰ টকাৰে ব্লেক টপিং কৰা হৈছে। ব্লেক টপিং কৰাৰ কাৰণে ইমাৰজেঞ্চি ফাণ্ডৰ টকা ৰখা হৈছিল নেকি? ইমাৰজেঞ্চি ফাণ্ডৰ টকা যদি ব্লেক টপিঙৰ কাৰণে ব্যৱহাৰ কৰা হয় তেতিয়াহলে আমাৰ কাৰণে অসুবিধা হয় বা যিবিলাক আচল যোগা-যোগৰ স্থল সেই বিলাক বিচ্ছিন্ন হয়। ইমাৰজেঞ্চি ফাণ্ডৰ টকা ইমাৰজেঞ্চি কামৰ কাৰণেহে ৰাখিব লাগে। কৰবাত দলং বিচ্ছিন্ন হৈ গৈছে, কৰবাত দলং জুই লগাই দিছে বা দলং জ্বলি গৈছে এই বিলাক ক্ষেত্ৰত পথ সংযোগ ৰক্ষা কৰাৰ ক্ষেত্ৰত এই টকা বিলাক ব্যৱহাৰ কৰিব লাগে বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত কিবা ইমাৰজেঞ্চি কাম থাকিলে সেইটোও কৰিব পাৰে। তাকে নকৰি যদি ৰাস্তা পকী কৰা হয়, ভেঞ্চাৰ স্কুলৰ ৰাস্তা পকী কৰা হয় তেতিয়াহলে সৎ ব্যৱহাৰ কৰা হৈছে বুলি কব নোৱাৰি। গতিকে এই ফাণ্ডৰ টকাটো ঠিকমতে খৰচ কৰাত গুৰুত্ব দিব লাগে। তাৰ পাচত মিচিং ফাণ্ড বুলি এটা ফাণ্ড আছে। এটা ৰাস্তা মিচিং হৈ গলে সেই ফাণ্ডৰ পৰা বনাব পৰা যায় বা মিচিং ব্ৰীজৰ ক্ষেত্ৰতো এই ফাণ্ডৰ টকাতো ব্যৱহাৰ কৰিব পৰা যায়।

*Speech not corrected.

কিন্তু তাকে নকৰি মিচিং ব্ৰীজ বুলি যদি নতুন ব্ৰীজ কৰা হয় তেতিয়াহলে উদ্দেশ্য সফল নহয়। কোনোবা এঠাইত ৰাস্তা বিচ্ছিন্ন হৈছে বা কোনোবা ঠাইত দলং ভাঙিছে আমি কিন্তু তাৰ ৰিপেয়াৰিং কৰিব পৰা নাই। যদি সেই ৰাস্তাটো বা দলং খন ভাল কৰি বা মেৰামতি কৰি দিব পাৰে তেতিয়াহলে সংযোগ ৰক্ষা কৰিব পৰা যায় আৰু যি উদ্দেশ্যৰে টকা ধাৰ্য্য কৰা হয় সেই উদ্দেশ্যত যদি টকা খৰচ কৰা হয় তেতিয়াহলে উদ্দেশ্য সফল হ'ব বুলি মই ভাবো।

উপাধ্যক্ষ মহোদয়, টংলা সংমণ্ডলৰ ওচৰত আজি বহু বছৰৰ কিছুমান টিন-পাত পৰি থকা দেখি মই আজি তিনি বছৰ আগতে গড়কাপ্তানি মন্ত্ৰীক এটা প্ৰশ্ন কৰিছিলো যে এই টিনপাত বোৰ কাৰ নিৰ্দ্দেশত, কোন চৰকাৰৰ দিনত কিনা হৈছিল আৰু কিয় কিনা হৈছিল এই বিষয়ে জানিব বিচাৰিছিলো। কিন্তু ইয়াৰ উত্তৰত এটা কথাই জানিব পাৰিছিলো যে উক্ত প্ৰশ্নটো সত্য নহয় আৰু প্ৰশ্ন নুঠে। কিন্তু সেইটোৱেই যদি হয় এই টিনপাত বোৰ তাত ইমান দিনে পৰি আছিল কিয়? আজি কিছু দিন আগতে তাৰ পৰা এই টিনপাতবোৰ আঁতোৰোৱা হৈছে। কিন্তু কোনে আঁতৰালে আৰু কলৈ নিলে তাৰো একো গম নাপালো। আজি তিনি বছৰে এই কথাটো জানিব বিচাৰিও তাৰ সত্যাসত্য জানিব নোৱাৰিলো। কিন্তু বিশেষ সুত্ৰে জানিব পাৰিছো যে এই টিনপাতবোৰ আনোৱাৰা টাইমুৰ সেই বিভাগৰ মন্ত্ৰী হৈ থকা দিনতে কিনা হৈছিল। আমি এটা কথা জানো যে এনে বস্তু বিল্ডিং ডিভিজনেহে কিনে। কিন্তু ৰোড ডিভিজনত এই বস্তুবোৰ থকাৰ মানে কি? এই বস্তুবোৰ কোনো অৰ্ডাৰ নোহোৱাকৈ টাইমুৰে কিনাইছিল কিন্তু ইয়াৰ সত্যা সত্য লুকঢাক কৰি বিষয়া কৰ্মচাৰী সকলে তেওঁলোকৰো দোষ ঢাকি-বলৈ প্ৰকৃত তথ্য আম'ৰ ওচৰত দাঙি ধৰা নাছিল। এই বিভাগটোৰ শ্ৰমিক বাহিনীৰ নীতি নিয়ম কি, এই বিষয়ত চৰকাৰৰ ফালৰ পৰা কি নিৰ্দ্দেশাৱলী আছে সেইবোৰে আমাক অৱগত নকৰায়। তাৰ ফলত এই বিভাগটোত কিছু-মান অনিয়ম হৈ থকা বুলি অভিযোগ উঠা দেখা যায়। সেই কাৰণে এই সকল লোকৰ কাৰণে বিভাগে নীতি নিয়মবোৰ ধৰি দি আৰু তাক কাৰ্য্যক্ষেত্ৰত ৰূপায়িত কৰাৰ কাৰণে চেষ্টা কৰিলেহে আমাৰ সামগ্ৰিক উন্নতি হ'ব বুলি মই ভাবো। আমাৰ গড় কাপ্তানি বিভাগৰ কিছুমান ৰাস্তা আছে যিবিলাকৰ মাজত একাঠু দ গাত। গাৱলীয়া ৰাস্তা বোৰ তেনে হলে দেখিবলৈ ভাল কিন্তু এই বিভাগৰ ৰাস্তাৰ অৱস্থা তেনে হলে তাত গাড়ী চলিব কেনেকৈ মোৰ সমষ্টিত এনে কিছু-মান ৰাস্তা আছে যি আজি ৪০ বছৰে মেৰামতি বা উপযুক্ত আঁচনিৰ অভাৱত তাত মটৰ গাড়ী চলোৱা তুৰৰ কথা গৰুৰ গাড়ীকে চলাব নোৱাৰা অৱস্থা হৈছে।

এই ক্ষেত্ৰত মই কেইটামান উদাহৰণ দিব খুজিছো যে বেতিমাৰি-পুঠিমাৰি ৰাস্তা-টোত বৰ্ত্তমান যিটো অৱস্থা সি অবৰ্ননীয়। এই ৰাস্তাটোৰ যি কেইখন কাঠৰ দলং দিয়া হৈছে তাত যি পৰিমানৰ আৰু যি কাঠ দিব লাগিছিল সেই কাঠ নিদিয়াৰ কাৰণে কম দিনতে দলং কেইখন নষ্ট হৈ গৈছে আৰু ফলত ৰাস্তাটো ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। সেইদৰে ওদালগুৰি-খাৰুপেটীয়া ৰাস্তাটোৰো ঠিক তেনে অৱস্থা। য'ত শাল কাঠ দিব লাগে তাত বেলেগ কম দামী কাঠ লগাই তাত তেল ঘহি তাকে শাল কাঠৰ নামত বিল দি চৰকাৰৰ পৰা ঠিকাদাৰে টকা আদায় কৰি গৈছে। গতিকে এই বিষয়বোৰৰ প্ৰতি আমাৰ চৰকাৰে দৃষ্টি নিক্ষেপ কৰিব লাগে আৰু এনেবোৰ কামত যদি কোনো ক্ষেত্ৰত ওপৰৰ পৰা কিবা হাত থকা যেন অনুমান হয় তেনেহলে অতি সোনকালে সেইবোৰ বন্ধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাহিৰেও মন্ত্ৰী মহোদয়ক আৰু এটা কথাৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ কৰিব খুজিছো যে এই বিভাগৰ জৰিয়তে যি কামৰ কাৰণে যিমান খিনি টকাৰ আবন্টন দিয়া হয় সেই টকা কেৱল সেই কামতে খৰচ কৰিব লাগে। আমি বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো যে এঠাইৰ টকা আন এঠাইলৈ লৈ গৈ কাম কৰাৰ কাৰণে প্ৰকৃত কাম বিলাক হৈ নুঠে। আৰু ফলত আমাৰ প্ৰকৃত কাম হৈ নুঠে আৰু ৰাইজেও ইয়াৰ বাবে ভুগিব লগা হয়। তাৰোপৰি এইবাৰ মোৰ সমষ্টিকে ধৰি মঙ্গলদৈ অঞ্চলত আন্দোলনৰ নামত যিমানবোৰ দলং বিনষ্ট হ'ল আৰু যোৱা বছৰ বানপানীৰ ফলত যিমানবোৰ ৰাস্তা নষ্ট হ'ল সেই ৰাষ্টা আৰু দলং বোৰ সময় থাকোতে মেৰামতি কৰাৰ কাৰণে মই চৰকাৰক পুনৰ অনুৰোধ কৰিলো আৰু যাতে অহা বাৰিষাৰ আগে আগে এই কাম বোৰ শেষ কৰি যাতায়ত ব্যৱস্থা অটুত ৰাখি আইন শৃংখলা পৰিস্থিতিকে ধৰি সকলো ব্যৱস্থা সুচাৰুৰূপে চলাব পৰা যায় তাৰ কাৰণে চৰকাৰে অতি খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো। এই খিনিকে কৈ বিৰোধী পক্ষৰ সদস্য সকলে গড়কাপ্তানি বিভাগৰ দাবী মঞ্জুৰী শিতানত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ দাবী মঞ্জুৰী শিতানত আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থনত মই দুষাৰ কবলৈ ইচ্ছা প্ৰকাশ কৰিলো। আমাৰ চাব ডিভিজন লেভেল প্লেনিং বোৰ্ডত যি বিলাক ৰাস্তা নতুনকৈ নিৰ্মান কৰাৰ কাৰণে

খা মেৰামতিৰ কাৰণে ধৰা হয় সেইবোৰ সময়ত গৈ হৈ নুঠে। ইয়াৰ কাৰণ কি আমি বুজি পোৱা নাই। অৱশ্যে এইখিনিতে মই এটা কথা কব খুজিছো যে যি সকল বৰ্ত্তমান চৰকাৰ পক্ষৰ বিধায়ক বা মন্ত্ৰী তেওঁলোকৰ সমষ্টিবোৰত আমাৰ তুলনাত ৰাস্তা ঘাট আদিৰ কাম বেছি হোৱা পৰিলক্ষিত হৈছে। এনে বৈষম্য-মূলক ব্যৱহাৰ ইয়াৰ আগৰ চৰকাৰৰ দিনত হোৱা নাছিল। এই চৰকাৰৰ দিনত এনে বৈষম্যমূলক মনোভাবৰ কাৰণে আমাৰ সমষ্টি বোৰত ৰাস্তা ঘাট আদিৰ উন্নয়নৰ ক্ষেত্ৰত এই কেইটা বছৰত প্ৰায় কামেই হোৱা নাই বুলি কব পাৰি।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই মোৰ সমষ্টি তথা অসম অৰুনাচল সীমাত অৱস্থিত কেইটা মান ৰাস্তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছো। মাৰ্ঘেৰিটাত অৰুণাচলৰ সীমাৰে যি ১৩-১৪ কিঃ মিঃ ৰাস্তা সেইটোত বেছিভাগ অৰুণাচলৰ গাড়ী চলে। ইতিমধ্যে এই ৰাস্তাটোত তেওঁলোকৰ ফালৰ পৰা মেৰা-মতিৰ কাম বন্ধ কৰি দিছে যিহেতু এই ৰাস্তাটো আমাৰ সীমাৰ ভিতৰত পৰে। সেই কাৰণে এই ৰাস্তাটোৰ কাৰণে হয় তেওঁলোকৰ পৰা টকা আদায় কৰি আমাৰ চৰকাৰে মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে নহয় এন, ই, চিৰ তত্বাৱধানত এই ৰাস্তাটো নিৰ্মান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাহিৰেও ধৰ্মজান-ডিগবৈ ৰাস্তাটো নিৰ্মান কৰাৰ কাৰণে P W.D য়ে এষ্টিমেট দিয়া হৈছিল-তাত প্ৰায় ৩৪ লাখ টকা খৰচ হব বুলি ধৰা হৈছিল। এই ৰাস্তাটো এটা অংশ প্ৰায় আঠ কিঃ মিঃ অইল ইণ্ডিয়াৰ গাড়ী চলাৰ কাৰণে এতিয়া এইটোৰ কাৰণে তেওঁলোকৰ পৰা টকা আদায় কৰিব পৰা হৈছে নে নাই মন্ত্ৰী মহোদয়ে চাব লাগে। মোৰ বোধেৰে এই ৰাস্তাটো আমাৰ গড়কাপ্তানি বিভাগে কৰিলেই ভাল হব।

বিশেষকৈ ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলংখন যাতে সোনকালে হয় সেইটো চাব লাগে। কাৰণ এই দলংখন হ'লে জোনাই-লক্ষিমপুৰৰ লগত ইটানগৰৰ যাতায়ত অতি সহজ হ'ব। এই দলংখন নোহোৱাৰ কাৰণেই এতিয়া বহুত দূৰ ঘূৰি যাবলগীয়া হৈছে। এই দলংখন কৰাৰ যাতে সোনকালে ব্যৱস্থা কৰে এইটো মই আশা কৰিছো।

আৰু এটা কথা হৈছে যে মাকুম জংচনত দুটা লেভেল ক্ৰচিং আছে। ইয়াৰে এটা ষ্টেচনৰ ওচৰত আছে আৰু আনটো তাৰপৰা ২-৩ কিঃমিঃ আতৰত

আছে। এই দ্বিতীয় লেভেল ক্রচিংটো যদি আৰু অলপ আগুৱাই দিয়া হয় তেনেহ'লে বহুতখিনি অঞ্চলৰ বাবে সুবিধা হয়। এইটো কাম চৰকাৰৰ তৰফৰ পৰা যোগাযোগ কৰিব বুলি মই আশা কৰিছো। এইটো কাম এইমতে কৰিলে বিশেষকৈ ডিগবৈ অঞ্চলৰ সুবিধা হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই শিতানত যিমান টকা ধৰিব লাগে তাতোকৈ কমকৈহে ধৰিছে বুলি মোৰ অনুমান হয়। যিখিনি টকা বৰ্তমান ধৰিছে এই টকা যাতে সদ্‌ভাৱে ব্যৱহাৰ হয় আৰু ই ভাল কাম হয় সেইটোকে আশা কৰিছো।

আমাৰ এম, এন, পিত যিবোৰ ৰাস্তা কৰা হৈছে সেইবিলাক চোৱা-চিতা কৰিবলৈ কোনো নাই। সেইবিলাক মেৰামতিৰ অভাবত যাতায়তৰ অনুপযোগী হৈ পৰিছে। উদাহৰণ স্বৰূপে মই ক'ব বিচাৰিছো যে ৰামপুৰ সম্প্ৰসাৰণ ৰাষ্টা লামাগাওঁ, উদয়পুৰ, কুমচাই-বিছা হাৱাইপুৰ, মাৰ্ঘেৰিটা মিৰিকামাৰী, ৪ৰ্থ খণ্ড, লিডু-মহং, আৰু লালমাটি-মহং এইবিলাক ৰাষ্টা বৰ্তমান মেৰামতিৰ অভাবত অচল হৈ পৰিছে। আৰু এটা কথা হৈছে যে ৰাষ্টাৰ কলৰ শ্ৰমিকৰ সংখ্যা কম। ১৭/১৮ কিঃ মিঃ ৰাষ্টাত শ্ৰমিক কম দিয়াৰ কাৰণে আধা কিঃ মিঃ ৰাষ্টা সম্পূৰ্ণ নোহওঁতেই বৰষুণ আহি পৰে। তেনেকুৱা উদাহৰণ মোৰ সমষ্টিত বহুত আছে। একোটা ৰাষ্টাত আনকি ৯ কিঃ মিঃ ৰলৈকে গাড়ী চলাচল কৰিব নোৱাৰে। এইবিলাক কথা বিভাগীয় কৰ্তৃপক্ষক কলে কয় যে এইবিলাক কাম কৰিবলৈ টকা নাই। আমি এটা কথা কওঁ যে ৰাষ্টা ৰাষ্টায়েই। সকলো জন-সাধাৰণে ব্যৱহাৰ কৰে। গতিকে ৰাষ্টাৰ ক্ষেত্ৰত কোনো বৈষম্য হ'ব নালাগে। আমি দেখিবলৈ পাইছো যে শাসক দলৰ সদস্য সকলৰ সমষ্টিৰ ৰাষ্টাবিলাক নতুন হৈ আছে আৰু বিৰোধী পাৰ্টিৰ সদস্য সকলৰ সমষ্টিৰ ৰাষ্টাবিলাক মেৰামতিৰ অভাবত অচল হৈ পৰিছে। গতিকে এনেকুৱা বৈষম্য থকাটো কেতিয়াও হ'ব নালাগে।

আৰু এটা কথা দেখা গৈছে যে নতুন ৰাষ্টা মহকুমা পৰ্য্যায়ত লোৱা হয় যদিও আমি কিন্তু ৰাষ্টা নাপাওঁ। ৰাষ্টা যিহেতুকে সকলোৰে কাৰণে প্ৰয়োজন সেই কাৰণে এইবিলাক কথা চাব লাগে। মোৰ সমষ্টিৰ ৰাষ্টাবিলাক এনেকুৱা হৈ পৰিছে যে গধুৰ যান-বাহন চলাচল কৰিব নোৱাৰে। কেতিয়াবা মন্ত্ৰী গ'লে হয়তো মন্ত্ৰীৰ গাড়ীও লাগি ধৰিব। ৰাষ্টা বেয়া হোৱাৰ কাৰণে ইমান লাহে লাহে যাব লগীয়া হয় যে বেমাৰী বা ৰুগীও সময়মতে হস্পিটাল পোৱাবলৈ

নোৱাৰি। গতিকে মই আশা কৰিছো যে এই বিলাকৰ যাতে এটা ভাল ব্যৱস্থা হয়।

মাৰ্ঘেৰিটাৰ এচ, ডি, অ' P. W. D. Road অফিচটো বহুত কষ্ট কৰি কৰা হৈছে, এইটো যাতে তাৰপৰা উঠাই নিয়া নহয় সেইটো চাব লাগে। (বেল বাজে) মোৰ বহুত ক'বলগীয়া আছিল যদিও সঘনাই বেল বজাই আছে কাৰণে মই ইমানতে সামৰণি মাৰিলো।

*শ্ৰীহৰেন্দ্ৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাষ্টা আৰু দলঙৰ শিতানত মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী বিচাৰিছে তাত মই সমৰ্থন জনাইছো আৰু আশা ৰাখিছো যে যিসকল বিৰোধী দলৰ মাননীয় সদস্যই কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে তেখেত সকলে কেৱল মাত্ৰ আলোচনাৰ সুবিধাৰ কাৰণেহে কৰ্তন প্ৰস্তাৱ আনিছে আৰু সকলোবিলাক কাম খৰটকীয়া ভাৱে কৰিবৰ কাৰণে ধনখিনি উলিয়াই দিয়াত তেখেতসকলে আমাৰ লগতে একমত হব। কাৰণ এইটো কথা ঠিক যে ৰাষ্টা-ঘাট নহলে এখন সমাজৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে, এইটো আমি সকলোৱে জানো।

গণপৰিষদ চৰকাৰ অহাৰ লগে লগেই আৰু এটা বস্তু আহিল, সেইটো হৈছে প্ৰাকৃতিক দুৰ্যোগ। প্ৰাকৃতিক দুৰ্যোগে সঘনাই ৰাজ্যখনৰ ৰাষ্টা-ঘাট কিছু কিছু ঠাইত আংশিক ভাবেক নষ্ট কৰিছে আৰু কিছু কিছু ঠাইত সম্পূৰ্ণ ভাবেই নষ্ট কৰিছে। বানপানীৰ ফলত যে সদিয়াৰ পৰা ধুবুৰীলৈকে ৰাষ্টাবিলাক নষ্ট হৈছে সেই কথা মাননীয় সকলো সদস্যই উল্লেখ কৰিছে। লগতে মই এইটো কথাও কব বিচাৰিছো যে বানপানীত নষ্ট হোৱা ৰাষ্টা-ঘাটৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিমান টকা দাবী কৰা হৈছিল সিমান টকা নিদিয়াৰ কাৰণেও সমগ্ৰ অসমত যিমান ৰাষ্টা মেৰামতি কৰিব পাৰিব লাগিছিল সিমান ৰাষ্টা মেৰামতি কৰিব পৰা হোৱা নাই। আৰু এটা কথা হৈছে যে বিভিন্ন শিতানত এফ, ডি, আৰেই হওঁক বা অন্যান্য শিতানতেই হওঁক যিমান টকা দিয়া হৈছে সিমান টকাৰ কাম হোৱা নাই কৰ্মচাৰী সকলৰ হেমাহিৰ কাৰণে। যিমান দ্ৰুত গতিত কাম হব লাগিছিল সিমান দ্ৰুতগতিত বহুত ক্ষেত্ৰতেই কাম হোৱা পৰিলক্ষিত হোৱা নাই। ফলত নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট কাম হৈ নুঠে।

( Mr. Deputy Speaker left the House and Shri Dinabandhu Choudhury, M. L. A. took the Chair as Chairman. )

---

* Speech not corrected

সভাপতি মহোদয়, আমি কিছুমান কামত এনেকুৱা ধৰণৰ দেখা পাইছো যে, নিৰ্দিষ্ট সময়ত কাম আৰম্ভ নকৰা কাৰণে নিৰ্দিষ্ট সময়ত কাম শেষ কৰিব নোৱাৰে। ফলত বানপানী আহি কামসমূহ নষ্ট কৰি দিয়ে। আজি আমি লক্ষ্য কৰিব লাগিব যে, নিৰ্দিষ্ট সময়ত যাতে কামবিলাক শেষ কৰিব পাৰে। তাৰ বিপৰীতে দেখা যায় যে, আজি কালি কামবিলাক কৰোতে কেইবা বছৰো লাগি যায় আৰু সম্পূৰ্ণ হৈ নুঠে। অৱশ্যে ইয়াত কৰ্মচাৰী সকলৰ হেমাহিৰ কথাও আছে। অসমত সিবিলাক ৰাষ্টা ব্লেক টপিং কৰাৰ বাবে বা দলং পকী কৰাৰ বাবে টকা দিছে সেই কামবিলাক নিৰ্দিষ্ট সময়ৰ ভিতৰত শেষ হৈ নুঠে। হয়তো বনোৱা শেষ হব ধৰোতেই বানপানী আহি নষ্ট কৰি পেলাইছে। টকা সম্পূৰ্ণ ভাৱে কামত খৰচ হোৱা নাই, ফাইলতে আছে। এনে ধৰণৰ বহুতো চিন্তা-চৰ্চা কৰ্মচাৰীৰ দ্বাৰা হৈছে। তাৰোপৰি ঠিকাদাৰ সকলৰ লগতো কৰ্মচাৰীৰ এটা লেতেৰা সম্পৰ্ক থকাতো দেখা যায়। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ক চোকা নজৰ দিয়াৰ বাবে অনুৰোধ জনালো।

সভাপতি মহোদয়, মই এইখিনিতে এটা কথা কবলৈ বিচাৰিছো যে, কামৰ সুবিধাৰ কাৰণে অসম গণ পৰিষদ চৰকাৰৰ বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ যোগেদি দ্ৰুতগতিত কাম আগবাঢ়ি যোৱাৰ বাবে আঁচনি কৰিছে, সেই সময়ত আমি বিশেষকৈ মৰিগাওঁবাসী ৰাইজে আৰু মই সেই সমষ্টিৰ বিধায়ক হিচাবে এই বিভাগৰ মন্ত্ৰী মহোদয়ৰ ওচৰত এটা কথা উল্লেখ কৰিব বিচাৰিছো যে, আজি মৰিগাওঁ মহকুমাত যিটো বিভাগৰ জৰিয়তে বা চৰকাৰৰ যিটো কাৰ্য্যালয়ৰ জৰিয়তে মৰিগাঁৱত শতকৰা ৯০ ভাগ কাম কৰা হয়, যেনে: দলং মেৰামতি কৰা, ৰাষ্টা বনোৱা কাম আদি কৰে সেই অফিচটো আজিও নগাওঁতে আছে। ইয়াত কি ৰাজনৈতিক অভিসন্ধি আছে নাজানো। বিভিন্ন অফিচ নগাওঁত আছে কিন্তু শতকৰা ৯০ ভাগ কাম যি অফিচৰ দ্বাৰা কৰিব লগা হয় সেই অফিচ নগাওঁত থকাত ভাবিবলৈ বাধ্য হৈছো যে, চৰকাৰে যি টকা মৰিগাওঁৰ বাবে দিয়ে তাৰে আনুসংগিক টকা নগাওঁত খৰচ কৰে। ৰাইজেও আশংকা প্ৰকাশ কৰিছে। আজি ৩ বছৰ হ'ল এই ডিভিজনটো মৰিগাঁৱলৈ আনিলে মন্ত্ৰীমহোদয়ৰ কি ব্যক্তিগত ক্ষতি হয় কব নোৱাৰিলো। মন্ত্ৰীমহোদয়ে যদি ভাবে যে, প্ৰকৃতাৰ্থত যদি দলং আৰু ৰাষ্টা আদিৰ কাম সময়মতে কৰিব লাগে আৰু চৰকাৰে দিয়া টকা সম্পূৰ্ণ ভাৱে কামত লগাব লাগে তেনেহলে অনতি পলমে উক্ত অফিচ মৰিগাওঁলৈ আনিব বুলি আশা কৰিলো। মন্ত্ৰী মহোদয়ে জানে যে, যোৱা ৩

বছৰে ভয়ংকৰ বানপানী হৈছে। সেই সময়ত গুৱাহাটী-নগাওঁ ৰাষ্ট্ৰীয় পথটো বিশেষকৈ জাগীৰোডৰ ওচৰত এই পথ সম্পূৰ্ণৰূপে ভাঙি যোৱাত যাতায়তৰ অসুবিধা হোৱাৰ কথা মন্ত্ৰী মহোদয়ে জানে। তেখেতে নিজে গৈ তাৰ বিকল্প পথ জাগাৰোড, ভকতগাওঁ, বাৰপুজীয়া নগাওঁ পথ কৰিলে। নহলে আপাৰ অসমৰ লগত গুৱাহাটীৰ কোনো ধৰণৰ যাতায়ত নহলহেঁতেন আৰু মৰিগাওঁৰ ৰাইজে, অসমৰ ৰাইজে ভাবিলে যে জনহিতকৰ কাম হিচাবেই এই পথ ৰাষ্ট্ৰীয় পথৰ নিচিনা কৰা হ'ব। কিন্তু আজি পৰ্য্যন্ত এই কাম হোৱা কোনো আশা দেখা নাই। গতিকে যাতায়তৰ প্ৰতি লক্ষ্য ৰাখি জাগীৰোডৰ পৰা মৰিগাওঁ, ভকত গাওঁ আৰু বাৰপুজীয়া হৈ নগাওঁলৈ এই পথচোৱা ভাল কৰাৰ বাবে অনুৰোধ জনালো। এতিয়া আমি দেখা পাইছো যে, মৰিগাওঁ মহকুমাত যোৱা বানপানীৰ সময়ত মুঠ ৬৩ খন দলং আৰু ১১২ টা ৰাষ্টা সম্পুৰ্ণ নষ্ট হৈছে। কিছুমান আংশিকভাৱে নষ্ট হৈছে। এই ৰাষ্টাসমূহৰ উন্নয়ণৰ কাৰণে টকা দিছে মাত্ৰ ৪৫˙১৫ লাখ টকা। এই টকাৰে ৬৩ খন দলং আৰু ১১২ টা ৰাষ্টা মেৰামতি কৰা সম্ভৱনে? আজি বহুতে কৈছে যে দিচপুৰ সমষ্টিত বহুতো কাম হৈছে। অন্য সমষ্টিৰ তুলনাত সাংঘাটিক ভাৱে কাম হৈছে। অৱশ্যে এইটো কথা সত্য যে, অন্য সমষ্টিৰ তুলনাত দিচপুৰ সমষ্টিত কাম হৈছে। আজি মৰিগাওঁ সমষ্টিত কাম অতি কম হৈছে, কবলৈ লাজ লাগে। বাসনাগাওঁ-ভুৰাঘাট পথত থকা দলঙৰ কাম হোৱা নাই। তিনি-এক, ১৯/১, ৪/২, ১২/২, ১৪/১, ১৬/১, এই ৬ খন দলঙৰ অৱস্থা কাহিল। এতিয়া ভুৰাগাঁৱৰ ব্যৱসায়ী সকল মৰিগাওঁলৈ অহা যোৱা কৰিব নোৱাৰে। গতিকে বাসনাগাওঁ-ভুৰাগাওঁ ৰাষ্টা মেৰামতি নকৰিলে পিছপৰা অঞ্চল হিচাবে যাতায়তৰ ক্ষেত্ৰত, শিক্ষাৰ ক্ষেত্ৰত, সমাজৰ ক্ষেত্ৰত বহু মানুহ বাধাগ্ৰস্ত হব। বৰ্ত্তমান সময়লৈকে এইটো হৈ উঠা নাই। ১২/১ নং দলঙৰ বাবে আমি কৈছিলো ১৯৮৬ চনতে বানপানীয়ে এই ৰাষ্টা নষ্ট কৰা বাবে ১ লাখ টকা মেৰামতিৰ বাবে দিছিল। এই টকা কলৈ গল বুলি বিভাগত উত্তৰ দিব নোৱাৰে আৰু কামত বিজি হৈ পৰে। আজি দেখা গৈছে যে, কৰ্মচাৰী সকলৰো কামত হেমাহী হৈছে। গতিকে অসমৰ সকলো ঠাইতে যাতে এই কামবিলাক ভালধৰণে হয় তাৰ বাবে চোকা দৃষ্টি দিয়াৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। শেষত মই কওঁ যে, চৰকাৰে যি টকা বিচাৰিছে তাৰ পৰিমাণ কম হৈছে। এই দাবী মঞ্জুৰীত যি টকা বিচাৰিছে তাত মই পূৰ্ণ সমৰ্থন দি মোৰ বক্তব্য সামৰিলো।

ডাঃ অর্দ্ধেন্দু কুমাৰ দে :— মাননীয় সভাপতি ডাঙৰীয়া, মই ব্যক্তিগত ভাবে তেখেত ভাল বেয়া সেইটো বিচাৰ বিবেচনা কৰিবলৈ অহা নাই। মই এই কথা কবলৈ আহিছো যে তেখেতে এই বিভাগৰ মন্ত্ৰী হৈ এই বিভাগত কিমান দূৰ সফল হৈছে, এবং তেখেত কৰ্মজীৱনত কিমানতুৰ সফল হৈছে? কিন্তু মই কম তেখেত এই বিভাগত সম্পূৰ্ণ বিফল হৈছে। সভাপতি ডাঙৰীয়া, আমি যদিও প্ৰথমে সদস্য হৈ আহিছো দেখিছো যে ষ্টেট লেভেল ৰোড এটা কমিটি হ'ল। আকৌ আমাৰ চাবডিভিজনেল ৰোড বোৰ্ড কমিটি আছিল কিন্তু কি কাৰণত এই গোটেইখিনি বোৰ্ড এবলিচ হৈ গ'ল কব নোৱাৰিলো। এই যি চাবডিভিজনেল লেভেল কমিটি আছিল তাত এম, এন, পি'ত কিছুমান ৰাস্তা প্ৰত্যেক এম, এল, একে ধৰি দিয়া হৈছিল। এম, এল, এ সকলৰ নামত এলট কৰা হৈছিল বাবে তেখেত সকলে সেই ৰাস্তা বিলাক কৰিবলৈ সুবিধা পাইছিল। পিচত গম পালো যে চাবডিভিজন লেভেলত এইটো ৰোড কমিটি এবলিচ হৈ গ'ল। এম. এল, এ বিলাকৰ অধিকাৰ কাঢ়ি নিয়া হ'ল।

সভাপতি মহোদয়, এই যে এম, এল, এ বিলাকৰ যি অধিকাৰ আছিল কি কাৰণত কি ৰাজনৈতিক উদ্দেশ্যত এইটো কাঢ়ি নিয়া হ'ল আমি নেজানো। তেখেত সকলে এইটো কিয় কৰিলে নিশ্চয় জানে, তাৰ পৰা তেওঁলোকৰ উন্নতি হৈছে আমি নেজানো। মই এটা সদনত চাপলিমেনটৰী কুয়েচন কৰিছিলো তাৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই হয়টো খিয়াল কৰা নাই, অহা বাৰিষাৰ ভিতৰত ৫০ ভাগ এফ, ডি, আৰ কমপ্লিট হব কিনা? তেখেতে কৈছিল এইটো সম্পূৰ্ণ কৰাৰ চেষ্টা কৰিব। অৰ্থাৎ ৫০ পাৰচেণ্ট কৰিব বুলি ওৱৰ্ড দিছে বাকী ৫০ পাৰচেণ্ট কি কৰিব তেখেতে কব নোৱাৰে। এইটো সঁচা কথা যে অহা বাৰিয়াৰ ভিতৰত এফ, ডি, আৰ কাম সম্পূৰ্ণ নহয়। যদিহে নহয় তেতিয়া বাৰিষাৰ লগে লগে ৰাস্তা ঘাট ভাগি গলে পানী সোমাব। যিবিলাক ৰাস্তা তৈয়াৰ হ'ল সেইবিলাক খহি যাব। বানপানীৰ সময়ত যিবিলাক ৰাস্তা বেয়া হৈছিল তাক ভাল কৰিবৰ কাৰণে এফ, ডি, আৰত যিবিলাক টকা ধৰা হৈছিল পুনৰ সেইবিলাক বানপানীত ভাহি যাব।

সভাপতি মহোদয়, আমি ৰাস্তাত দেখো যে ট্ৰাক বিলাক একচিডেণ্ট হৈ ৰাস্তাত পৰি থাকে, ওলটি খাই পৰি থাকে। যি ৰাস্তাত যিমান স্পীডত যাব লাগে তাৰ কোনো নিৰ্দেশাৱলী, ডিৰেকচন দিয়া নাই। কিছুমান দলং আছে যিবিলাক একেবাৰে দুৰ্বল তাত লিখা আছে সেই দলঙেদি কিমান স্পীডত যাব লাগে

কিন্তু সেই গাড়ী বিলাক কিমান স্পীডত যায়, কিমান কণ্ট্ৰল কৰি যায় সেই বিলাক চাবৰ কাৰণে অত্যাৱশ্যকভাৱ থাকিব লাগে। কিন্তু আমি দেখিছো যে সেইবিলাক তাত নাই। নেচনেল হাইৱেত এনেকুৱা কিছুমান পাৰ্ক আছে অৰ্থাৎ গুৱাহাটীৰ পৰা নগাওঁলৈ যাওঁতে আমি দেখিছো তাত কোনো নিৰ্দেশাৱলী নাই। এবং গড়কাপ্তানী বিভাগত বহুতো মানুহ এন্‌গেজ কৰি ৰখা হৈছে সেই বিলাক চুপাৰভাইজ কৰিবৰ কাৰণে। কোন গাড়ী কিমান স্পীডত গৈছে। লিমিট পাৰ হৈ যোৱা বিলাকক পানিচমেণ্ট দিব লাগে। সেই বিলাক লিমিট পাৰ হৈ যোৱা বিলাকক পানিচমেণ্ট দিয়া ৰেকৰ্ড আজিলৈকে আমি দেখা নাই। তেখেতে নিশ্চয় কব নোৱাৰে যে এনেকুৱা ধৰণৰ কিমান গাড়ীক পানিচমেণ্ট দিছে।

সভাপতি মহোদয়, এই যে গাড়ীৰ ড্ৰাইভাৰ বিলাক এক হাজাৰ মাইল ড্ৰাইভ কৰি আহে, স্পীডত আহে। তেওঁলোকে দিল্লীৰ পৰা গুৱাহাটী, নগাওঁ, যোৰহাট, মনিপুৰ আদি ঠাইলৈ আহে। তাত কেইজন ড্ৰাইভাৰ থাকে সেই-বিলাকত খিয়াল নাই। এজন ড্ৰাইভাৰে ইমান দূৰ ড্ৰাইভ কৰি আহে তেওঁক বিশ্ৰাম দিয়াৰ প্ৰয়োজন আছে। এজন ড্ৰাইভাৰে ড্ৰাইভ কৰি কৰি আহোঁতে তেওঁৰ ৰাস্তাতে টোপনি যায়, যাৰ ফলত এক্‌চিডেণ্ট বিলাক সঘনে হৈ থাকে। ৰাস্তাত গাড়ী বিলাক উলটি খাই থাকে। এই বিলাক গড়কাপ্তানী বিভাগে চাব লাগে। এইটো চোৱা চিতা কৰা বেলেগ ডিপাৰ্টমেণ্টৰ কাম নহয়, ট্ৰেন্স-পোৰ্ট ডিপাৰ্টমেণ্টৰ নহয়। ইয়াৰ দায়িত্ব কেবল গড়কাপ্তানী বিভাগৰহে। গড়কাপ্তানী বিভাগত এইটো আইন আছে। এই আইনৰ মতে ব্যৱস্থা লব লাগে। যিবিলাক গাড়ীয়ে দুৰনিৰ পৰা ৰান কৰে সেই বিলাকত অন্ততঃ দুজন ড্ৰাইভাৰ থাকিব লাগে। ৰাস্তাত যাতে বিশ্ৰাম লৈ লৈ ড্ৰাইভ কৰিব পাৰে। এইটো কথা পৰিস্কাৰকৈ লিখা আছে যে ড্ৰাইভাৰে কেনেকৈ ড্ৰাইভিং কৰিব লাগে। গাড়ী বিলাক কিমান স্পীডত যাব লাগে, কিমান ওৱেটত যাব লাগে, হাইৱেৰ বিল যিটো প্লেচ হব তাত লিখা আছে। এইটো পিচত আলোচনাত আহিব। আজি ৰাস্তা বিলাক যিমানেই ভাল নকৰক লাগিলে সেইটো ক্ৰেডিট নহয়, ক্ৰেডিট হব দুৰ্ঘটনা নোহোৱাটোহে। ৰাস্তাত যাতে দুৰ্ঘটনা নঘটে সেইটো চাব লাগে। এই খিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীভবেন্দ্ৰ নাথ ভৰালী :– মাননীয় সভাপতি মহোদয়, আমাৰ গড়কাপ্তানী মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক সমৰ্থন জনাই দুআষাৰ কথা

*Speech not corrected.

কৰ বিচাৰিছো। প্ৰথম কথা হ'ল যোগাযোগ। যোগাযোগ নহলে সমাজৰ উন্নতি নহয়। কিন্তু আজি ৩ টা বছৰে বানপানীয়ে অসমৰ যিমান ৰাস্তা আছে সেই গোটেই বিলাক বেয়া কৰি গৈছে। বিশেষকৈ বানপানী হৈ যোৱাৰ পিচত যিধৰণে ৰাস্তা বিলাকৰ কাম হ্ব লাগিছিল সেই ধৰণে নহ'ল। যাৰ ফলত সেই ৰাস্তা বিলাকলৈ যাব নোৱাৰি। ইয়াৰ কাৰণ কি ? সেই বিলাকৰ মেৰামতি কিয় হোৱা নাই সেই বিলাক বিশ্লেষণ কৰিবৰ হ'ল। মই নিজেই এইটো গড়কাপ্তানী বিভাগত অনুসন্ধান কৰিছিলো কি কাৰণত এইটো কৰিব পৰা নাই। তেখেত সকলে কয় এফ, ডি, আৰৰ টকা নাই। ইঞ্জিনিয়াৰ সকলৰ ওচৰলৈ গৈ যদি সোধা হয় তেখেত সকলে কয় যে এফ, ডি, আৰৰ টকা কম কৈ আহিছে, যিখিনি আহিছে সেইখিনি মাষ্টাৰ-ৰুলত কাম কৰা কৰ্মচাৰী সকলক দৰমহা দিওঁতেই শেষ হৈ যায়। ৰাস্তা বিলাকৰ মেইনটেনেঞ্চৰ কাৰণে যি টকা ৰখা হয় সেই বিলাক টকাও মাষ্টাৰ-ৰুলত কাম কৰা কৰ্মচাৰী সকলক দিওঁতেই শেষ হয়। সেয়েহে এই ব্যৱস্থা কিছু উন্নত কৰিব লাগে। বিশেষকৈ আমাৰ গড়কাপ্তানী মন্ত্ৰী মহোদয় এই ক্ষেত্ৰত অলপ কঢ়া হব লাগে। তেখেতে ইয়াৰ আশু ব্যৱস্থা ললে ভাল হয়। এই অধিৱেশনৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে মেইনটেনেঞ্চৰ ধন প্ৰায় ৯০ ভাগ মাষ্টাৰ-ৰুলত কাম কৰা লোক সকলৰ দৰমহাত খৰচ হয়। গতিকে প্ৰয়োজন হলে সংখ্যাৰ পৰিমান বৃদ্ধি কৰি এই ব্যৱস্থাৰ কিছু উন্নত কৰিব লাগে নহলে গাড়ী মটৰ যোৱা ৰাস্তা বিলাকৰ অৱস্থা বেয়া হব, যাৰ ফলত শিলগুটি দিবলৈও পইচা নোহোৱা হৈছে। এই অৱস্থা উন্নত কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, মই এতিয়া বোৰ্ডাৰ ৰোডৰ কথা দুটামান কব খুজিছো। আমাৰ যিবোৰ বোৰ্ডাৰ ৰোড আছে সেইবোৰৰ অৱস্থা অতি বেয়া— এই কথা মই ইয়াৰ আগতেও সদনত কৈছিলো। কিবা এটা ঘটনা সংঘতিত হ'লে সেই অঞ্চললৈ যাবলৈ এটা ভাল ৰাস্তা নাই, ধূলি, বালিৰ কাৰণে ৰাস্তাৰে গাড়ী চলাব নোৱাৰি। এই ৰাস্তাবোৰ চৰকাৰে অতি খৰটকীয়া ভাবে উন্নয়ন কৰাৰ ব্যৱস্থা লব লাগে। নহলে আমি সীমান্ত সুৰক্ষা সীমান্ত সুৰক্ষা বুলি চিঞৰি থকাহে হব কাম একো নহব। আমাৰ সীমান্ত অঞ্চলৰ বিধায়ক শ্ৰীদেৱেশ্বৰ বৰা, শ্ৰীদেব বৰা, শ্ৰীফনী টায়েং এখেতসকলেও এই সীমান্ত অঞ্চলৰ ৰাস্তা ঘাট উন্নয়ন কৰাৰ কথা কৈ আহিছে, দাবী জনাই আহিছে। কিন্তু কামত বিশেষ একো কৰা নাই। চৰকাৰে তত্‌কালীন ভাবে ব্যৱস্থা লব লাগে। এইখিনিতে মই

আৰু এটা কথা কওঁ— আমাৰ যিবোৰ অঞ্চলত সঘনে বানপানী হয় আৰু বানপানীৰ ফলত নষ্ট হোৱা ৰাস্তাবোৰৰ প্ৰতি চৰকাৰে চোকা নজৰ দিব লাগে। অন্ততঃ দুই এটা ৰাস্তা অতি সোনকালে মেৰামতি কৰি ঠিক কৰি ৰাখিব লাগে যাতে পুনৰ বানপানী হলে সেইবোৰ অঞ্চললৈ ৰিলিফ সামগ্ৰী আৰু উদ্ধাৰ কাৰ্য্যৰ বাবে ততাতৈয়াকৈ যাব পৰা হয়। ওচৰৰ চহৰৰ লগত যোগাযোগ ৰক্ষাৰ কাৰণে দুই এটা লিংক ৰোড ভালকৈ ৰাখিব লাগে। কাৰণ আমাৰ বানপানীৰ বতৰ আহিলেই বুলিব পাৰি। নহলে বান আক্ৰান্ত লোক সকল হাহাকাৰত পৰিব। আমাৰ গড়কাপ্তানী বিভাগৰ যিবোৰ পৰিদৰ্শন বঙলা আছে সেইবোৰ প্ৰায় ২০-২৫ বছৰ মানৰ আগতে সজা। সেইবোৰ মেৰামতি হোৱা নাই। এই বঙলাবোৰৰ অৱস্থা ভাল কৰিব লাগে কাৰণ সৰু সৰু টাউনবোৰত জিৰণী লোৱাৰ এইটোৱেই একমাত্ৰ ঘৰ। ইয়াতে বিভিন্ন বিভাগৰ বিষয়া, মন্ত্ৰী, এম. এল, এ, সকল বিভিন্ন কামত গৈ জিৰণী লব লাগে। মই দেৰগাওৰ পৰিদৰ্শন বঙলাটো কিছু উন্নত কৰিব লাগে বুলি বিভাগীয় মন্ত্ৰীক কেইবাবাৰো অনুৰোধ কৰিছো— বিভাগেও আঁচনি আদি পঠাইছে কিন্তু এতিয়াও একো কৰা হোৱা নাই। ইয়াৰ অৱস্থা অতি বেয়া হৈছে। মই পুনৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো কিবা এটা কৰিবলৈ। ইয়াৰ পিচত মই গড়কাপ্তানী বিভাগৰ জুনিয়ৰ ইঞ্জিনীয়াৰৰ কথা কব খুজিছো— এই বিভাগত প্ৰায় ১৫০ টা জুনিয়াৰ ইঞ্জিনীয়াৰ পদ খালী হৈ পৰি আছে। এ, পি, এচ, চিয়েও তালিকা পঠাব পৰা নাই বুলি গম পাইছো। ইয়াত কিবা প্ৰশাসনীয় এনামেলি আছে বোধকৰো। কিন্তু এই পদবোৰ খালী হৈ থকাৰ কাৰণে বিভাগটোৰ কামত ক্ষতি হৈছে। গড়কাপ্তানি মন্ত্ৰীয়ে এই পদবোৰ সোনকালে পূৰণ কৰাৰ কাৰণে 'বণ্ড ষ্টেপ' লব লাগে। সভাপতি মহোদয়, আমাৰ যোৰহাট নগৰৰ কাষেৰে তৰাজান লাহদৈগৰহৈ যিটো 'বাই পাচ' গড়কাপ্তানী বিভাগে তৈয়াৰ কৰিছে সেইটো বোধকৰো বিভাগীয় বিষয়াসকলে অহা ১০ বছৰ মানৰ কথা চিন্তা কৰিহে বনোৱা যেন লাগে। এনেবোৰ কাম অহা ৩০-৪০ বছৰ মানৰ কাৰণে চিন্তা কৰি হাতত লব লাগে। নেচনেল হাইৱে টাউনৰ মাজেদি কিছু অংশ বনালে। কি চিন্তা কৰি বিভাগে এই কাম কৰিলে কব নোৱাৰো। এতিয়াও যদি উক্ত বাই পাছটো কিছু ৰদ বদল কৰি অহা ৩০-৪০ বছৰ মানৰ কাৰণে চিন্তা কৰি বনাব পাৰি তেন্তে বিভাগে চিন্তা কৰিব লাগে।

( সময় সংকেত )

সভাপতি মহোদয়, এতিয়া মই ধোদৰ আলিৰ কথা কবলৈ ওলাইছো— ৰাস্তাটোৰ অৱস্থা অত্যন্ত বেয়া, মাজত দ দ গাতৰ কাৰণে গাড়ী চলাবই নোৱাৰি। ইয়াৰ কাষতে আমাৰ বিধায়ক শ্ৰীনৰেন তাঁতীৰ ঘৰ। কেইবাজনো বিধায়কে এই ৰাস্তাতো ভাল কৰাৰ কাৰণে লাগি আছে যদিও এতিয়ালৈকে একো হোৱা নাই। অহোম ৰজাই ধোদৰ দ্বাৰা বনোৱা এই ৰাস্তাটোৰ বাবে কাম কৰিবলৈ আমাৰ গড়কাপ্তানী বিভাগো বোধকৰো ধোদ হৈছে। এই ৰাস্তাটোৰ ক্ষীপ্ৰ উন্নয়ন চৰকাৰে কৰিব লাগে। ইয়াৰ মাজতে এখন ওলোমা দলং আছে। দলঙৰ দুয়োমূৰে মাটি দিব লাগে কিন্তু দিয়া নাই। বিভাগীয় বিষয়াসকলক বাৰে বাৰে কোৱা সত্বেও কামত অহা নাই। এইখিনিৰে কোনো গাড়ী বা মানুহ অহা যোৱা কৰিব নোৱাৰে। বিভাগীয় মন্ত্ৰী মহোদয়কো মই এই ৰাস্তা আৰু দলং দেখুৱাইছিলো তেখেতে মৌখিক নিৰ্দেশ দিছিল বিভাগীয় বিষয়াক কাম কৰিবলৈ আৰু আমাকো আশ্বাস দিছিল পথ আৰু দলংখন ঠিক কৰা হব বুলি— কিন্তু সিদিনা বিহুৰ পিচত সেইফালে যাওঁতে দেখিলো যে কাম একো হোৱা নাই। দলঙৰ এমূৰে অলপমান মাত্ৰ মাটি দিয়া আছে। মই মন্ত্ৰী মহোদয়ক আজি অনুৰোধ কৰিছো তেখেতে যেন আজিয়েই এই বিষয়ে ব্যৱস্থা লবলৈ লিখিত নিৰ্দেশ বিভাগীয় বিষয়ালৈ দিয়ে। কাৰণ মৌখিক নিৰ্দেশৰ মূল্য নোহোৱা যেন লাগে। ইয়াৰ উপৰিও আমাৰ যোৰহাট জিলাত বহুতবোৰ ৰাস্তা আছে যিবোৰ দুয়োকাষ ওখ হৈ গৈছে আৰু বৰষুণ হলে ৰাস্তাৰ মাজত পানী জমা হৈ আহ-যাহ কৰাত অসুবিধা হয় আৰু ফলত ৰাস্তাটো অধিক নষ্ট হয়। বিভাগত যথেষ্ট মাষ্টাৰ ৰোল কৰ্মী আছে— এই সকলৰ দ্বাৰা ৰাস্তাৰ দুয়োকাষবোৰ খান্দি দিলে ৰাস্তাত পানী জমা নহয়। অলপতে এনে এটা ৰাস্তাৰে যোৰহাটৰ পৰা যাওতে বাটতে ৫ জন মানুহ লগাই গাড়ী ঠেলি ঠেলি নিবলগীয়া হৈছে। আমাৰ গড়কাপ্তানী বিভাগৰ দায়িত্বত বৰ্তমান থকা মন্ত্ৰীজনৰ দিনত এই ৰাস্তা-দলঙবোৰৰ অৱস্থা কিছু উন্নত হব বুলি আমি আশা কৰিছো।

( সময় সংকেত )

এই খিনিকে কৈ মই গড়কাপ্তানী বিভাগৰ শিতানত যি দাবী মঞ্জুৰী সদনত উত্থাপন কৰিছে তাক সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

★শ্ৰীফণিভূষণ চৌধুৰী : মাননীয় চেয়াৰমেন মহোদয়, মই আজি কোকৰাঝাৰ জিলাৰ ৰাস্তা-ঘাটৰ বিষয়ে কবলৈ ওলাইছো। কোকৰাঝাৰ জিলাত প্ৰায় ১২০

*Speech not corrected.

খন দলঙতকৈও বেছি দলং ধ্বংশপ্ৰাপ্ত হল। কিন্তু এই দলংবিলাক মেৰামতি কৰা বা নতুনকৈ নিৰ্মাণ কৰাৰ কাৰণে গড়কাপ্তানী বিভাগে কোনো গুৰুত্বই আৰোপ কৰা নাই। ইতিমধ্যে আমি জানিব পৰা মতে কেইবালাখো টকা মঞ্জুৰ কৰা হৈছে কিন্তু এই ক্ষেত্ৰত কোনো কামেই কৰা নাই বা গুৰুত্ব আৰোপ কৰা নাই। কিন্তু ৰাস্তা বিলাক ব্লেক টপিঙত হে গুৰুত্ব আৰোপ কৰিছে।

মাননীয় চেয়াৰমেন মহোদয়, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত আৰু পুলিচ অধিক্ষকে আইন শৃংখলাৰ পৰিস্থিতি চম্ভালিবৰ কাৰণে ৰাষ্টাৰিলাক 'ব্লেক-টপিঙ'ত গুৰুত্ব আৰোপ কৰাৰ কাৰণে বিভাগে সেই কামতহে মনোনিবেশ কৰিছে। কিন্তু ইয়াত গুৰুত্ব নিদি যিবিলাক ধ্বংশপ্ৰাপ্ত হল সেইবিলাকহে মেৰামতি বা পুনৰ নিৰ্মাণ কৰাৰ কাৰণে গুৰুত্ব দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মাননীয় চেয়াৰমেন মহোদয়, কোকোৰাঝাৰ জিলাত ১৯৮৮-৮৯ চনৰ বছৰটোত যিবিলাক আঁচনি লোৱা হৈছিল সেই আঁচনিবিলাকৰ কাৰণে ধাৰ্য্য কৰা টকা অনুমোদন নোহোৱাৰ কাৰণে সেই বিলাকৰ কোনো কামেই আৰম্ভ কৰিব পৰা নাই। এছ, চি, এছ, টি, এম, এন, পি, টি, এচপি, আদি বিভিন্ন আঁচনিৰ ক্ষেত্ৰত এই কথা হৈছে। এইবিলাকৰ কাৰণে প্ৰশাসনীয় অনুমোদন যোৱা নাই। গতিকে বাৰিষাৰ আগে আগে যাতে এই কামবিলাক শেষ কৰিব পাৰে তাৰ কাৰণে যিমান পাৰি সোনকালে চৰকাৰৰ ফালৰ পৰা প্ৰশাসনীয় অনুমোদন দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মাননীয় চেয়াৰমেন মহোদয়, জেনেৰেল এৰিয়াতো সমানেই গুৰুত্ব আৰোপ কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো।

মাননীয় চেয়াৰমেন মহোদয়, বঙ্গাইগাওঁৰ মাজেদি যি ৰেল লাইন গৈছে তাৰ ফলত ৰেলওৱে লেভেল ক্ৰচিঙত ২৪ ঘণ্টাৰ ভিতৰত প্ৰায় ২০ ঘণ্টাই ৰাস্তা বন্ধ হৈ থাকে। গতিকে এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি সকলো 'ফৰ্মেলিটি' শেষ কৰি যিমান পাৰি সোনকালে তাত এখোখন 'ফ্লাই অভাৰ'ৰ ব্যৱস্থা কৰিব লাগে।

এই খিনিকে চৰকাৰৰ ওচৰত দাবি জনাই মই মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছো।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মাননীয় সভাপতি মহোদয়, গড়কাপ্তানী বিভাগ এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগৰ ওপৰত যি দাবী মঞ্জুৰী

আনিছে তাৰ ওপৰত অহা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই কেইআষাৰমান কথা কব খুজিছো।

মাননীয় সভাপতি মহোদয়, গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ দৈৰ্ঘ্য হৈছে ২৭,২৭২ কিলোমিটাৰ 'আপ টু ডেট' হিচাব মতেই। এই ৰাস্তাৰ ভিতৰত তুহেজাৰ এশ কিলোমিটাৰ হৈছে ৰাষ্ট্ৰীয় ঘাই পথ। 'ষ্টেট হাইওৱে' হৈছে, ২০২৩ কিলোমিটাৰ, 'এম, এন, পি' আৰু গড়কাপ্তানী ৰাস্তাকে ধৰি ২২,৭৪৮ কিলোমিটাৰ। 'চাৰ্ফেচ ৰড্' ৫৯২৮ কিলোমিটাৰ, 'আন্ ছাৰ্ফেচ ৰড' হৈছে, ২১,৮৪৪ কিলোমিটাৰ! এইবিলাক ৰাষ্টাত কিমান দলং আছে আৰু কিমানখন দলং নাইকীয়া হৈ গৈছে তাৰ হিচাব আমাৰ গড়কাপ্তানী বিভাগত আছে। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো প্ৰত্যেক চাব ডিভিজনবিলাকৰ খা-খবৰ আনি কামবিলাক কৰাৰ ব্যৱস্থা কৰে যেন। 'এম, এন, পি'ৰ শিতানত ৰাস্তাবিলাক মেৰামতিৰ কাৰণে যিবিলাক টকা মঞ্জুৰ কৰা হয় তাৰ চাৰিভাগৰ তিনিভাগ মাষ্টাৰ ৰুলৰ লেবাৰক দিওতেই যায় আৰু এক বুজন অংশ যায় 'চেকশ্বন অফিচাৰ' ইত্যাদিৰ দৰ্মহাৰ ক্ষেত্ৰত।

সভাপতি মহোদয়, আজি গড়কাপ্তানী বিভাগৰ ৰাস্তাবিলাকৰ ওপৰত মানুহৰ আস্থা হেৰাই গৈছে। বছৰৰ আঠ মাহ ৰাস্তাত খোজ কাঢ়িও যাব নোৱাৰা অৱস্থা হৈছে। এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে অলপ খবৰ লৈ চাবনে? দলংবোৰৰ ঠাইত কালভাৰ্ট কৰিব লাগে বুলি বিভাগৰ ফালৰপৰা বহু বছৰ আগতে নিৰ্দেশ দিয়া হৈছিল। ৪ ফিট ডায়েমিটাৰৰ নকৰি ২২ ফিট ডায়েমিটাৰৰ কালভাৰ্ট কৰিলে সেইটো পাৰমেনেণ্ট হয় কিন্তু সেইটো নকৰে! তাৰ সলনি কাঠৰ দলং কৰে। কাৰণ তেতিয়া প্ৰত্যেক বছৰে কৰাৰ সুযোগ আছে। এই সুবিধাৰ কাৰণেই বাঁহৰ বা কাঠৰ দলং কৰে আৰু কোনোমতে এবছৰ যায়। মই কেইখনমান দলঙৰ কথা মন্ত্ৰী মহোদয়ক কৈছিলো তেখেতে কৈছিল যে ৭ কিঃ মিঃ ৰাস্তাত ৯ খন দলং কেনেকৈ কৰিম? এই ৰাস্তাত এখন দলং যোৱা বছৰ কৰা হৈছে কিন্তু এতিয়া তাৰ ওপৰেদি গাড়ী-মটৰ যাব নোৱাৰে, এই অৱস্থাৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি সেইটো চাব লাগে। মন্ত্ৰী মহোদয় নিজে ভাল হলেই নহব বিভাগটোক ৰিঅৰগেনাইজ কৰিব পাৰিব লাগিব। একজিকিউটিভ অফিচাৰ দিওঁতে চাই-চিতি দিব লাগিব। অধীক্ষক অভিযন্তা দিওঁতে চাই-চিতি দিব লাগিব। নহলে তেওঁলোকে চুপাৰভাইজ কৰাতকৈ গ্ৰুপ কৰে, কাক কাক

এলটমেণ্ট দিব সেইবিলাকত লাগি থাকোতেই যায়। ৰাস্তাৰ হাইট কিমান হব, ব্ৰেথ কিমান হব আদি আৱশ্যকীয় বস্তুবোৰত চকু দিবলৈ সময় নাপায়গৈ। এইবোৰ কিয় হৈছে নাজানো। এইবোৰ চলি থাকিলে মই ভাবো অলপ দিনৰ পিছত ৪-৫ হাজাৰ ৰাস্তা নামতহে থাকিব আচল ৰাস্তাৰ চিহ্নও নাথাকিবগৈ। সেই কাৰণেই মই কৈছো পুৰণি ৰাস্তাবোৰ ঠিক কৰক। অকল ইয়াৰ দৈৰ্ঘ্য বঢ়াই লাভ নহব। এইবোৰ উন্নত কৰাৰ কাৰণে নিৰ্দেশ দিয়ক। প্লেনিং ব'ৰ্ডক নিৰ্দেশ দিয়ক। টকাৰ চাৰিভাগৰ তিনিভাগ উন্নয়নৰ কামত খৰচ কৰক। প্ৰয়োজন হ'লে আমি সকলো টকা ৰাস্তাৰ উন্নত কামৰ কাৰণে দিম। তাৰোপৰি লেভেল ক্ৰচিঙৰ কাৰণে কিমান ৰাস্তা বন্ধ হৈ আছে মন্ত্ৰী মহোদয়ে জানেনে নাই? ৩০-৪০ বছৰৰ আগতে কত ৰাস্তা হৈছে কিন্তু আজিও লেভেল ক্ৰচিং নাই। মই কেইবাবাৰো কৈছো যে গড়কাপ্তানী বিভাগত এটা চেল খুলিব লাগে, ৰেল বিভাগৰ লগত যোগাযোগ কৰিব লাগে প্ৰয়োজন হ'লে। এই চেলৰ দায়িত্বত এজন প্ৰয়োজন বোধে উপ-সচিব নিযুক্তি দিব লাগে। এইটো কাগজত হৈছে আমি অৱশ্যে নাজানো। গড়কাপ্তানী বিভাগে ৰাস্তা বনাইছে কিন্তু লেভেল ক্ৰচিং হোৱা নাই তাৰ কাৰণে কোন দায়ী? ৰেল বিভাগে প্লেন এষ্টিমেট দিয়ে, বিভাগে পইচা জমা দিয়ে তাৰ পিছত ৫-৬ বছৰ খবৰ নাই। হয়তো ৬-৭ বছৰৰ পিছত আকৌ ৰিভাইজড্ এষ্টিমেট দিয়ে। এইটো মই অকল এঠাইৰ কথা কোৱা নাই গোটেই অসমৰ কথা কৈছো। ইফালে বস্তুৰ দাম বাঢ়ি গৈ আছে। গতিকে সেইমতে আকৌ পইচা জমা দিব লগা হয়। ধৰি লওঁক গড়কাপ্তানী বিভাগে ৮০ হাজাৰ জমা দিব দিলে আৰু ৭-৮ বছৰ পাৰ হৈ যায়। আকৌ ৰিভাইজড্ এষ্টিমেট দিয়ে। আকৌ টকা জমা দিয়ক। ইয়াৰ শেষ কত? সেয়ে ৰেলৱে বিভাগক কব লাগে কিমান টকা দিব লাগে আৰু আপোনালোকে কেতিয়া কাম কৰিব কওঁক। নহলে পইচা জমা দি থাকক, ইফালে মানুহে কষ্ট পাই থাকক ৰাস্তা সম্পূৰ্ণ নহব। আচলতে এই বিভাগৰ লগত ৰেলৱে বিভাগৰ কোনো সম্পৰ্ক নাই। গতিকে এই ব্যৱস্থা কৰাৰ কাৰণে ৰেলৱে বিভাগক কব লাগিব। নহলে আমাৰ মানুহে ৰাস্তাৰ কাৰণে বহু কষ্ট পাই থাকিবলগীয়া হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব বুলি ভাবিছো।

সভাপতি মহোদয়, ১৯৮৮-৮৯ ত আমি কৰিমগঞ্জত ডিচেণ্ট্ৰেলাইজড্ প্লেনিঙত প্লেন এল'কেচন আছিল ১৮ লাখ টকা। তাৰ পিচত ইয়াৰ পৰা নিৰ্দেশ গ'ল যে শতকৰা এভাগ কাটি শতকৰা ১০ ভাগ হওবেক। তেতিয়া কিমান

কাট হয় ? তাৰ পিছত নিৰ্দেশৰ পিছত নিৰ্দেশ। আকৌ ৰিকাষ্ট কৰা হ'ল ৪·৫ লাখ টকা খৰচ কৰাৰ নিৰ্দেশ গৈছে। এতিয়া প্ৰশ্ন হৈছে কিমান টকা কাট হৈছে ? আচলতে কাম মাত্ৰ ৫ হাজাৰমান টকাৰহে কাম হ'ব। গতিকে মন্ত্ৰী মহোদয়ে এইবোৰ অলপ চাব লাগিব। ৰাস্তা নহলে কোনো উন্নয়ন নহয়। ৰাস্তা কাগজত হৈছে কামত নাই। এইবোৰ এতিয়াৰ নহয় আগৰপৰাই কন্টিনিউটী হৈ আছে। আচল মালিক হল কাৰ্য্যবাহী অভিযন্তা সকল। কাম কৰা মানুহকহে আচলতে তাত দিব লাগে। আগতে কৰিমগঞ্জত যি জন আছিল তেওঁ লাটবাহাদুৰ। এতিয়া যি জন গ'ল তেওঁ তদ্ৰূপ। নিজৰ ডিভিজন আৰু চাৰ্কিট হাউচ চিনি পায়। তেওঁ অহাৰ কাৰণেহে গৈছে। তাৰোপৰি কাছাৰ চিভিল চাৰ্ভিচতো চলিয়েই আছে। ইয়াৰপৰা যাব নিবিচাৰে আৰু গলে আহিব নিবিচাৰে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো লেভেল্স ক্ৰচিঙৰ কামবোৰক অগ্ৰাধিকাৰ দিব লাগে। মই মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দেৱ সমষ্টিৰ কথা কৈছো বলেশ্বৰত এখন দলং কৰা হল চাৰে তিনিলাখ টকা খৰচ কৰি, কিন্তু ইয়াৰ ফাইনেল বিল আদায় হোৱাৰ পিছদিনাই দলংখন ভাঙি গ'ল। সেই দলংখন ভাঙিব বুলি জানিয়েই আগদিনা পইচা লৈ গৈছিলনেকি কব নোৱাৰো। সেইটোৰ কাৰণে কাৰো ওপৰত দায়িত্ব অৰ্পন কৰা হোৱা নাই। ইয়াৰ কাৰণে ৰেচপনচিবিলিটি ফিক্স কৰে নে নকৰে আমাৰ কথা নহয় কিন্তু দলংখনৰ টকা নিয়াৰ পিছদিনাখনেই ভাঙি পৰিলে কেনেকৈ হয়। বলেশ্বৰ ৰাস্তাত গাড়ী যোৱা দূৰৰ কথা মানুহ অহা-যোৱাও কৰিব নোৱাৰে। এতিয়া বাহঁৰ ওপৰত ছাটাই দি আছে আৰু তাৰেই মানুহ অহা-যোৱা কৰি আছে।

( সময়ৰ সংকেত )

Mr. Chairman : Your time is over. Please sit down.

শ্ৰীআব্দুল মোক্তাদীৰ চৌধুৰী : আমি ইয়াত কবলৈ পাৰো। লিখি আনি পঠিয়াই দিলেই নহয় সেই কাৰণে ইয়াত কোৱা কথাখিনিৰ অলপ অন্তত. দাম দিলে আৰু আমাৰ কোৱা কথাৰ দুই এটাৰ উত্তৰ দিলে ভাল হয় বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় চেয়াৰমেন ডাঙৰীয়া, গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াই যি এশ যোল কোটি পঁচাশী লাখ টকাৰ দাবী মঞ্জুৰী বিচাৰি যি প্ৰস্তাৱ আগবঢ়াইছে তাত মই সমৰ্থন জনাইছো আৰু বিৰোধী দলৰ সদস্য সকলে যি

* Speech not corrected.

কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটোৰ মই বিৰোধীতা কৰিছো। এটা কথা মই ভাবিছো যে বিভাগটোৱে লোৱা কেইটামান বেয়া ৰাস্তাৰ কথা কম বুলি ভাবিছিলো যদিও দেখিছো মাননীয় সদস্য সকলে প্ৰত্যেকেই নিজৰ নিজৰ অভাৱ অভিযোগৰ কথা কৈছে, গতিকে মোৰ কথা কেইটাও তেনেই একেই হব কাৰণে একে কথাই বৃদ্ধি হব মাথোন। এটা কথা ঠিক যে এশ ষোল কোটি টকাৰে ইমান বিলাক অভিযোগৰ পৰা যে কিবা কৰিব পৰা হ'ব সেইটো বেলেগ ধৰণৰ চিন্তাধাৰা থকা মন্ত্ৰী হিচাবে হ'লেও আশা কৰা টান। এটা কথা উপলব্ধি কৰিছো যে এচ. টি কম্পোজিশ্যান আৰু এচ. চি কম্পোজিশ্যানৰ ক্ষেত্ৰত এফ. ডি, আৰৰ যিখিনি টকা আছে সেইখিনি ৰিজাৰ্ভ ফাণ্ডত ধৰি মহকুমা ভিত্তিত বিতৰণ কৰাৰ সময়ত আমাৰ তিনিবছৰীয়া অভিজ্ঞতাৰ পৰা দেখা পাইছো যে ইয়াত অলপ ৰাজনৈতিক হস্তক্ষেপ হয় আৰু আমি বিধায়ক হিচাবেও পিছ পৰি থাকো। মই মাত্ৰ এটা পৰামৰ্শ দিব বিচাৰিছো যাতে তেনেকুৱা নহয় সেইটো চাব লাগে। বৰচলা মৌজাত যি ৰাস্তা আছে তাৰে ৰগৰতোলা ভগামন্দিৰ ৰাস্তাত কাঠৰ দলং নাই। ঠেলামৰা ৰাস্তাও বন্ধ হৈ আছে। ৰগৰতোলা ৰাস্তাও বন্ধ হৈ আছে। মই মোৰ মৌজাৰ কথা কোৱা নাই। কিন্তু বৰচোলা মৌজাৰ কথা কবলগীয়া হৈছো। গোটেই মৌজাখনত এখন মাত্ৰ কাঠৰ দলঙৰ বাহিৰে একো নাই। অথচ শতকৰা ষাঠি ভাগ আশী ভাগ লোক গাওঁত বাস কৰে। গাওঁৰেই যদি উন্নতি নহয় তেতিয়া হলে এই বৃহৎ সংখ্যক লোকৰ উন্নতি হব কেনেকৈ? গাওঁত থকা মানুহে কথা কব নোৱাৰে কাৰণেই গাওঁৰ ৰাস্তাত শিলগুটি এটাও পৰিব নালাগে আৰু চহৰতে গোটেইখিনি সীমাবদ্ধ কৰি ৰাখি ব্লেক টপিং পৰ্য্যন্ত হব লাগে সেইটো মই নাভাবো। আমি গাওঁৰ পৰা গাওঁৰ মানুহক প্ৰতিনিধিত্ব কৰিবলৈ আহিছো, গতিকে গাওঁৰ পিচপৰা মানুহ খিনিৰ সুবিধা-অসুবিধাৰ কথা কব লাগিব, ভাবিব লাগিব। গাওঁৰ মানুহৰ ওলাব সোমাব পৰা ৰাষ্টাৰ প্ৰয়োজন। গাড়ী, মটৰ যাব নোৱাৰে, চাইকেল যাব নোৱাৰে তাৰ ফলত বয়-বস্তু কঢ়িওৱাত অসুবিধা হোৱাৰ ফলত দাম বৃদ্ধি হৈ থাকে। গাওঁ-বিলাকত যোগাযোগ ভাল নহয় কাৰণে পিচ পৰি থাকে। গাওঁৰ মানুহৰ আজি নিৰাপত্তা নাই। আজি গাওঁৰ পৰা মানুহ ভাগি আহিব ধৰিছে। গাওঁৰ মানুহৰ মনত আজি শান্তি নাই। এইটোৱেই যদি হৈ থাকে আমি আৰু গাওঁৰ কথা কেতিয়া ভাবিম? গান্ধীজীয়ে লো লিভিং হাই থিংকিংৰ কথা কৈছিল কিন্তু এতিয়া

আমাৰ জীৱন-ধাৰণৰ মানদণ্ড বাঢ়িছে কিন্তু চিন্তাধাৰা কি হৈছে সেইটো চাব লাগিব। অসম টাইপ ঘৰৰ ঠাইত এতিয়া আৰ-চি-চি হবলৈ ধৰিছে কিন্তু আমাৰ ল'ৰা-ছোৱালীক ভাল-চিন্তা কৰিবলৈ শিকাইছোনে? আমি যদি নিজে ভাল-চিন্তা ধাৰাৰ নহওঁ তেনেহলে আমাৰ ল'ৰা-ছোৱালী ভৱিষ্যত দেশৰ সন্তান বিলাক কেনেকৈ ভাব-চিন্তাধাৰাসম্পন্ন হব সেইটোও সন্দেহৰ কথা। গতিকে দেশৰ উন্নতি, জাতিৰ উন্নতিৰ কাৰণে আমি চিন্তা কৰিব লাগিব। মোৰ সমষ্টিৰ ৰাস্তা প্ৰধান চাৰিটাই কামত ব্যৱহাৰ কৰিব পৰাকৈ থকা নাই। ৰাস্তাখিনিৰ বিষয়ে চিন্তা কৰিবলৈ অনুৰোধ জনাইছো আৰু তাৰ দ্বাৰাহে গাওঁৰ মানুহৰ উপকাৰ সাধিব পৰা হব বুলি মই ভাবো। আৰু বেছি নকওঁ। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ: মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰীআব্দুল জলিল ৰাগিবিৰ প্ৰতি মই সমৰ্থন জনাই কবলৈ বিচাৰিছো আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো যে মই যোৱা ২২ তাৰিখে অভয়াপুৰীৰ পি, ডব্লিউ, ডি টোলৈ গৈছিলো। তাত গৈ দেখিলো যে এতিয়াও এফ, ডি, আৰ টকা খৰচ কৰা হোৱা নাই। বহুতখিনি কাম আৰম্ভ হোৱা নাই। যোৱা বানপানীত অভয়াপুৰিৰ পি, ডব্লিউ, ডি ৰাস্তা য'ত য'ত ক্ষতিগ্ৰস্ত হৈছিল সেইবিলাক যাতে অনতি পলমে মেৰামতি কৰা হয় সেইবাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰোপৰি সভাপতি মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক কেইটামান ৰাস্তাৰ বিষয়ে দৃষ্টিগোচৰ কৰিব বিচাৰিছো তাৰে এটা ৰাস্তা হল অভয়াপুৰী লেংটিচিঙা হৈ বৰপেটালৈ যোৱা ৰাস্তা। সেইনিনি ঠাইত ৭-৮ লাখ মান মানুহে বসবাস কৰে। এই অঞ্চলৰ পৰা যদি কিবা কাৰণত গুৱাহাটীলৈ আহিব লগীয়া হয় তেনেহলে তেওঁলোক অৰ্থৰ ফালৰ পৰা ক্ষতিগ্ৰস্ত হয়। লগতে সময়ো বহুত অপচয় হব। অভয়াপুৰীৰ পৰা কাবাইটাৰী ৰাস্তা। এই ৰাস্তাটোৰ কাৰণে পাচনীয়া গাওঁৰ কেইজমান মানুহ মন্ত্ৰী মহোদয়ৰ লগত ওতঃপ্ৰোতভাবে জড়িত, লগতে বন্ধুও। তেখেত সকল মন্ত্ৰী মহোদয়ৰ ওচৰত আহি আবেদন-নিবেদন কৰিছে। এই ৰাষ্টাটো প্ৰায় ২০ কিলোমিটাৰ দীঘল। তাৰে ৫০ শতাংশ পাহাৰীয়া ৰাস্তা। এবাৰ পাহাৰৰ পৰা গাড়ী এখন বাগৰি পৰাত খিতাতে ২ জন নিহত আৰু ৬০ জন লোক আহত হয়। সেই কাৰণে এই ৰাস্তাটো সোনকালে যাতে মেৰামতি কৰে, মই এইটোকে তেখেতৰ ওচৰত অনুৰোধ কৰিছো। ৰাস্তাবিলাক মেৰামতি কৰোতে যাতে হিচাব মতে খৰচ কৰা হয় এইটো চাব লাগে। টকাটো এনেধৰণে চিলেক্ট কৰা হয়, দেখা যায় যে বহুত সময়ত স্বজনপ্ৰীতি ৰাজনৈতিক উদ্দেশ্য জড়িত থাকে।

তেখেতৰ বিভাগত বিভিন্ন ধৰণৰ মানুহ আছে । সেই মানুহখিনিয়ে বাইজৰ উন্নতি উপলব্ধি কৰি যাতে প্ৰকৃতপক্ষে টকাখিনি খৰচ কৰে । সভাপতি মহোদয়, যিখিনি টকা দিয়া হয় সেইখিনি টকা সৎ মনোভাবেৰে এই বিভাগটোৱে খৰচ কৰিবলৈ চেষ্টা কৰিব লাগে । মই এটা উদাহৰণ দিব বিচাৰিছো—মোৰ সমষ্টিত ৰাস্তা এটি মেৰামতি কৰিবলৈ ওৱাৰ্ক অৰ্ডাৰ দহ হেজাৰ টকা দিছিল । কিন্তু সেই দহ হেজাৰ টকাৰ পৰিবৰ্তে দুই হেজাৰ টকাৰে কামটো সম্পূৰ্ণ কৰি দিলে ।

Mr. Chairman : There has been considerable discussion on the Grant. I now request the Honourable P. W. D. Minister to reply.

*শ্ৰীঅতুল বৰা ( গড় কাপ্তানী মন্ত্ৰী ) :— মাননীয় সভাপতি ডাঙৰীয়া, কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত বহুত খিনি আলোচনা হল। বহুতে বেয়া আৰু বহুতে ভাল বুলি কৈ অংশ গ্ৰহণ কৰিলে। মন্ত্ৰী হিচাবে মোৰ ফালৰ পৰা বিভাগৰ আগৰ অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ যথেষ্টখিনি চেষ্টা কৰিছো আৰু কৰি থাকিম। এনে ধৰণৰ সমালোচনাৰ দ্বাৰা ভুল ত্ৰুটিবোৰ উদঙাই দিয়াত শুদ্ধ কৰিবলৈ সুবিধা হয়। গতিকে সমালোচনা কৰা সকলক মই ধন্যবাদ্ জনাইছো। যিখিনি কথা কোৱা হ'ল— সেই খিনি কথাৰ ওপৰত থ্‌লমূলকৈ কিছু উত্তৰ দিব খুজিছো। প্ৰথম কথা হৈছে যে সদনত ৰাস্তা-পদুলি টকা-পইচা অভাৱৰ কথা কয়। টকা-পইচা অভাৱৰ কথা কেনেধৰণে বুজিছে মই নাজানো। কিন্তু এইটো এটা ডাঙৰ কাৰণ বুলি মই কব খোজো ৰাস্তাৰ দৈৰ্ঘ্য বছৰে বছৰে বাঢ়িছে। ৰাস্তা বিলাক পি, ডব্লিউ, ডি য়ে লব লাগে বুলি দাবী কৰে। প্ৰয়োজন অনুসৰি চাব-ডিভিজন বিলাকক নতুন ৰাস্তা লবৰ বাবে দাবী বা অনুৰোধ কৰে। তাৰ ফলত ৰাস্তাৰ দৈৰ্ঘ্য বাঢ়ি যায়। সেই কাৰণে মেইনটেনেঞ্চৰ খৰছো বঢ়াব লাগে। গতিকে ৰাস্তাবোৰৰ মেৰামতিৰ কাৰণেও খৰছ বঢ়াব লাগে। এই অৱস্থাত এই ডিভিজন বিলাকত আগৰ লাইবিলিটো আছে — সত্তৰ লাখ, আশী লাখ কৈ। এতিয়াও ডিভিজন বিলাকত আশী লাখ টকা আগৰ দিব লগা আছে। মাষ্টাৰ ৰোলৰ কৰ্মীয়ে বাৰ টকা পাইছিল। মন্ত্ৰী সভা গঠন হোৱাৰ পিচত ১২ টকাৰ পৰা ১৯ টকা মাষ্টাৰ ৰোলৰ কৰ্মীয়ে দৰ্মহা পাইছে। ওৱৰ্ক চাৰ্জৰ টকা আগতে ৪০ ( চল্লিশ ) লাখ পাইছিল। এতিয়া ৪০ ( চল্লিশ ) লাখৰ পৰা ৬০ ( লাখ ) টকা কৰা হৈছে। কিন্তু ৮০ ( আশী ) লাখ টকা যি মঞ্জুৰী আছিল সেইটো বঢ়া

*Speech not corrected.

নাই। সেইটো একেদৰে আছে। শিলগুটি আৰু কাঠৰ দাম বাঢ়িছে। কাঠৰ দলঙৰ কামৰ কাৰণে ঠিকাদাৰ সকলে বনুৱাৰ হতুৱাই ১২-১৩ টকাতে কৰাইছিল কিন্তু এতিয়া তেওঁলোকে ২০ ( বিশ ) টকালৈকে লৈছে। ৮ কোটি ৮৮ লাখ টকা বানপানীৰ কাৰণে পাইছো। আগতে ইতিমধ্যে মেইনটেনেঞ্চৰ কাৰণে ৰিপেয়াৰ কৰিবৰ কাৰণে এফ, ডি, আৰ টকা আহিব বুলি আশা কৰি বৈ থাকিব নোৱাৰি। যিহেতু এফ, ডি, আৰ ৰ ফাণ্ডৰ টকা লিমিটেড। ১৯৮৮-৮৯ চনৰ ফাণ্ডৰ ১৫·।° কমাই দিছে। শতকৰা বস্তুৰ দাম বাঢ়িছে। মই মন্ত্ৰী হিচাবে সুনাম কৰিবলৈ চেষ্টা কৰিম। বিভাগীয় মন্ত্ৰী হিচাবে এনেকুৱা এটা সংকটৰ মাজত বিভাগীয় বিষয়া সকলক মাতি তেখেত সকলক যথেষ্ট সময়ত বা বিভিন্ন সময়ত উদাহৰণ দেখুৱাইছো, আহি দেখুৱাইছো আদৰ্শ দাঙি ধৰিছো। যাতে ঠিকমতে কামবিলাক কৰে। যদি নকৰে তেন্তে একশ্যন লোৱা হব। কিছুমান সদস্যই কৈছে মই একশ্যন লোৱা নাই। এ, পি, এচ, চিৰ পৰা বেয় বিষয়া সকলৰ নামত ই বি বন্ধ কৰাৰ কাৰণো কৈছে। মই ই বি কিয় ডিগ্ৰেডেশ্যনও কৰিছো। এক্জিকিউটিভ ইঞ্জিনিয়াৰক এচ ডি অ' কৰিছো। দোষী বিষয়া সকলক ইমান লাইট পানিচমেণ্ট কিয় দিছে বুলি মই কেতিয়াবা ফাইলো ওভোটাই দিছো। মাষ্টাৰ ৰোলত ছোৱালীক ভৰাই লবাৰ নাম দি পইচা লোৱাৰ অভিযোগ পাইছিলো। সেই অভিযোগ পোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত বিষয়াজনক চাচপেণ্ড কৰিছো। আৰু পিচত উইড্ৰ কৰিছো। মই নিজে উইড্ৰ কৰা নাই। অভিযোগকাৰী সকলৰ মতে বিষয়টো উইড্ৰ কৰা হৈছে। বিভিন্ন জনে বিভিন্ন ধৰণে ৰাস্তাৰ কথা কৈছে। মোৰ সমষ্টিৰ কথাটো হৈছে-ডিমৰীয়া কলেজলৈ যোৱা ৰাস্তাটো মই পকী কৰি দিছো। এম, এন, পিৰ পৰা টকা লৈছো। বিত্তীয় আয়োগৰ পৰা প্লেনৰ টকা দিছিল ৫ (পাচ ) লাখ, তাৰে ৫ ( পাচ ) হেজাৰকৈ টকা প্ৰত্যেক সমষ্টিতে দিয়া হৈছিল। মোৰ সমষ্টিটো এম, এন, পিৰ পৰাই ৰাস্তা পকী কৰাৰ কাৰণে টকা লৈছো। তাৰোপৰি তিনিআলি আৰু চাৰিআলি চোক বিলাক পকী কৰিছো কাৰণ তেনে ঠাইত দোকান-পোহাৰ থাকে। ফলত মানুহৰ ভিৰ হয়। সেই কাৰণে তেনে কৰা হৈছে। আমাৰ এফ, ডি, আৰৰ টকাও ৰাস্তাৰ কামত লগাইছো। এইটো আচলতে কৰিব নোৱাৰে। কমিশ্যনাৰে কৈছে যে এফ, ডি, আৰৰ টকা ৰাস্তা পকী কৰা কামত লগাব নোৱাৰে। এনে কৰিলে দিল্লীয়েও আপত্তি কৰিব। কেৱল শিলগুটিহে দিব পাৰে। মই কিন্তু এই ক্ষেত্ৰত গাৰ জোৰেৰে কৰিছো। এই টকাটো কেৱল ৰিপেয়াৰৰ কামতহে লগাব লাগে।

★Speech not corrected.

পইচাখিনি যাতে সৎ ব্যৱহাৰ কৰিব পৰা যায় সেইটোহে চাব লাগিব। বিধায়ক জয়নাথ শৰ্মাৰ সমৰ্থিটো কৰিছো। যি সকল লোকে মোৰ ওচৰলৈ আহি অনুৰোধ কৰিছে তেখেত সকলকো যিমান পাৰো সহায় কৰিছো। আনকি বিৰোধী পক্ষৰ পৰা অহা সকলকো মই লিখি দিছো। কমিশ্যনাৰে এফ, ডি, আৰ টকাৰে পকী কৰিব নোৱাৰে বুলি আপত্তি কৰিলেও মই সেইটো মানি লোৱা নাই। কাৰণ টকাখিনি সৎ ব্যৱহাৰ কৰাটোহে মই বিচাৰো। কমিচনাৰে এই টকাৰে পকা কৰিব নালাগে বুলি কৈছে। কিন্তু মই কৈছে যে এফ, ডি, আৰ ৰ এই টকাটো মিচ-ইউজ হব। পকী কৰিলে কামতো ভাল হব আৰু যিহেতু আমাৰ বেচি ভাগ মানুহেই পকী হোৱাটো বিচাৰে। গতিকে এফ, ডি, আৰ ৰ টকা যাতে মিচ-ইউজ নহয় সেইটো লক্ষ্য ৰাখিহে এইটো কৰা হৈছে। ইমাৰজেঞ্চি ফাণ্ডৰ কথা কোৱা হৈছে। আচলতে ইমাৰজেঞ্চি ফাণ্ড বুলি একো নাই। এই ফাণ্ডত মেক্সিমাম ১ কোটি মান টকা থাকে। ইমাৰজেনঞ্চি কামৰ কাৰণে আমি এই টকা বিলাক ব্যৱহাৰ কৰিব লাগে। বিধায়ক সকলৰ লগত আলোচনা কৰি মাজে মাজে সেই টকাখিনি বিতৰণ কৰিছো। কিন্তু এই বছৰ ফাণ্ডত পইচা নাছিল। এই-বাৰ এনেকুৱা পইচা আগতেই ওলাই গৈছে। নেচনেল হাইওৱে প্ৰজেক্ট এটা আছে। এই প্ৰজেক্টৰ জৰিয়তে আমাৰ গোটেই অসমত কিছু ৰাস্তা লোৱা হৈছে। এই প্ৰজেক্টৰ ফাণ্ড যদিও কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে তথাপি আমাৰ গড়-কাপ্তানী বিভাগৰেই এইটো ডিভিজন আৰু ইয়াত আমাৰ বিষয়া কৰ্মচাৰী থাকে। নেচনেল হাইওৱে বিলাকো এইটোৱে চোৱা-চিতা কৰে। কিন্তু নেচনেল হাইওৱেৰ ৰাষ্টা বিলাক বি, আৰ, ডি ৰ নিচিনা নহয়। আমাৰ মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰীয়াই লামডিং, লংকা ৰাষ্টাটোৰ ক্ষেত্ৰত আপত্তি কৰিছিল। মাহো-ৰৰ পৰা শিলচৰলৈ এই ৰাস্তাটোও গড়কাপ্তানী বিভাগে লব লাগে বুলি কৈছিল কিয়নো গড়কাপ্তানী বিভাগে ললে আগন্তকৈ উন্নতি হব। কিন্তু সেই ৰাষ্টাটো আমি লব পৰা নাই বা আমাৰ হাতলৈ অনা নাই। আজি বি, আৰ, ডিৰ অৰ্ডাৰ আছে বা ৰাস্তা দি আছে। কিন্তু সেই কাম বন্ধ হৈ আছে। বি, আৰ, ডিয়ে ঠিকমতে কাম নকৰে। কৰবাত ভাল কৰিছে যদি সেইটো বেলেগ কথা। অসমৰ ক্ষেত্ৰত ঠিক কাম কৰা নাই। ঠিক তেনেধৰণে বিভিন্ন ধৰণৰ ৰাস্তা পদুলীৰ কথা আহিছে। আমাৰ মাননীয় সদস্য ৰত্নেশ্বৰ চৰকাৰ ডাঙৰীয়াই অভয়াপুৰীৰ ৰাস্তাৰ কথা কৈছে। মাননীয় লোকসভাৰ সদস্য আটাউৰ ৰহমান ডাঙৰীয়াই সেই ৰাস্তাটোৰ কথা কৈছে। সেই ৰাস্তাটোৰ সক্ৰান্তত মই ১০/১২ খন মান চিঠি দিছো। মই গোটেই নথি-পত্ৰ যোগাৰ কৰি তেখেতক জমা দিছো। সেই ৰাস্তাটো গড়কাপ্তানী বিভাগে কৰিলে বহুত উন্নতি হব। এন, এইচ, পিয়ে

লেঙটিচিঙা বৰপেটাৰোড ৰাস্তাটো কৰাৰ কাৰণে চেষ্টা চলাইছে। ঠিক তেনেদৰে বাকী কিছুমান ৰাস্তা কৰাৰ কাৰণে চেষ্টা চলাইছে। সীমান্তৰ ৰাস্তা বিলাক বেয়া বুলি কৈছে। এই ৰাস্তা বিলাকৰ কাৰণে ডি, চিয়ে পইচা বিতৰণ কৰে আৰু কামটো গড়কাপ্তানী বিভাগে কৰে। নৰ্থ ইষ্টাৰ্ণ কাউঞ্চিলৰ ওচৰত এতিয়াও বহুতো প্ৰপোজেল আছে। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনা শেষ হবৰ হ'ল এতিয়াও প্লেন যুগুতাইয়ে আছে। আমি ১/২ কিলোমিটাৰ ৰাস্তা পকী কৰিবলৈ আচনি লও কিন্তু এন, এইচ, পিয়ে একেলগে ২০ কিলোমিটাৰ মান ৰাস্তা পকী কৰাৰ কাৰণে আঁচনি লয়। গতিকে কিছুমান ৰাস্তা গড়কাপ্তানী বিভাগে লব নালাগে বুলি কয় আৰু সেই ৰাস্তা বিলাক এন, এইচ, পি য়ে লব লাগে বুলি কয়। কাৰণ ১/২ কিলোমিটাৰ কৈ কাম কৰোতে ১০/২০ বছৰ সময় লাগিব কিন্তু এন, এইচ, পি য়ে একেলগে ২০ কিলোমিটাৰ কৰিবলৈ লয়। গতিকে এন, এইচ, পি ৰ পৰা একেলগে কৰিব পাৰিলে ভাল হয়। আমাৰ মাননীয় সদস্য সকলে মাষ্টাৰ ৰোলত ভালকৈ কাম কৰিব পৰা নাই বুলি কৈছে। এই মাষ্টাৰ ৰোলৰ কৰ্মী সকলৰ ফিফ্‌টি পাৰ্চেণ্টক টাৰ্মিনেট কৰিব পাৰিলে মই সুখী হলোঁহেতেন। কিন্তু মই নোৱাৰো। মাষ্টাৰ ৰোলৰ কৰ্মী সকলক পৰ্য্যায় ক্ৰমে ৰেগুলাৰ কৰা হৈ আছে। অৱশ্যে মেইনটেনেঞ্চৰ কাৰণে টকা দিবলগীয়া হোৱাৰ কাৰণে এতিয়া ৰেগুলাৰ কৰিব নোৱাৰো। মাষ্টাৰ ৰোলৰ কৰ্মী সকলৰ ফাংফুঙৰ কথা আপোনালোকে যিখিনি বুজে তাতকৈ মই বেচি বুজো। যদি মাষ্টাৰ ৰোলৰ কৰ্মী সকলক টাৰ্মিনেট কৰা হয় তেতিয়াহলে পাচত প্ৰচাৰ কৰা হব যে সৰু সৰু চাকৰিয়ালক টাৰ্মিনেট কৰিছে। সেই ক্ষেত্ৰত তেনেকুৱা কিছুমান অসুবিধাও আছে। কিন্তু মাষ্টাৰ ৰোলৰ সকলো বিলাক কৰ্মীয়েই যে বেয়া সেইটো মই কব খোজা নাই, কিছুমান ভাল কৰ্মীও আছে। ঠিক তেনেদৰে ভাল ইঞ্জিনীয়াৰ বা বিষয়াও আছে। মাষ্টাৰ ৰোলৰ কৰ্মী এজনে কোনোবা এজন ইঞ্জিনীয়াৰৰ ঘৰত কাম কৰা বুলি অভিযোগ উথাপিত হৈছিল। কিন্তু খবৰ লৈ গম পোৱা গ'ল যে আচলতে সেই মানুহ জন মাষ্টাৰ ৰোলৰ কৰ্মী আছিল যদিও পিচত তেওঁ মাষ্টাৰ ৰোলৰ কৰ্মী নাছিল। ঘিলামাৰাৰ কাৰ্য্যবাহী অভিযন্তা জনক ১১ লাখ টকাৰ ফলচ্‌ বিল চাবমিট কৰা সম্পৰ্কত মই ২৪ ঘণ্টাৰ ভিতৰত চাচ্‌পেণ্ড কৰিছো। নলবাৰী জেইলত বেয়াকৈ পইচা-পাতি খৰচ কৰিছে বুলি মোক অৱগত কৰিলে আৰু অভিযোগ দিলে। সেই অভিযোগ মতে মই তালৈ গলো আৰু গৈ লজ্জাত পৰিলো কিয়নো আচলতে তাত যিমান টকা দিয়া হৈছে সেই

মতে ভালেই কাম কৰিছে। সেই কাৰণে ভুল ইনফৰ্মেচন দিব নালাগে। তথাপিও মোৰ পজিচনটো ঠিক ৰাখিবৰ কাৰণে মই কিন্তু এক্চন লৈছো আৰু মই ৰিষয়াজনক বদলি কৰি দিছো। গতিকে অলপ অলপ বিচাৰ কৰি যদি ইনফৰমেচন দিয়ে তেতিয়াহলে ভাল হয়। এন, এইচ, পি ৰ ২৪ খন দলং আছিল। এতিয়া সপ্তম পাচ বছৰীয়া পৰিকল্পনাৰ টকা যদি গুচি যায় তেনেহলে অসুবিধা হব। আমাৰ মাননীয় প্ৰাক্তন সদস্য জয়নাল আবেদিন ডাঙৰীয়াই মালাখোৱাত দলং নিৰ্মানৰ সম্পৰ্কত কৈছিল। মই কিন্তু সেই সময়ত সিদ্ধান্ত নললো কিয়নো তেতিয়া পুজিৰ অভাৱ আছিল। এন, এইচ, পি ৰ টকাৰে এই বিলাক কাম কৰিবলৈ সুবিধা হয়। গতিকে এন, এইচ, পি য়ে ললে ভাল হয়। ৰূপহীৰ কথা মই কৈছো আৰু ইয়াৰ উত্তৰো দিয়া হৈছে। মাননীয় সদস্য কুলবাহাদুৰ চেত্ৰীয়ে কলিয়াবৰৰ ৰাস্তাৰ কথা কৈছিল। এই ৰাস্তাটোৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য (মন্ত্ৰী) গুণিন হাজৰিকা ডাঙৰীয়াই কৈয়ে থাকে। এই ৰাস্তাটোৰ চোইলটো খুব ভাল আৰু অৰিজিনেলী সেই ৰাস্তাটো এনেয়ে ভাল হৈ আছিল। তেখেতে তেতিয়া এই ৰাস্তাটো ব্ৰেক টপিং কৰিবলৈ কৈছিল তেতিয়া মই কৈছিলো যে আপোমালোকৰ ফাললৈ কৰা হওক মোৰ ফাললৈ কৰিব নালাগে কিয়নো মোৰ ফাললৈ কৰিলে মোৰ বদনাম হব। ফলত ডেমেজৰ ৰিপেয়াৰিঙৰ টকাৰে সেই ৰাস্তাটোৰ অলপ কাম কৰা হৈছে। অ, এন, জি, চি আৰু অইল ইণ্ডিয়া বিভাগক সকলো বিলাক ৰাস্তা দিব নালাগে। অইল ইণ্ডিয়া বা অ, এন, জি, চিয়ে যি কেইটা ৰাস্তা নিৰ্মাণ কৰিছে সেই ৰাস্তা কেইটাৰে মানুহ যাব নোৱাৰি। শতকৰা শ ভাগ খৰচ কৰিও যদি অইল ইণ্ডিয়া বা অ, এন, জি, চি ক ৰাস্তা বনাবলৈ দিয়া হয় তেতিয়াহলে তেওঁলোকেই সেই ৰাস্তাৰ মালিক হৈযাব। সেই ৰাস্তাৰ ওপৰত বহুতো ট্ৰাক বা অন্যান্য গাড়ী থাকিব আৰু তেতিয়া যাতায়তৰ কাৰণে অসুবিধাৰ সৃষ্টি হব। সেই কাৰণে শতকৰা ষাঠি ভাগ চল্লিচ ভাগ হিচাবে যদি কৰা হয় তেতিয়াহলে নিয়ন্ত্ৰণত থাকে আৰু সুবিধা হয়।

(Mr. Deputy Speaker occupied the Chair.)

উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ যিবোৰ তেল পথাৰ আছে সেইবোৰ অঞ্চলত যিবোৰ ৰাষ্টা নিৰ্মাণ কৰা হয় তাত অ'-এন-জি-চিয়ে ৬০ শতাংশ আৰু আমাৰ গড়কাপ্তানী বিভাগে ৪০ শতাংশ খৰচ কৰে। শ্ৰীহৰেন বৰা ডাঙৰীয়াই যিখন দলঙৰ কথা কৈছে সেইখনৰ কাম ইতিমধ্যে কৰিবলৈ ব্যৱস্থা লোৱা

